www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

❑ ষষ্ঠ বছৰ ❑ সংখ্যা - ১৫৭ ❑ শনিবাৰ ❑ ১৯ জুলাই, ২০২৫ চন ❑ ২ শাওন, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 157 ❑ Saturday ❑ 19th July, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৭

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

‘ পাপেৰে কিছু লোকৰ উন্নতি হয়, আন বহুতৰ ভাল কামেৰেও পতন ঘটে। ’
—— শ্বেক্সপীয়েৰ ——

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

■ ‘বসুন্ধৰা-৩’ত ৪,০০০ বিঘা ভূমি আৱণ্টন ■ সৰুসজাইত হ’ব পঞ্চতাৰকা হোটেল, অত্যাধুনিক চিকিৎসালয়

# লখিমপুৰৰ উচ্ছেদিত ১১টা পৰিয়াললৈ ভূমি পট্টা

## ছয়গাঁৱৰ ১৫০ বিঘা ভূমিত নেচনেল ইউনিভাৰ্চিটি ফৰ ডিচেবিলিটি ষ্টাডিজ স্থাপনত অনুমোদন কেবিনেটৰ



**নিউজ ডেস্ক, গুৱাহাটী, ১৮ জুলাই ঃ** শুকুৰবাৰে জনতা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত ৰাজ্য চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকৰ পিছত সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্তসমূহৰ বিষয়ে বিশদভাৱে সদৰি কৰে। তেওঁ উল্লেখ কৰে যে উচ্ছেদৰ বিৰোধিতা কৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। তেওঁ কয়, “মই এক্সন ল’বলৈয়ে মুখ্যমন্ত্ৰী হৈছোঁ।” কেবিনেটে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ শিক্ষক কোৱাৰ্টাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ হোষ্টেল নিৰ্মাণৰ বাবে ৮৫,৫০৯ বৰ্গমিটাৰ বিল্ড-আপ এলেকাৰ প্ৰকল্পৰ বাবে ৩৫৭.২৮ কোটি টকাৰ অনুমোদন জনায়। এই ▸▸৬ পৃষ্ঠাত

### উচ্চ (কাৰিকৰী) শিক্ষা বিভাগৰ অধীনত ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান

**অসম বাৰ্তা, গুৱাহাটী, ১৮ জুলাই ঃ** স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়া অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এক ▸▸৬ পৃষ্ঠাত

### আমাৰ লক্ষ্য হ’ল আসনৰ সংখ্যা বৃদ্ধি কৰা ঃ কেশৱ মহন্ত

## ’২৬ অগপই এৰি নিদিয়ে তেজপুৰ

**অসম বাৰ্তা, তেজপুৰ, ১৮ জুলাই ঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰস্তুতি আৰম্ভ কৰাৰ মাজতে অসম গণ পৰিষদে (অগপ) ▸▸৬ পৃষ্ঠাত



### পুনৰ নিযুক্তি দিয়া হ’ব ৮ হাজাৰ স্নাতক, স্নাতকোত্তৰ শিক্ষকক ঃ ডাঃ ৰণোজ পেগু

**অসম বাৰ্তা, কামৰূপ, ১৮ জুলাই ঃ** ৰাজ্যত শীঘ্ৰেই প্ৰায় ৮ হাজাৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হ’ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং মহাবিদ্যালয়ৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ লৈ দিয়া ভাষণত ▸▸৬ পৃষ্ঠাত

### গোৱালপাৰাৰ উচ্ছেদ ঘটনাত মুখ্যমন্ত্ৰীৰ গ্ৰেপ্তাৰৰ দাবী সাংসদ ৰকিবুল হুছেইনৰ

## যদি আশুডুবি সংৰক্ষিত বনাঞ্চল, স্কুল, কলেজ আৰু পানী যোগানৰ আঁচনি কিয় আছে ? সাংসদ ৰকিবুলৰ প্ৰশ্ন



**অসম বাৰ্তা, গোৱালপাৰা, ১৮ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই (আশুডুবি)ৰ সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযানৰ সময়ত সংঘটিত হিংসাত্মক ঘটনাৰ ফলত ছাকুৱাৰ আলী নামৰ এজন যুৱকৰ মৃত্যু আৰু কেইবাজনৰ আহত হোৱাৰ ঘটনাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক গ্ৰেপ্তাৰৰ দাবী জনাইছে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে। ছাকুৱাৰ আলীৰ শেষকৃত্যৰ ▸▸৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী ডাঃ মাণিক সাহাৰ ঘোষণা

## ত্ৰিপুৰাত বিবাহৰ পূৰ্বে নিবন্ধন বাধ্যতামূলক কৰাৰ পৰিকল্পনা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ডাঃ মাণিক সাহাই বৃহস্পতিবাৰে ঘোষণা কৰে যে ৰাজ্য চৰকাৰে শিশু বিবাহ ৰোধৰ বাবে বিবাহৰ পূৰ্বে নিবন্ধন বাধ্যতামূলক কৰাৰ নতুন নীতি বিবেচনা কৰিছে। বামুটিয়া ব্লকৰ গান্ধীগ্ৰাম উচ্চতৰ মাধ্যমিক ▸▸৬ পৃষ্ঠাত

## সত্ৰৰ ভূমিত খাদ্যৰ ব্যৱসায় সত্ৰাধিকাৰৰ

### সত্ৰাধিকাৰ লক্ষ্মীকান্ত ডেকাক গেপ্তাৰৰ দাবী

**গুৱাহাটী, পিএনচি, ১৮ জুলাই ঃ** চৰকাৰে আৱণ্টন দিয়া সত্ৰৰ মাটিত সত্ৰীয়া পৰিপন্থী খাদ্য ব্যৱসায়েৰে জৰাবাৰী সত্ৰ চলাইছে স্বয়ম্ভু সত্ৰাধিকাৰ লক্ষ্মীকান্ত ডেকাই। শুকুৰবাৰে বেতকুচিস্থিত শ্ৰীশ্ৰী জৰাবাৰী শাখা সত্ৰৰ সন্মুখত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম আৰু শ্ৰীশ্ৰী জৰাবাৰী শাখা সত্ৰ পুনৰুদ্ধাৰ সমিতিৰ যৌথ উদ্যোগত সংগঠনটোৰ শতাধিক সদস্য আৰু ভকত বৈষ্ণৱক লৈ বিষয়টো ▸▸৬ পৃষ্ঠাত



## অসমীয়া জাতিৰ সুৰক্ষাৰ স্বাৰ্থত বিজেপিৰ সৈতে মিত্ৰতা অব্যাহত থাকিব ঃ অতুল বৰা

### ‘কংগ্ৰেছে ক্ষমতাত থাকোঁতে দুৰ্নীতি আৰু ভোটবেংকৰ স্বাৰ্থত বাংলাদেশৰ পৰা অবৈধভাৱে মানুহৰ প্ৰৱেশৰ পথ মুকলি কৰি দিছিল’

**অসম বাৰ্তা, লখিমপুৰ, ১৮ জুলাই ঃ** অসম গণ পৰিষদ (অগপ)ৰ সভাপতি তথা ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই স্পষ্ট কৰি দিছে যে অসমীয়া জাতিৰ সুৰক্ষাৰ স্বাৰ্থত তেওঁৰ দল বিজেপিৰ সৈতে মিত্ৰতা বজাই ৰাখি কাম কৰি আছে। বৃহস্পতিবাৰে লখিমপুৰত সাংবাদিকৰ সৈতে কথা পাতি তেওঁ ▸▸৬ পৃষ্ঠাত



### উচ্ছেদিত লোকে আৰক্ষীক আক্ৰমণ কৰা নাই, আৰক্ষীয়েহে উচ্ছেদিতৰ ওপৰত আক্ৰমণ চলাইছে

## কেৱল ধৰ্মৰ ভিত্তিত উচ্ছেদ কৰাৰ পৰিকল্পনা চৰকাৰৰ ঃ অখিল গগৈ

**অসম বাৰ্তা, শিৱসাগৰ, ১৮ জুলাই ঃ** ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে শুকুৰবাৰে শিৱসাগৰত আয়োজিত এক সংবাদমেলত অসম চৰকাৰৰ চলিত উচ্ছেদ অভিযানৰ বিৰুদ্ধে কঠোৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যাহ্বান জনাইছে। তেওঁ কয়, “যদি সঁচাকৈয়ে বাংলাদেশী নাগৰিকৰ উপস্থিতি থাকে, মই মুখ্যমন্ত্ৰীৰ সৈতে একেখন বুলড’জাৰত উঠি তেওঁলোকৰ ঘৰ ভাঙিবলৈ যাম আৰু গাড়ীত তুলি বাংলাদেশলৈ পঠিয়াই দিম।” তেওঁৰ এই মন্তব্যই ৰাজ্যৰ ৰাজনীতিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি ▸▸৬ পৃষ্ঠাত



### ‘বাংলাদেশী উচ্ছেদ’ৰ দাবী কেৱল জাতিক প্ৰতাৰণাৰ এক প্ৰচেষ্টা ; অজাপৰ অভিযোগ

## আদানী-আম্বানীৰ স্বাৰ্থত খিলঞ্জীয়াৰ মাটি কাঢ়িছে চৰকাৰে



**অসম বাৰ্তা, গুৱাহাটী, ১৮ জুলাই ঃ** অসম জাতীয় পৰিষদ (অজাপ)ৰ তৰফৰ পৰা অভিযোগ উত্থাপন কৰা হৈছে যে ৰাজ্য চৰকাৰে অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ নামত চলোৱা উচ্ছেদ অভিযানৰ আঁৰত আছে বৃহৎ পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থ সুৰক্ষাৰ উদ্দেশ্য। দলটোৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত সাধাৰণ সম্পাদক জগদীশ ভূঞাই এই অভিযানৰ পৰিপ্ৰেক্ষিতত কেতবোৰ গুৰুতৰ তথ্য প্ৰকাশ কৰিছে। তেওঁৰ মতে, ▸▸৬ পৃষ্ঠাত

## গোৱালপাৰাৰ উচ্ছেদ অভিযানৰ সংঘৰ্ষৰ তদন্তৰ দাবী বনমন্ত্ৰীৰ; কংগ্ৰেছৰ ভূমিকাৰ ওপৰত সন্দেহ

**অসম বাৰ্তা, বৰপেটা, ১৮ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই (পাইকান)ৰ সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযানৰ সময়ত আৰক্ষী আৰু বনকৰ্মীৰ ওপৰত সংঘটিত আক্ৰমণৰ ঘটনাৰ আঁৰত কাৰ উচটনি আছে, [illegible] বনমন্ত্ৰী চন্দ্ৰমোহন [illegible] ▸▸৬ পৃষ্ঠাত

### দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী মুকছিদ্দুলক মৈৰাবাৰী আৰক্ষীৰ গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ১৮ জুলাই ঃ** মৰিগাঁও জিলাৰ চাইবাৰ অপৰাধ জগতত বিভিন্ন অপৰাধেৰে আৰক্ষীৰ মূৰৰ কামোৰণি সৃষ্টি কৰা কুখ্যাত চাইবাৰ অপৰাধী মুকছিদুল ইছলামক অৱশেষত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে মৈৰাবাৰী আৰক্ষীয়ে। এক গোপন সূত্ৰৰ পম খেদি যোৱা নিশা মৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পংকজ দাসৰ নেতৃত্বত চলা বিশেষ অভিযানত মুকছিদুল ইছলাম(২৪)ক ▸▸৬ পৃষ্ঠাত



# নাহৰকটীয়াত আছা,আটছা আৰু এচিএমএছৰ প্ৰতিবাদত ৪ দিন স্তব্ধ হৰিশপুৰ চাহ বাগিচাত

**অসম বাৰ্তা, নাহৰকটীয়া নিজা সংবাদদাতা, ১৮ জুলাইঃ** নাহৰকটীয়াৰ হৰিশপুৰ চাহ বাগিচাৰ শ্ৰমিক ও ৰাইজৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত আজি হৰিশপুৰ চাহ বাগিচাত আছা, আটছা আৰু ACMS ৰ যৌথ উদ্যোগত এক প্ৰতিবাদী সভা আয়োজন কৰে । বাগিচাখনত শিক্ষিত নিৰনুৱা যুৱক-যুৱতী চাকৰিৰ বাবে আবেদন কৰাৰ স্বত্বেও স্থানীয় যুৱক যুৱতীক চাকৰি নিদি অন্য ঠাইৰ ব্যক্তি এজনক কিছু দিনৰ পূৰ্বে বাগিচাখনত চাকৰি প্ৰদান কৰে, বাগিচাখনৰ প্ৰায় ২২৮ গৰাকী শ্ৰমিকৰ বৰ্তমান পৰ্যন্ত পি.এফ. টকা কৰ্তন কৰা নাই, শ্ৰমিকসকলে ঘৰ ভাড়া পোৱা নাই ইত্যাদি সমস্যা সমাধানৰ দাবীত বিগত চাৰি দিনৰপৰা বাগিচাখনৰ শ্ৰমিকসকলে কাম নকৰি বাগিচাৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আহিছে । শ্ৰমিকসকলে জনোৱা অনুযায়ী চাৰিদিন পৰ্যন্ত বাগিচাৰ কাম বন্ধ কৰি শ্ৰমিকসকলে প্ৰতিবাদ কৰি আছে কিন্তু বাগিচাৰ কৰ্তৃপক্ষই শ্ৰমিকসকলৰ প্ৰতিবাদৰ প্ৰতি কোনো ধৰণৰ সঁহাৰি জনোৱা নাই আৰু শ্ৰমিকসকলৰ সমস্যা সমাধানৰ বাবে কোনো বিহীত ব্যৱস্থাও গ্ৰহণ কৰা নাই । আজি প্ৰতিবাদী সভাখনিত উপস্থিত থাকি আছা আটছা আৰু ACMS ৰ বিষয়ববীয়াই কয় যে হৰিশপুৰ চাহ বাগিচাৰ শ্ৰমিক তথা ৰাইজৰ সমস্যাসমূহ সমাধানৰ বাবে বাগিচাৰ কৰ্তৃপক্ষই কোনো ধৰণৰ বিহীত ব্যৱস্থা গ্ৰহণ নকৰিলে গণতান্ত্ৰিকভাৱে তীব্ৰতৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে । প্ৰতিবাদী সভাখনিত আছা ডিব্ৰুগড় জিলি সমিতিৰ প্ৰচাৰ সম্পাদক মিখেল পুৰ্তী,সাংগঠনিক সম্পাদক জিতেন বাঘ, ACMS নাহৰকটীয়া শাখাৰ সভাপতি অভিৰাম কুমাৰ,অতিৰিক্ত সম্পাদক ধনু কন্দ, আটছা নাহৰকটীয়া শাখাৰ সভাপতি বচন গোৱালা, সম্পাদক বিজেশ ঘাটোৱাৰ, প্ৰাক্তন আছানেত জন লাক্ৰা,ACMS হৰিশপুৰ চাহ বাগিচা গোটৰ সভাপতি উইলিয়াম বাৰ্লা,সম্পাদক হৰি পানিকাসহ আটছা, আছা, ACMS ৰ বহু কেইজন বিষয়ববীয়া ও বাগিচাখনৰ শ্ৰমিক ৰাইজ উপস্থিত থাকে।

# আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ তৃতীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, হাওৰাঘাট, ১৮ জুলাইঃ** আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন' চমুকৈ আপকুৰ কাৰ্বি আংলং জিলাৰ সমিতিৰ তৃতীয় কাৰ্যনিৰ্বাহক সভাখন শুক্ৰবাৰে মাঞ্জাৰ পশুপালন বিভাগৰ আই বি ত অনুষ্ঠিত কৰা হয় । আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি ছামছিং ক্ৰ'ৰ সভাপতিত্বত কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত কৰা হয় । সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ধৰ্মেন্দ্ৰ খাখলাৰীয়ে । আগন্তুক ডিফুত অনুষ্ঠিত হবলগীয়া আপকুৰ মঞ্চত পাচঁটাকৈ বঁটা প্ৰদান অনুষ্ঠান আৰু 'সাংবাদিকৰ সততা, নিষ্ঠা আৰু সামাজিক দায়বদ্ধতা ' শীৰ্ষক আলোচনা চক্ৰ সন্দৰ্ভত সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উপদেষ্টা ৰবীন বৰুৱা, উপ সভাপতি বীৰেন গোৱালা, কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক খৰচিং ৰংফাৰ, কাৰ্যকৰী সভাপতি ছেমছিং ইংতি, কোষাধ্যক্ষ লংকিৰাম টেৰণ, সহকাৰী সম্পাদক নেত্ৰকমল শৰ্মা, সাংগঠনিক সম্পাদক ছাৰছিং ৰংপি, আৰু সদস্য সকল ক্ৰমে নাৰায়ণ বৰুৱা, পংকজ ডেকা, খয়াছিং টেৰাং, ৰত্নকান্ত পাঠক সভাত উপস্থিত থাকে । আগন্তুক হ'বলগীয়া অনুষ্ঠানত প্ৰকাশ পাবলগীয়া স্মৰণিকাৰ বাবে এখন সম্পাদনা সমিতি গঠন কৰা হৈছে। এই সম্পাদনা সমিতিত ধৰ্মেন্দ্ৰ খাখলাৰীক সম্পাদক, ছামছিং ক্ৰ'ক সভাপতি আৰু উপদেষ্টা হিচাপে ক্ৰমে ৰবীন বৰুৱা, নৰেন হাজৰিকা আৰু ছেমছিং ইংতিক ৰখাৰ লগতে সদস্য হিচাপে ক্ৰমে পংকজ ডেকা, নাৰায়ণ বৰুৱা নেত্ৰকমল শৰ্মা, ছাৰছিং ৰংপিক ৰখা হয়।

# ভটীয়াপাৰত ঘটা ভয়ংকৰ গেছ নিৰ্গমনৰ ঘটনাক কেন্দ্ৰ কৰি শিৱসাগৰত অসমীয়া যুৱ মঞ্চ, সংগ্ৰামী সেনা-কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ যৌথ সংবাদমেল

**অসম বাৰ্তা, শিৱসাগৰ, ১৮ জুলাইঃ** শিৱসাগৰ নগৰৰ সমীপৰ ভটীয়াপাৰত ঘটা ভয়ংকৰ গেছ নিৰ্গমনৰ ঘটনাক কেন্দ্ৰ কৰি শিৱসাগৰত আজি অসমীয়া যুৱ মঞ্চ, সংগ্ৰামী সেনা আৰু কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত এক গুৰুত্বপূৰ্ণ সংবাদমেল অনুষ্ঠিত হয়। শিৱসাগৰ প্ৰেছ ক্লাবত আয়োজিত সংবাদমেলত সংগঠনকেইটাই গেছ নিৰ্গমনৰ মূল দায়বদ্ধ সংস্থা SK Petrochemicals (SK Petro)ৰ বিৰুদ্ধে তীব্ৰ ভাষাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে চৰকাৰী গাফিলতিৰো তীব্ৰ সমালোচনা কৰে। সংগঠনকেইটিয়ে মুখ্যমন্ত্ৰী গৰাকীয়ে ঘটনাৰ পাছত দুবাৰ স্থান পৰিদৰ্শন কৰি ৰাইজক দিয়া বিভিন্ন প্ৰতিশ্ৰুতি আজিলৈকে কাৰ্য্যকৰী নহোৱা বুলি ক্ষোভ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ তদন্তৰ আশ্বাসৰ পৰিণতি ক'ত হ'ল — সেই প্ৰশ্ন জনসাধাৰণৰ মনত আঙুলি তুলিছে। সংগঠনকেইটিয়ে সাংবাদিকসকলৰ সন্মুখত কয় "এটা অঞ্চলৰ জনজীৱন, পৰিবেশ, ভৱিষ্যৎ ধ্বংস কৰি দিয়া SK Petroৰ বিৰুদ্ধে আজিলৈকে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। তেওঁলোকে বিশেষকৈ উল্লেখ কৰে যে, SK Petro ৰ স্বত্বাধিকাৰী কৃষ্ণ আগৰৱালাৰ বিৰুদ্ধেও কোনো আইনী পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই, যাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষীৰ ভূমিকা সন্দেহৰ আৱৰ্তত সোমাই পৰিছে। এছ কে পেট্ৰৰ লগত জড়িত আৰু বিতৰ্কিত বুলি আন দুখনকৈ নাম উল্লেখ কৰি ইউনিয়নৰ ভূমিকাৰো সংগঠনকেইটাই তীব্ৰ সমালোচনা কৰে। তেওঁলোকে দাবী কৰে যে, "উক্ত ইউনিয়ন কেইটাৰ ছাঁতেই গেছ ৰিগসমূহ চলি আছে, সংস্থা আৰু ইউনিয়নৰ আঁত ধৰি ৰাইজৰ ওপৰত ভয়-ভিতি দেখুওৱাৰ লগতে শোষণো চলি আছে।" এনে পৰিস্থিতিৰ প্ৰতি চৰকাৰে যদি তৎপৰতাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে সংগঠনকেইটিয়ে "জংগী আন্দোলনৰ" হুংকাৰ দিয়ে। আনহাতে অভিযোগ উত্থাপন কৰে যে SK Petro ক কিয় ব্লেক লিষ্ট কৰা নহ'ল? কিয় ৰিগসমূহ এতিয়াও চলি আছে? কিয় ক্ষতিপূৰণ, চিকিৎসা বিষয়ত চৰকাৰ নিশ্চুপ?" সংবাদমেলৰ অন্তত সংগঠনকেইটিয়ে ঘোষণা কৰে যে, SK Petro আৰু সম্পৃক্ত ইউনিয়নসকলৰ বিৰুদ্ধে শীঘ্ৰেই আইনী ব্যৱস্থা গ্ৰহণ নকৰিলে, অসম জুৰি বৃহৎ গণআন্দোলন চলাব।




# নাহৰকটীয়াত থাইলেণ্ডৰ বৈদেশিক মন্ত্ৰী আৰু ৰাষ্ট্ৰদূত উপস্থিত

**অসম বাৰ্তা, নাহৰকটীয়া নিজা সংবাদদাতা, ১৮ জুলাইঃ** থাইলেণ্ডৰ বৈদেশিক মন্ত্ৰী কিৰন মুংটিং, থাই ৰাষ্ট্ৰদুত কাৰ্য্যালয়ৰ সচিৱ জাকাৰীন টিডাৰাৰ নেতৃত্বত ১৪ জনীয়া এটি প্ৰতিনিধি দল ইং ১৭/০৭/২৫ তাৰিখে নাহৰকটীয়াৰ লংজং বৌদ্ধ বিহাৰ, নামফাকে বৌদ্ধ বিহাৰ আৰু টাইফাকে হাইস্কুল পৰিদৰ্শন কৰে। ২০০৯ চনৰ ২ ফেব্ৰুৱাৰীত থাইলেণ্ডৰ ৰাজকুমাৰী মাহা চাক্ৰী চিৰিনধৰণ নামফাকে পৰিদৰ্শন কৰি যোৱাৰ পাছত অসমত বসতি কৰি থকা টাইফাকে সকলৰ লগত থাইলেণ্ডৰ থাই সকলৰ ভাতৃত্ববোধৰ সম্পৰ্ক, ভাষা আৰু সাংস্কৃতিক বিনিময়. বৌদ্ধ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ বিষয়ৰ ওপৰত গুৰুত্ব লাভ কৰে। যোৱাবছৰ ১৯ আগষ্ট ২০২৪ তাৰিখে থাই এম্বেছাদৰ পাট্টাৰত হংথংৰ নেতৃত্বত Ministry of External Affairs আৰু Royal Thai Embassy.New Delhi প্ৰতিনিধি সকলৰ উপস্থিতিত নামফাকে গাৱত Project Building of Tai Phake Museum ৰ বাবে ৫১২০০০- পাচ লাখ বাৰ হাজাৰ টকা আনুদান আগবঢ়াইছিল। উক্ত পুজিৰে নিৰ্মাণ কৰা টাইফাকে মিউজিয়ামটি যোৱা ইং ১৯/১০/২৪ তাৰিখে নাহৰকটীয়া সমষ্টিৰ মাননীয় বিধায়ক তৰংগ গগৈ, নাহৰকটীয়া সমজিলাৰ আয়ুক্ত সংঘমিত্ৰা বৰুৱা আৰু নাহৰকটীয়া ৰাজহচক্ৰৰ চক্ৰ বিষয়া শৰৎ গগৈ দেৱৰ উপস্থিতিত আধাৰ শিলা স্হাপন কৰিছিল। আজি উক্ত Tai Phake Museum গৃহটি থাইলেণ্ডৰ বৈদেশিক মন্ত্ৰী কিৰন মুংটিন দেৱে Royal Thai Embassy আৰু Ministry of Foreign Affairs Thailand Department of South Asian Middle East and African Affairsৰ প্ৰতিনিধি সকলৰ উপস্থিতিত শুভ উদ্বোধন কৰে। নামফাকে গাওঁখনৰ পৰিদৰ্শনৰ সময়ত প্ৰতিনিধি দলটিয়ে ২০০৯ চনত থাইলেণ্ডৰ ৰাজকুমাৰীয়ে পৰিদৰ্শন কৰি যোৱা টাইফাকে হাইস্কুলখনো পৰিদৰ্শন কৰে। দলটিয়ে গাৱখনৰ আইজে কেন ৱেইংকেন দেৱৰ পৰম্পৰাগত ভাৱে নিৰ্মিত চাংঘৰত উঠি টাইফাকে সকলৰ দৈনন্দিন জীৱনৰ কথা বুজ লয়। সন্ধিয়া নামফাকে বৌদ্ধ বিহাৰৰ অতিথিশালাত নৈশ আহাৰ গ্ৰহণ কৰি দলটি ডিব্ৰুগড়লৈ ৰাওনা হয়।

# বৰপেটা, বজালী জিলাত জাপানীজ এনকেফেলাইটিছ মেলেৰীয়া, ডেংগুৰ সজাগতা

**অসম বাৰ্তা, বৰপেটাৰোড, ১৮ জুলাইঃ** বৰপেটা, বজালী জিলাত জাপানীজ এনকেফেলাইটিছ, মেলেৰীয়া, ডেংগুৰ আতংকৰ বাবে বিভাগীয় সজাগতা আৰম্ভ কৰা হৈছে। উল্লেখ্য যে ইতিমধ্যে জিলা দুখনত ইতিমধ্যে ১০ গৰাকী লোকৰ মৃত্যু হৈছে। আজি বৰপেটাৰোডত বৰপেটা-বজালী জিলা মেলেৰিয়া বিষয়া জ্যোতিৰূপা দাসে এক কাৰ্যসূচীত কয় যে জিলা দুখনৰ ২০ জনৰো অধিক লোক চিকিৎসাধীন অৱস্থাত আছে। বৰপেটা জিলাত ৭ গৰাকী লোকৰ মৃত্যু আনহাতে বজালীত ৩ গৰাকী জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হয়। বৰ্তমানলৈকে বৰপেটা জিলা আক্ৰান্তৰ সংখ্যা ১৫ গৰাকীৰ বিপৰীতে বজালী জিলাত ৫ গৰাকী। যাক লৈ ইতিমধ্যে স্বাস্থ্য বিভাগে আৰম্ভ কৰিছে কেতবোৰ সজাগতামূলক কাৰ্যসূচী। আজি ধোৱাময় কৰি তোলা হৈছে বাণিজ্য নগৰ বৰপেটাৰোড চহৰো। জিলা দুখনৰ এশ খনতকৈ অধিক গাঁৱত লোৱা হৈছে এই পদক্ষেপ। সমান্তৰালকৈ ভিন্ন সজগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বৰপেটা আৰু বজালী জিলাত।

# বকোৰ বন্দাপাৰত ৫ দিনীয়া সত্ৰীয়া নৃত্যৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান প্ৰশিক্ষাৰ্থীক প্ৰমাণ পত্ৰ প্ৰদান

**অসম বাৰ্তা, বকো, ১৮ জুলাইঃ** কামৰূপ জিলাৰ বকোৰ বন্দাপাৰাত যোৱা ১৪ জুলাইৰ পৰা হোৱা পাঁচ দিনীয়া সত্ৰীয়া নৃত্যৰ কৰ্মশালাৰ আজি সামৰণি পৰে। ২৮নং বকো-ছয়গাঁও বিধানসভা সমষ্টি অন্তৰ্গত বকোৰ বন্দাপাৰাস্থিত জনতা সংঘৰ প্ৰেক্ষাগৃহত আয়োজন কৰা কৰ্মশালাৰ আজিৰ সামৰণি অনুষ্ঠানত ৰাতিপুৱা প্ৰায় ১০ বজাত ভোগপুৰ সত্ৰৰ অধ্যাপক তথা কৰ্মশালাৰ প্ৰশিক্ষক হৰিপ্ৰসাদ শইকীয়া বৰবায়নে বন্তি প্ৰজ্বলন কৰে । বন্দাপাৰা আঞ্চলিক সংগীত বিদ্যালয়, নৃত্যজ্ঞানম কলা কেন্দ্ৰ , নৃত্যাঞ্জলী নৃত্যানুষ্ঠান, নৃত্যাঞ্জলী কলা কেন্দ্ৰ আৰু সত্ৰীয়া নৃত্য কলাকেন্দ্ৰৰ ৬০ গৰাকীৰো অধিক প্ৰশিক্ষাৰ্থীক সামৰণি অনুষ্ঠানত প্ৰমাণপত্ৰ প্ৰদান কৰে । নৃত্য জ্ঞানম কলা কেন্দ্ৰৰ অধ্যক্ষা মণিকংকনা দাসে আঁতধৰা আজিৰ সামৰণি অনুষ্ঠান সঞ্চালনা কৰে বন্দাপাৰা আঞ্চলিক সংগীত বিদ্যালয়ৰ অধ্যক্ষা বীনাপণি ৰাভা বসুমতাৰীয়ে । অনুষ্ঠানত ভোগপুৰ সত্ৰৰ অধ্যাপক তথা কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক হৰিপ্ৰসাদ শইকীয়া বৰবায়নক বিহুৱান, চেলেং , জাঁপি, সম্বৰ্ধনাপত্ৰ আদিৰে সম্বৰ্ধনা জনায়। আজিৰ অনুষ্ঠানত অধ্যক্ষা মণিংকনা দাসৰ আইতাক সোণেশ্বৰী দাস, গোৱালপাৰা জিলাৰ দুধনৈস্থিত সত্ৰীয়া নৃত্যৰ শিক্ষানুষ্ঠান 'নৃত্যাঙ্গন'ৰ অধ্যক্ষা তৰালী দাস, বিশিষ্টশিল্পী প্ৰণৱবীৰ দাস, বন্দাপাৰা মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱানী প্ৰসাদ দাস, জনতা সংঘৰ উপ-সভানেত্ৰী নিৰোদা ৰাভাকে ধৰি বিশিষ্ট ব্যক্তি সকলোকো সম্বৰ্ধনা জনায় । অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীৰ অভিভাৱিকা মামণি শৰ্মা, তুলিকা কুমাৰী , অলি দাস ,অনিতা ৰাভা মালোকে ধৰি বহু কেইগৰাকী অভিভাৱিকাই ভাষণত এনেধৰণৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ বাবে ভূয়সী প্ৰশংসা কৰে । উল্লেখযোগ্য যে যোৱা ১৪ জুলাইৰ পৰা আয়োজন কৰা কৰ্মশালাত সহযোগী প্ৰশিক্ষক হিচাপে বন্দাপাৰা আঞ্চলিক সংগীত বিদ্যালয়ৰ অধ্যক্ষা বীনাপাণি ৰাভা বসুমতাৰী, সহকাৰী শিক্ষয়িত্ৰী সুচিত্ৰা ৰাভা, নৃত্য জ্ঞানম কলাকেন্দ্ৰৰ অধ্যক্ষা মণিকংকনা দাস, নৃত্যাঞ্জলী কলা কেন্দ্ৰৰ অধ্যক্ষা লীনাক্ষী পাটগিৰী, সত্ৰীয়া নৃত্য কলাকেন্দ্ৰৰ অধ্যক্ষা টিনামণি দাস, নৃত্যাঞ্জলী নৃত্যানুষ্ঠানৰ অধ্যক্ষা কাবেৰী দাসে অংশগ্ৰহণ কৰে । উল্লেখযোগ্য যে আজিৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলে মাটি আখৰা, কৃষ্ণ নৃত্য, নান্দী শেক , গোহাঁই প্ৰৱেশৰ নৃত্যৰ উপৰিও কৰুণ ৰসৰ অভিনয় প্ৰদৰ্শন কৰ ।

# জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ উদ্যোগত দ'লবাগানত কেৰিয়াৰ কাউঞ্চেলিং বিষয়ত কৰ্মশালা

**অসম বাৰ্তা, চৰাইদেউ, ১৮ জুলাইঃ** চৰাইদেউ জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান দ'লবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত "কেৰিয়াৰ কাউঞ্চেলিঙ'ৰ সন্দৰ্ভত এক এদিনীয়া কৰ্মশালা কালি অনুষ্ঠিত হৈ যায়। ৰাজগড় প্ৰগতি জ্যেষ্ঠ নাগৰিক সন্মিলন শাখাৰ উদ্যোগত অঞ্চলটোৰ সাতখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এই কৰ্মশালা অনুষ্ঠিত হয়। শতাধিক ছাত্ৰ ছাত্ৰীৰ লগত সংশ্লিষ্ট বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু তত্বাৱধায়ক শিক্ষকসকলে অংশগ্ৰহণ কৰা কেৰিয়াৰ কাউন্সেলিং কৰ্মশালাত অৰ্ণৱজ্যোতি কোঁৱৰ আৰু শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন গ্ৰন্থাগাৰিক তথা শিক্ষাবিদ দেৱ হাজৰিকাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক জীৱনৰ প্ৰকৃত লক্ষ্য-উদ্দেশ্য সম্পৰ্কে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। অৰ্ণৱজ্যোতি কোঁৱৰে ডিজিটেল মাধ্যমেৰে ছাত্ৰ-ছাত্ৰী সকলক কেৰিয়াৰ কাউন্সেলিং সন্দৰ্ভত বিস্তাৰিত ভাৱে অৱগত কৰে। সন্মিলনৰ শিক্ষা উপসমিতিৰ সভাপতি হৰেশ কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ললিত গগৈ, সম্পাদক ৰবীন ফুকন, কাৰ্যকৰী সভাপতি কুমুদ শইকীয়া, দ'লবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মোহন সন্দিকৈ, ৰোহিনী মহন, সুনীল চেতিয়াকে প্ৰমুখ্য কৰি বহুকেইগৰাকী কৰ্মকৰ্তা আৰু শুভাকাংক্ষী উপস্থিত থাকে।

# কল্যাণীৰ কবিতা আবৃত্তি প্ৰতিযোগিতাৰ অদিভিৎ আৰণ- অনন্যা শ্ৰেষ্ঠ

**অসম বাৰ্তা, নিমাতীঘাট, ১৮ জুলাইঃ** কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সাহিত্য শাখাই যোৰহাট সাহিত্য সভাৰ সহযোগত আজি কল্যাণী ৰংগ মঞ্চত তিনিটা শাখাত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম, দ্বিতীয়, তৃতীয় স্থান লাভ কৰে অদিভিৎ বৰা,ৰাগিনী বি ভূএগ্রা, অন্তৰীক্ষ বৰুৱাই। উদগনি বঁটা লাভ কৰে আৰুচি বৰাই। খ শাখাত প্ৰথম,দ্বিতীয় তৃতীয় হয় আৰণ গোস্বামী, প্ৰিঞ্চিপ্ৰিয়া শইকীয়া,ৰম্যশ্ৰী শইকীয়া। উদগনি বঁটা লাভ কৰে উৰ্বি ভৰদ্বাজে। গ শাখাত প্ৰথম, দ্বিতীয়,তৃতীয় হয় অনন্যা দত্ত, অশেষা ঋক্ষা গগৈ,ধৃতি সুন্দৰ শৰ্মা। উদগনি বঁটা লাভ কৰে প্ৰিঞ্চিপ্ৰিয়া হাজৰিকাই। প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰে ৰজনীগন্ধা চেতিয়া আৰু গায়ত্ৰী গগৈয়ে। সাহিত্য শাখাৰ সম্পাদিকা তথা লেখিকা ৰুমা শইকীয়াই আঁত ধৰা আৰম্ভণী অনুষ্ঠানত যোৰহাট সাহিত্য সভাৰ উপ সভাপতি বিজয় কুমাৰ স্বৰ্ণকাৰে বক্তব্য প্ৰদান কৰে। বিদ্যালয়ৰ অধ্যক্ষা বিশ্বজিতা বৰপূজাৰীয়ে অনুষ্ঠানত১৬-১৭ জুলাইত অনুষ্ঠিত কবিতা আবৃত্তি কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰে । কল্যাণী বাল্যভৱনৰ ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদক নিযুত কুমাৰ দত্ত, সাহিত্য শাখাৰ সভাপতি গোপাল মহন্ত, যোৰহাট সাহিত্য সভাৰ সম্পাদক অজন্ত কুমাৰ বৰা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়া, সাহিত্য শাখাৰ ৰূপাঞ্জলি হাজৰিকা, সদস্য সমুদ্ৰ শইকীয়া প্ৰমুখ্যে বিভিন্নজন সভাত উপস্থিত থাকে।

# বৰপেটাৰোডত গুটখা ভৰ্তি ট্ৰাক জব্দ

**অসম বাৰ্তা, বৰপেটাৰোড, ১৮ জুলাই ঃ** বৰপেটাৰোডত গুটখা ভৰ্তি ১০ চকীয়া কন্টেনাৰ ট্ৰাক এখন জব্দ কৰা হৈছে। কালি নিশা ৰাষ্ট্ৰীয় বজৰং দলৰ কৰ্মকৰ্তাই গুটখা ভৰ্তি কন্টেনাৰখন জব্দ কৰি বৰপেটাৰোড আৰক্ষীক গতাই দিয়ে। ভূটানৰ পৰা GST ফাকিৰে নামনি অসমৰ বাণিজ্যিক চহৰ বৰপেটা ৰোডলৈ গুটখাখিনি অনা হৈছিল বুলি জানিব দিয়ে। কন্টেনাৰখনত ই-বিল অবিহনে গুটখা সৰবৰাহ কৰিছিল। কন্টেনাৰখন জব্দ কৰাৰ লগতে চালকজনক আটক কৰিছে আৰক্ষীয়ে। ধৃত ট্ৰাক চালকজন উত্তৰ প্ৰদেশৰ বৰেলীৰ মহম্মদ ইছাক আলীৰ পুত্ৰ মহম্মদ আক্ৰম বুলি জানিব পৰা গৈছে। এতিয়ালৈকে জব্দকৃত গুটখাৰ স্বত্বাধিকাৰী সম্পৰ্কে জানিব পৰা হোৱা নাই যদিও জানিব পৰা মতে ভূটানৰ পৰা বৰপেটাৰোডলৈ আহি পাওঁতে ৩ জনকৈ চালক সলনি কৰা হৈছিল কন্টেনাৰখনৰ। বজৰং দলৰ কৰ্মকৰ্তা সকলৰ অভিযোগ গাড়ীখনত থকা গুটখাৰ কোনো ধৰণৰ নথি-পত্ৰ নথকাৰ ওপৰিও গাড়ীৰ নম্বৰ প্লেটো সালসলনি কৰা হৈছে। বৰপেটাৰোড আৰক্ষীয়ে ধৃত চালক জনক আটক কৰি অধিক তদন্তৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## গুৰুৰ মৰ্যাদা বৃদ্ধি কৰি সত্ৰানুষ্ঠানে শিল্প সত্বাৰ যোগেদি জগতত যি চানেকি দাঙি ধৰিছে এয়া অসমীয়া সমাজৰ বাবে দৃষ্টান্তমূলক আৰ্দশ ঃ ড° পীতাম্বৰ দেৱ গোস্বামী

# মাজুলীৰ প্ৰাচীন চামগুৰি সত্ৰত বৰ্ণিল কাৰ্য্যসূচীৰে সত্ৰীয়া সংস্কৃতিৰ কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জুলাইঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত প্ৰাচীন চামগুৰি সত্ৰত ২ জুলাইৰ পৰা ১৫ দিনীয়াকৈ অনুষ্ঠিত সত্ৰীয়া সংস্কৃতিৰ কৰ্মশালাৰ কালি সামৰণি পৰে। সত্ৰীয়া গীত, নৃত্য আৰু অংকীয়া ভাওনাৰ কৰ্মশালাত ঐতিহ্যমণ্ডিত চামগুৰি সত্ৰৰ বৈষ্ণৱ সকলে প্ৰশিক্ষণ প্ৰদান কৰে। কালিৰ সামৰণি অনুষ্ঠান উপলক্ষে পুৱা ৮ বজাত সমূহীয়া চাফাই, ৯ বজাত নৈমিত্তিক নাম প্ৰসংগৰ পাছত ভকত বৈষ্ণৱৰ মাজত প্ৰসাদ বিতৰণৰ পিছত দুপৰীয়া ১ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাত প্ৰাচীন চামগুৰি সত্ৰৰ সত্ৰীয়া ভৰত মহন্তই বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰে। ইয়াৰ পিছতেই অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ সভাখনৰ সভাপতিত্ব কৰে অংকীয়া ভাঁওনা সমাৰোহৰ সভাপতি তাৰানাথ মহন্তই। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে সত্ৰীয়া পৰম্পৰা বিশ্বজনীন দিশবোৰৰ ওপৰত বক্তব্য ৰখাৰ লগতে এই গুৰুসত্বাৰ মহান তত্ব ৰক্ষা কৰি গুৰুৰ মৰ্যাদা বৃদ্ধি কৰি সত্ৰানুষ্ঠানে শিল্প সত্বাৰ যোগেদি জগতত যি চানেকি দাঙি ধৰিছে এয়া অসমীয়া সমাজৰ বাবে দৃষ্টান্তমূলক আৰ্দশ বুলি উল্লেখ কৰে। সত্ৰাধিকাৰ গৰাকীয়ে চামগুৰি সত্ৰৰ মুখাশিল্পই বিশ্ব সভাত স্থান লাভ কৰাৰ সম্পৰ্কে মন্তব্য কৰি মুখা কলা এতিয়া অৰ্থনৈতিক বুনিয়াদ গঢ়াৰ অন্যতম সম্বল হৈ পৰিছে বুলি উল্লেখ কৰে। সত্ৰাধিকাৰ গৰাকীয়ে আধ্যাত্মিক চিন্তাৰ যোগেদি সমাজৰ পৰা কিদৰে হিংসা, হত্যা, লুন্থন আদি নিৰ্মূল কৰিব পাৰি, সমাজৰ আজিৰ তাৰিখৰ আটাইতকৈ ডাঙৰ ব্যাধি আত্মহত্যা কি দৰে ৰোধ কৰিব পাৰি তাৰ ওপৰতো তত্বগধূৰ ভাষন প্ৰদান কৰে। ই ফালে মুকলি সভাখন উদ্বোধন কৰি বিশিষ্ট মুখাশিল্পী তথা পদ্মশ্ৰী ড০ হেমচন্দ্ৰ গোস্বামীয়ে এই গ্ৰীষ্মবন্ধৰ দিনকেইটাত ছাত্ৰ-ছাত্ৰী সকলে সময়বোৰ অবাৱত ব্যয় নকৰি সত্ৰীয়া গীত, নৃত্য আৰু অংকীয়া ভাওনাৰ কৰ্মশালাত ব্যস্ত থকাটো এক শুভ লক্ষণ বুলি উল্লেখ কৰে। সভাখনত উপস্থিত থাকি নতুন কমলাবাৰী সত্ৰৰ ডেকাধিকাৰ তথা সত্ৰ মহাসভাৰ মাজুলী জিলাৰ সভাপতি সত্যজিৎ মহন্ত, বিদ্যালয় সমূহৰ পৰিৰ্দশকা তথা মাজুলী জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া লিপিকা বুঢ়াগোহাঁই, আইলেণ্ড একাডেমিৰ অধ্যক্ষ পূৰ্বজ্যোতি বৰাই ভাষণ প্ৰদান কৰে। মুকলি সভাখনত ছাত্ৰ-ছাত্ৰী তথা প্ৰশিক্ষাৰ্থী সকলে সত্ৰীয়া গীত - নৃত্য পৰিৱেশন কৰি সভাৰ সৌষ্ঠভ বৃদ্ধি কৰে।

## পাইকান সংৰক্ষিত বনাঞ্চলৰ বিদ্যাপাৰা, আশুডুবি, বেতবাৰী অঞ্চলত বনবিভাগৰ লগতে আৰক্ষী বাহিনীয়ে অসম চৰকাৰৰ নিৰ্দেশ অনুসৰি জিলা প্ৰশাসনে উচ্ছেদ

# আৰক্ষী আৰু বনকৰ্মীৰ ১৫ জন লোক আহত

**ষ্টাফ ৰিপৰ্টাৰ, গোৱালপাৰা, ১৮ জুলাইঃ** যোৱা ১২ জুলাইত পাইকান সংৰক্ষিত বনাঞ্চলৰ বিদ্যাপাৰা , আশুডুবি , বেতবাৰী অঞ্চলত বনবিভাগৰ লগতে আৰক্ষী বাহিনীয়ে অসম চৰকাৰৰ নিৰ্দেশ অনুসৰি জিলা প্ৰশাসনে উচ্ছেদ চলোৱাৰ আজি ছয় দিনৰ দিনা এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় । জানিব পৰা মতে উচ্ছেদিত লোক সকলক ইতিমধ্যে কেইবাবাৰো বনবিভাগৰ লোক সকলে উক্ত অঞ্চল এৰি অন্য ঠাইলৈ যাবলৈ কৈ থকাৰ পিছত একাংশ লোকে উক্ত অঞ্চলত তেওঁলোকৰ বিভিন্ন দ্ৰব্য নিয়াৰ কথা কৈ উক্ত অঞ্চলতে তম্বুতৰি থাকিবলৈ লৈছিল । কালি এই ক্ষেত্ৰত জিলা প্ৰশাসনৰ লোকে তেওঁলোকৰ টিৰপাল সমূহ টানি ফালি পেলোৱাৰ লগতে উচ্ছেদিত লোক সকলক আঁতৰি যাবলৈ জনাই আহে যদিও সেইমুহূৰ্তত এক উত্তেজনাৰ সৃষ্টি হৈছিল । আজি পুনৰাই ৰাতিপুৱা ভাগত বনবিভাগৰ লোক সকলৰ লগতে অসম আৰক্ষীৰ যোৱান সকলে ৰাতিপুৱাৰ ভাগত উক্ত অঞ্চলত গৈ বিদ্যাপাৰালৈ যোৱা মূল পথটোৰ মাজ ভাগত গাঁত খান্দি যাতায়ত বিছিন্ন কৰিব বিচাৰিছিল । কিন্তু সেই সময়তে স্থানীয় উচ্ছেদিত পুৰুষ মহিলা সকললে আৰক্ষীৰ লগত যুক্তি তৰ্ক আৰম্ভণি কৰে এটা সময়ত দুটা ফৈদৰ মাজত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে । ক্ৰমান্বয়ে আৰক্ষীয়ে আৰু উচ্ছেদিতক লাঠিচাৰ্জ কিৰিবলৈ উদ্দত হয় তেনেকুৱা পৰিস্থিতিৰ মাজতে উচ্ছেদিত সকলে হাতে হাতে যাঠি জং আৰু শিলগুটিৰে আৰক্ষীক আক্ৰমন কৰিবলৈ ধৰে । আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰনলৈ অনাৰ স্বাৰ্থত প্ৰথমে শূন্যলৈ গুলিছালনা কৰে যদিও উত্তেজিত জনতাই আৰক্ষী আৰু বনকৰ্মীৰ ওপৰত জঁপিয়াই পৰে মুহূৰ্তত আৰক্ষী আৰু বন বিভাগৰ ১৫ জন লোক গুৰুতৰ ভাবে আহত হয় । এই আক্ৰমণৰ ফলত কৃষ্ণাই আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণকাম বৰদলৈ আৰু উপ আৰক্ষী অধীক্ষক অভিলাষ বৰুৱা যথেষ্ট আঘাতপ্ৰাপ্ত হয় । শেষত আৰক্ষীয়ে গুলিচলাবলৈ বাধ্য হোৱাৰ ফলত গুলিছালনাৰ পিছত থিতাতে মনোৱাৰ আলীৰ পুত্ৰ চকোৱাৰ আলী (১৯) মৃত্যু হয় । আনহাতে আমিৰ হামজা (২১) গোৱালপাৰা নিধনুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ লগতে কুসুমুদ্দিন আলীক অতি সংকত জনক অৱস্থাত গুৱাহাটীলৈ প্ৰেৰণ কৰা বুলি জানিবলৈ পোৱা গৈছে । আনপিনে আমছুৰ কেন্দ্ৰীয় কমিটিৰ সহ সাধাৰণ সম্পাদক আনিমুল হক চৌধুৰীয়ে এইকাৰ্যৰ তীব্ৰ নিন্দা কৰাৰ লগতে জিলা বন সংমণ্ডল প্ৰাধিকৰী বিষয়া তেজশ স্বামীৰ ভুলৰ বাবে এইকাৰ্য সংঘটিত হোৱা বুলি দাবী কৰাৰ লগতে এই কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰি বন সংমণ্ডল বিষয়াৰ নিলম্বনৰ দাবী কৰে । আজিৰ এই উত্তেজিত পৰিস্থিতিৰ মাজতে এইটো অঞ্চলৰ কেইবাজনো দুৰ্বৃত্তয় কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত বিদ্যাপাৰা এম,ই স্কুল আৰু অঙ্গনৱাড়ী কেন্দ্ৰত অগ্নি সংযোগ কৰে । ইতিমধ্যে এই দুষ্কাৰ্য কৰাৰ বাবে ঘটনাৰ সৈতে জড়িত চাৰি জন লোকক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয় সিহঁত ক্ৰমে ১ হাছিনুৰ আলী (২০) ২। আব্দুৰ ৰহিম (৪২) ৩। জাহিদুল ইছলাম (১৮) , ৪। মহিদুৰ আলী(২১)। ইয়াৰে হাছিনুৰ আলী,আব্দুৰ ৰহিম আৰু জাহিদুল ইছলাম উচ্ছেদিত এলেকাৰ নহয় বুলি আৰক্ষী সূত্ৰে জানিবলৈ পোৱা গৈছে । আনহাতে আজিৰ এই ঘটনাৰ পিছত উক্ত অঞ্চলত জিলা প্ৰশাসনে সান্ধ্য আইন জাৰী কৰাৰ লগতে পৰিস্থিতি নিয়ন্ত্ৰনলৈ অনাৰ বাবে দুটাকৈ আৰক্ষী বাহিনী অহা ৩১ জুলাই লৈকে নিয়োগ কৰিছে । আনপিনে আজিৰ পিছৰে পৰা উক্ত অঞ্চলত কোনো লোকে যদি অযথা পৰিবেশ বিনস্থ কৰে তেতিয়াহলে এক ভয়ানক পৰিস্থিতিৰ মুখামুখি হবলৈ বাধ্য হব বুলি জিলা প্ৰশাসনৰ পৰা সতৰ্ক কৰি দিয়া হৈছে।

### কেৱল মাৰ্কশ্বিটৰ নম্বৰেই এজন ছাত্ৰৰ জীৱনৰ মাপকাঠী হ'ব নোৱাৰে, ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলৈ শিকিব লাগিব ঃ ড° কমলেশ্বৰ কলিতা

# ডুমডুমাত ছাত্ৰ সন্থাৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ জুলাইঃ** "আজিৰ ছাত্ৰ-ছাত্ৰীৰ কেৱল নব্বৈ শতাংশৰ ওপৰৰ এখন মাৰ্কশ্বিট হাতত থাকিলেই নহ'ব। আজিৰ তাৰিখত শতকৰা ষাঠি আৰু নব্বৈৰ মাজত কোনো পাৰ্থক্য নাই । কেৱল পুথিগত বিদ্যাই এতিয়া সমাজত এজন ছাত্ৰ বা ছাত্ৰীক মানৱ সম্পদ হিচাবে চিনাকি কৰাই দিব নোৱাৰে। বিদ্যায়তনিক আৰু অবিদ্যায়তনিক দুয়োটা দিশত সফল হ'বলৈ ছাত্ৰ - ছাত্ৰীয়ে প্ৰচেষ্টা চলাব লাগিব।" এই মন্তব্য ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতাৰ । আজি ডুমডুমা মহাবিদ্যালয়ৰ 'কল্লোল' প্ৰেক্ষাগৃহত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ডুমডুমা অঞ্চলৰ ২২০ গৰাকী উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত বিশেষ সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰা বিশেষ অভিনন্দন অনুষ্ঠানত এগৰাকী মুখ্য বক্তা হিচাপে অংশ লৈ তেওঁ এইদৰে কয় । নতুন শিক্ষানীতিৰ আধাৰত প্ৰস্তুত কৰা পাঠ্যক্ৰমৰ যোগেদি ছাত্ৰ ছাত্ৰীয়ে ভৱিষ্যতে যাতে সমাজৰ প্ৰতি দায়িত্বশীল হিচাবে থিয় দিয়ে তাৰ বিভিন্ন পথৰ তেখেতে নিৰ্মোহ আলোচনা কৰে। ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ গোঁহাইৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰে সম্‌সপাদক সমুজ্বল বড়া সোনোৱালে । সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশ লৈ ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অমৰজিৎ শইকীয়াই নতুন শিক্ষা নীতিয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰলৈ অনা পৰিৱৰ্তনৰ বিভিন্ন দিশসমূহ ফঁহিয়াই আলোচনা কৰে। তেখেতে বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে দায়িত্ব সহকাৰে শিক্ষা গ্ৰহণ কৰিব লাগিব বুলি কৈ এই ক্ষেত্ৰত শিক্ষকসকলৰো অধিক দায়িত্ব আহি পৰা বুলি কয়। প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক উপস্থিত থকা এই অভিনন্দন অনুষ্ঠানত ভাষণ দি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সমৰ জ্যোতি গোহাঁইয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই হাতত লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰাৰ লগতে 'আছু'ৰ আদৰ্শগত দিশত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা সম্পৰ্কে আলোচনা আগবঢ়ায়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ চুতীয়া, জিলা সভাপতি প্ৰতীম নেওগ, জিলা সম্পাদক কনচেং গগৈ, ৰাজা বলিমৰা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি তথা বিশিষ্ট সাংবাদিক মনোজ দত্তকে আদি কৰি কেইবাগৰাকীও বক্তাই চমু ভাষণ আগবঢ়ায়। সভাত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি অনুজ কলিতা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই, ৰূপাই শতদল শাখা সাহিত্য সভাৰ সম্পাদক, ৰাতুল গগৈ, ডুমডুমা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক তথা বিশিষ্ট সমাজকৰ্মী দ্বিজেন শৰ্মা আদিৰ উপৰিও তিনিচুকীয়া জিলাৰ বিভিন্ন আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু বিভিন্ন জাতীয় -জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বই অংশ গ্ৰহণ কৰে । সভাৰ শেষত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক দুৰ্য্যয় মৰাণৰ সঞ্চালনাত উপস্থিত ছাত্ৰ ছাত্ৰীসকলক একোখনকৈ অভিনন্দন পত্ৰ আৰু একোটাকৈ নথিপত্ৰ ৰাখিব পৰা সুন্দৰ বেগ প্ৰদান কৰি ছাত্ৰ সন্থাৰ তৰফৰপৰা অভিনন্দন জনোৱা হয় ।



## সদৌ অসম সাংবাদিক সন্থাৰ নগাঁও জিলা সমিতিৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাক সম্বৰ্ধনা

**অসম বাৰ্তা, বেবেজীয়া, ১৮ জুলাইঃ** সদৌ অসম সাংবাদিক সন্থা(আজু)ৰ নগাঁও জিলা সমিতিয়ে আজি নৱনিযুক্ত নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাক সম্বৰ্ধনা জনায়। আজুৰ নগাঁও জিলাৰ সভাপতি ৰাজীৱ কুমাৰ নেওগ, কাৰ্যকৰী সভাপতি ঘনকান্ত বৰা, সাধাৰণ সম্পাদক ছফিকুৰ ৰহমান, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য ফাইজুৰ ৰহমানৰ লগতে বটদ্ৰৱা, ধিং, ৰহা, কামপুৰ, কচুৱা, কঠিয়াতলী, চামগুৰি, নগাঁও, জাজৰি, বেবেজীয়া আদি বিভিন্ন অঞ্চলৰ কুৰিজনীয়া সাংবাদিকৰ দলে বিয়লি জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ গামোছা, স্মাৰক, গ্ৰন্থৰ টোপোলা, সম্বৰ্ধনা পত্ৰৰে আয়ুক্ত গৰাকীক আদৰণি জনাই। সম্বৰ্ধনা গ্ৰহণ কৰি আজুৰ সদস্য সকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি তেওঁ এক আলোচনাত মিলিত হয়। নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ শিক্ষা, স্বাস্থ্য, যোগাযোগ, নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলন আদি ৰাজহুৱা স্বাৰ্থজনিত বিভিন্ন বিষয়ৰ সমস্যা সমূহৰ বিষয়ে আলোচনা কৰি ইয়াৰ তাৎক্ষণিক সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। ইফালে আজুকে ধৰি নগাঁও জিলাৰ সাংবাদিক সকলে গঠনমূলক সংবাদ পৰিৱেশনৰ যোগেদি এখনি সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত যি সক্ৰিয় ভূমিকা পালন কৰি আহিছে তাৰ বাবে আয়ুক্ত শৰ্মাই সকলোকে ধন্যবাদ জ্ঞাপন কৰি ভৱিষ্যতৰ দিনত সহায় সহযোগিতা আৰু পৰামৰ্শ কামনা কৰে। উল্লেখ্য যে, আজুৰ নগাঁও জিলা সমিতিৰ উক্ত প্ৰতিনিধি দলটোত দিব্যজ্যোতি বৰুৱা, ৰাহুল দেৱ বৰদলৈ, দিব্যজ্যোতি বৰঠাকুৰ, তিলেশ্বৰে দাস, বেদব্ৰত ৰাজা, দুলাল শৰ্মা, গকুল ভাৰতী, নিপেন হাজৰিকা, প্ৰমোদ শৰ্মা, ৰাজীৱ গায়ন, ছাইদুল ইছলাম, কমলেশ্বৰ কাশ্যপকে আদি কৰি কুৰি গৰাকী সংবাদিক উপস্থিত থাকে।

## দুলীয়াজানত আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, দুলীয়াজান, ১৮ জুলাইঃ** দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ অন্যতম বাৰ্ষিক অনুষ্ঠান হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক (কলা, বিজ্ঞান আৰু বাণিজ্য) চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাবলৈ 'বিশেষ অভিনন্দন অনুষ্ঠান' কালি দুলীয়াজান ক্লাবত অনুষ্ঠিত হৈ যায়। প্ৰত্যেক বছৰতে সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষানীতিৰ আধাৰত এই অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি কল্যাণ গগৈৰ সভাপতিত্ব অনুষ্ঠিত হোৱা বিশেষ অভিনন্দন অনুষ্ঠানৰ আত ধৰে সাধাৰণ সম্পাদক মঞ্জিল প্ৰতিম ডেকাই । সহযোগ কৰে শিক্ষা সম্পাদক ঋষিকল্প নেওগে । অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপক ড০ প্ৰাঞ্জল বুঢ়াগোহাঁই। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বুলবুল দত্তৰ লগতে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, সাধাৰণ সম্পাদক বিতোপন গগৈ, সহকাৰী সাধাৰণ সম্পাদক ৰূপাঞ্জিত ৰাজগিৰি, সাংগঠনিক সম্পাদক ইন্দ্ৰজিৎ মাক্ৰাৰী, দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোক বিকাশ গগৈ, দুলীয়াজান ছোৱালী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ যশস্যা বৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ সুৰেন্দ্ৰ নাথ গগৈ আৰু দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টাসকল তথা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া কৰ্মকৰ্তাসকল। অনুষ্ঠানৰ শেষত কঠালগুৰি উচ্চতৰ মাধ্যমিকৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মৃণালী ভূঞাই প্ৰত্যেক বৰ্ষত প্ৰদান কৰি অহা সুমিত্ৰা ভূঞা সোঁৱৰণী বঁটাৰ লগতে নগদ ১০ হাজাৰ টকা দুলীয়াজান ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী অনুষ্কা দাসক প্ৰদান কৰে। অনুষ্ঠানৰ শেষত অসমৰ জাতীয় সংগীতেৰে দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান সামৰণি পৰে।

### নতুন জিলা কাৰ্যনিৰ্বাহক সমিতি গঠন ঃ খগেন হাজৰিকা জিলা সভাপতি আৰু শশীধৰ বৰুৱাক সাধাৰণ সম্পাদক হিচাপে মনোনীত

## মাজুলী জিলা মইনা পাৰিজাতৰ সাধাৰণ পৰিষদৰ সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জুলাই ঃ** মাজুলী জিলা মইনা পাৰিজাতৰ পঞ্চদশ দ্বি-বাৰ্ষিক সাধাৰণ পৰিষদৰ সভাখন আজি নামনি মাজুলীত অনুষ্ঠিত হয়। নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ সহযোগত আৰু গোৱালগাঁও মুকুতা মইনা পাৰিজাতৰ আতিথ্যত আজি পুৱাৰ পৰা দিনজোৱা কাৰ্যসূচীৰে উক্ত জিলা মইনা পাৰিজাতৰ সাধাৰণ পৰিষদৰ সভাখন গোৱালগাঁও তৰুণ নাট্য সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। উক্ত, সাধাৰণ পৰিষদৰ সভা উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰে বিশিষ্ট প্ৰকৃতিপ্ৰেমী তথা কমলাবাৰী একাডেমীৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজ ৰত্ন তথা ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অতুল হাজৰিকাই। পুৱা ন বজাত মাজুলী জিলা মইনা পাৰিজাতৰ পতাকা উত্তোলন কৰে জিলা সমিতিৰ সভাপতি লোহিত বৰাই। অনুষ্ঠানত স্মৃতি তৰ্পণ কৰে জিলা মইনা পাৰিজাতৰ উপ- সভাপতি খগেন হাজৰিকা আৰু সদৌ অসম মইনা পাৰিজাতৰ ৰাজ্যিক সদস্য প্ৰবীণ কুমাৰ ভূঞাই। পুৱা দহ বজাত জিলা মইনা পাৰিজাতৰ অন্তিম কাৰ্যনিৰ্বাহক সভাখন সভাপতি লোহিত বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত দ্বি বাৰ্ষিক সাধাৰণ প্ৰতিবেদন আৰু হিছাপ পৰীক্ষকৰ প্ৰতিবেদন গ্ৰহণ কৰা হয়। দুপৰীয়া ১২ বজাত প্ৰতিনিধিসকলৰ উপস্থিতিত সাধাৰণ পৰিষদৰ সভাখন অনুষ্ঠিত হয়। মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি লোহিত বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সাধাৰণ পৰিষদৰ সভাৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে জিলা মইনা পাৰিজাতৰ সম্পাদক শশীধৰ বৰুৱাই। মাজুলী জিলা মইনা পাৰিজাতৰ অন্তৰ্গত প্ৰায় যাঠিখন শাখাৰ প্ৰতিনিধি , চাৰিখন আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি,সম্পাদকে অংশগ্ৰহণ কৰা উক্ত সাধাৰণ পৰিষদৰ সভাখন উদ্বোধন কৰে সদৌ অসম মইনা পাৰিজাতৰ শিশু বন্ধু কৃষ্ণৰাম হাজৰিকাই । সভাত মাজুলী জিলা মইনা পাৰিজাতৰ দ্বি বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে সম্পাদক শশীধৰ বৰুৱাই । হিছাপ পৰীক্ষকৰ অনুপস্থিতিত উক্ত হিছাপ পৰীক্ষকৰ প্ৰতিবেদনো সম্পাদক শশীধৰ বৰুৱাই পাঠ কৰে। নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ শিশু শিল্পীসকলে পৰিৱেশন কৰা সমবেত সংগীতৰে শুভাৰম্ভ কৰা উক্ত সভাত বিশিষ্ট অতিথি হিচাপে সদৌ অসম মইনা পাৰিজাতৰ উপ সভাপতি প্ৰফুল্ল বৰা, শিশু মহীয়ান তৰুণ বৰা, শিশু বন্ধু কৃষ্ণৰাম হাজৰিকা, টংকেশ্বৰ দুৱাৰা ত্ৰিবেণী পায়েং, জিলা মইনা পাৰিজাতৰ উপ সভাপতি -অতুল হাজৰিকা,ভোগেশ্বৰ শইকীয়া, ৰত্ন বৰা,জিলা সদস্য জগত হাজৰিকা, সহকাৰী সম্পাদক ঋতুপৰ্ণ বৰাই অংশগ্ৰহণ কৰে। সভাত মুকুতা মইনা পাৰিজাতৰ মইনা সকলে সমবেত বৰগীত আৰু আধুনিক নৃত্য প্ৰদৰ্শন কৰে। জিলা সমিতিৰ সভাপতি লোহিত বৰাৰ অভিভাষন পাঠ কৰাৰ পাছত পুৰনি সমিতি ভংগ কৰা হয় আৰু নতুন সমিতিৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হয়। উক্ত নতুন সমিতি গঠনৰ প্ৰাক মুহূৰ্তত পৰ্যবেক্ষকৰ নিৰ্দেশনা প্ৰকাশ কৰে পৰ্যবেক্ষক তথা সদৌ অসম মইনা পাৰিজাতৰ উপ- সভাপতি প্ৰফুল্ল বৰাই। নতুন সমিতি গঠন: আজিৰ উক্ত সাধাৰণ পৰিষদৰ সভাত মাজুলী জিলা মইনা পাৰিজাতৰ ২০২৫-২০২৭ বৰ্ষৰ নতুন জিলা সমিতিখন গঠন কৰা হয়। উক্ত, জিলা সমিতিত খগেন হাজৰিকাক সভাপতি, জগত হাজৰিকাক কাৰ্যকৰী সভাপতি, বাবুল শৰ্মা, ভৰত গোস্বামী,ভোগেশ্বৰ শইকীয়া , সূৰ্য বৰুৱাক উপ সভাপতি, অতুল হাজৰিকাক কোষাধ্যক্ষ, শশীধৰ বৰুৱাক সাধাৰণ সম্পাদক, ঋতুপৰ্ণ বৰাক সহকাৰী সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া সদস্যৰে জিলা কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। উক্ত ,সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাছত জাতীয় সংগীতৰে সভা ভংগ কৰা হয়

## বঙাইগাঁৱত অনুষ্ঠিত শংকৰী সংস্কৃতিৰ গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালা বঙাইগাঁওত পোন প্ৰথমবাৰৰ বাবে অংকীয়া নাট কৰ্মশালা

**অসম বাৰ্তা বিশেষ, বঙাইগাঁও, ১৮ জুলাইঃ** জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নীতি-আদৰ্শৰে প্ৰতিষ্ঠিত নামনি অসমৰ বঙাইগাঁও জিলাৰ অন্তৰ্গত কাশিডোবাত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বঙাইগাঁও জিলা শাখাৰ উদ্যোগত সংস্কৃতি শাখা আৰু সেৱাবাহিনীৰ সহযোগত জিলা শাখাৰ নামঘৰত যোৱা ১৫ জুলাই তাৰিখৰ পৰা গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হৈ আছে । উক্ত শংকৰী সংস্কৃতিৰ কৰ্মশালা ভাগিত বৰগীতৰ প্ৰশিক্ষক হিচাপে নলবাৰী জিলাৰ ৰিপুঞ্জয় কলিতা, নৃত্যৰ প্ৰশিক্ষক হিচাপে দ্ৰৌপদী ৰায় আৰু লক্ষীমপুৰ জিলাৰ সৈত্য শইকীয়া, খোলবাদ্যত স্থানীয় প্ৰশিক্ষক সকলৰ লগতে লোক সংস্কৃতিৰ দিহানামৰ প্ৰশিক্ষক হিচাপেদৰং জিলাৰ পিংকুমনি চহৰীয়াই প্ৰশিক্ষণ প্ৰদান কৰি আছে জিলা সংস্কৃতি শাখাই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে বিগত বৰ্ষতকৈ বঙাইগাঁও জিলাশাখাৰ সংস্কৃতি শাখা সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগতে জিলাধিনায়ক পোনাকন সৰকাৰ আৰু কুঞ্জ ৰায়ৰ নেতৃত্বতএইবেলি সেৱক-সেৱিকা সকলে গীত-নৃত্য আৰু বাদ্যৰ লগতে কৰ্মশালাত সংযোগ কৰা অংকীয়া নাটৰ কৰ্মশালা আজিৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ গৱেষণা পৰিষদৰ সভাপতি পবিত্ৰ প্ৰান বৰা'ৰ মুখ্য প্ৰশিক্ষণত কৰ্মশালা আৰম্ভণি কৰিব। কৰ্মশালা ভাগত প্ৰথম দিনাৰ পৰাই শংকৰী গীত-বাদ্য আৰু নৃত্য শাখাত শতাধিক শিশু আৰু যুৱক-যুৱতী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰাৰ লগতে বঙাইগাঁও জিলাত পোন প্ৰথমবাৰৰ বাবে অংকীয়া নাটৰ কৰ্মশালা ২১ জুলাই তাৰিখলৈ চলি থাকিব বুলি জিলাশাখাৰ সভাপতি অনিল কুমাৰ ৰায় আৰু সম্পাদক নমল শৰণীয়াই সাংবাদিক সকলক জানিবলৈ দিয়ে।

## গোলকগঞ্জ ব্লক কমিটিৰ উদ্যোগত ঐতিহাসিক ১৮ জুলাই দিৱস উদযাপন

অসম বাৰ্তা, আগমনি, **১৮ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত মহান বৃহত্তৰ কোচবিহাৰ ৰাজ্যবাসী সংগঠন গোলকগঞ্জ ব্লক কমিটিৰ দ্বাৰা আয়োজিত বড়োচৰাইখোলা শিৱ মন্দিৰ প্ৰাঙ্গ্যনত ৰাতিপুৱা শুৱচনি আৰু শিৱচণ্ডী পূজা অৰ্চনা আৰু শ্বহীদ বেদীত মাল্যৰ্পণ কৰে বৃত্ত সম্পাদক ৰবিকান্ত ৰায় আৰু কাৰ্যলয় সম্পাদক চৈতন্য ৰায়,গ্ৰেটাৰ কোচবিহাৰ পিপলছ এছ'চিয়েচনৰ পতাকা উত্তোলন কৰে ব্লক সভাপতি বিৰেন ৰায়। উক্ত অনুষ্ঠানত উপস্থিত থাকে কেন্দ্ৰীয় কমিটিৰ আহ্বায়ক মানী,শ্ৰী তনয় সৰকাৰ, ধুবুৰী জিলা কমিটীৰ সভাপতি মানী,শ্ৰী দ্বীপেন্দ্ৰ নাথ ৰায়, ধুবুৰী জিলা উপ-সভাপতি মানী, ধনঞ্জয় ৰায়, আৰু লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে গঙ্গাধৰ জিলা পৰিষদ সণ্মানীয়া মালতী বালা ৰায়,বৰচৰাইখোলা শিৱ মন্দিৰ কমিটীৰ সভাপতি মানী, নিৰদ চন্দ্ৰ ৰায়, আৰু লগতে মহান বৃহত্তৰ কোচবিহাৰ ৰাজ্যবাসী সংগঠনৰ স্থানীয় কৰ্মকৰ্তা সকলে উপস্থিত থাকে। উল্লেখ্য যে আজিৰ সভাৰ জড়িয়তে হেৰুৱাই যোৱা কোচবিহাৰ ৰাজ্য ভাৰতীয় বিধিব্যৱস্থাপনাৰ দ্বাৰা পুণৰ গঠন কৰিবলৈ দ্যা গ্ৰেটাৰ কোচবিহাৰ পিপলছ এছ'চিয়েচনে ভাৰত চৰকাৰক আহ্বান জনায়।

## লখিমপুৰ সংযোগী মাজুলী কুলিচাপৰি ঘাটত ২৯ কাৰ্টুন বীয়েৰ জব্দ

**অসম বাৰ্তা, বনগাঁও, ১৮ জুলাইঃ** মাজুলী জিলা আবকাৰী বিভাগে এক গোপন সূত্ৰৰ পম খেদি ১৭ জুলাইত মাজুলী—উত্তৰ লখিমপুৰ সংযোগী কুলি চাপৰি ঘাটত অভিযান চলাই এখন যাত্ৰী বাহী ফেৰীৰ পৰা গৰাকীবিহীন ২৯ কাৰ্টুন বিয়েৰ জব্দ কৰে । প্ৰাপ্ত খবৰ অনুসৰি ;;আবকাৰী পৰিৰ্দশক জ্ঞান জ্যোতি ডেকাৰ নেতৃত্বত যোৱা তিনিজনীয়া অভিযানকাৰী দলটিয়ে মাজুলীৰ সীমামূৰীয়া অঞ্চলটিত গোপন সূত্ৰৰ খবৰ পোৱাৰ লগে লগে কুলিচাপৰিত উপস্থিত হৈ যাত্ৰীবাহী ফেৰীত অভিযান চলাই মাজুলীত বিক্ৰীৰ বাবে অনা অৰুনাচলী বিয়েৰ খিনি জব্দ কৰে ।গৰাকীবিহীন বিয়েৰ খিনিৰ মূল্য প্ৰায় আনুমানিক ৬০;০০০হাজাৰ টকা ।জব্দকৃত বিয়েৰ ২৯ কাৰ্টুন (৩৪৮লিটাৰ )বৰ্তমান বিভাগৰ মালখানাত জমা ৰাখি বিভাগীয় তদন্ত আৰম্ভ কৰিছে । উক্ত বিয়েৰ খিনি অবৈধ ভাৱে অৰুনাচল প্ৰদেশৰ বান্দৰদেৱাৰ পৰা এটা দুষ্টচক্ৰই মাজুলীত বিক্ৰীৰ বাবে জলপথৰে সৰবৰাহ কৰিছিল । দীৰ্ঘদিন ধৰি উক্ত পথয়েদি মাজুলীত বিক্ৰীৰ বাবে প্ৰায়ে অৰুনাচলী মদৰ সৰবৰাহ চলি থাকে । আবকাৰী পৰিদৰ্শক জ্ঞান জ্যোতি ডেকা নেতৃত্বত যোৱা অভিযানকাৰী দলটিত কনিষ্ঠবল নিশা মনি দাস, কনিষ্ঠবল সৰ্ব্বেশ্বৰ মিলিয়ে অংশ গ্ৰহণ কৰে । উল্লেখ থাকিল যে জিলা আবকাৰী বিভাগে অবৈধ ভাৱে মাজুলীত বিক্ৰীৰ বাবে অনা বহু পৰিমানৰ বিলাতী মদ জব্দ, চুলাই মদৰ ঘাটী ধৰ্ব্বংসৰ কৰাৰ বা —বাতৰি বিভিন্ন সংবাদ পত্ৰত প্ৰায়ে প্ৰকাশ পাই আহিছে ।বিভাগৰ এনে তৎতপৰতাক ৰাইজে সন্তোষ প্ৰকাশ কৰে।

### চামগুৰিৰ গ্ৰামাঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ

## কঁঠালগুৰিত বন্যহস্তীয়ে ভাঙিলে বাসগৃহ বিফল বন বিভাগ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ জুলাইঃ** নগাঁও জিলাত অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীয়ে নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুৰিৰ বিভিন্ন অঞ্চলত এক আতংকময় পৰিস্থিতি সৃষ্টি কৰাত স্থানীয় ৰাইজে উজাগৰী নিশা পাৰ কৰিবলগাত পৰিছে ।উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ গ্ৰামাঞ্চলত সমূহত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। চামগুৰি গ্ৰামাঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহৰ লগতে ধানৰ ভঁৰাল আৰু পাকঘৰ ভাঙি তহিলং কৰাৰ লগতে খাদ্যবস্তুৰো অনিষ্টসাধন কৰিছে ।শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বৰ্তমান বনৰীয়া হাতীয়ে বহুলোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বাৰীৰ কঁঠাল, কলগছ, নাৰিকল গছ,কঁঠাল আদিকে খোৱাৰ লগতে কৃষিপথাৰৰ কঠীয়াসমূহ গছকি-ফেনেকি তহিলং কৰিছে ।দিনৰ ভাগত ঘন জংঘলত সোমাই থাকি নিশা হ'লেই ধাননি পথাৰ আৰু গএঞা ৰাইজৰ বাৰীত সোমাই বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে ।বৰ্তমান গ্ৰামাঞ্চলতসমূহত পকা কঁঠাল খাবলৈ বনৰীয়া হাতীৰ আগমণ হৈছে ।যোৱা নিশা কঁঠালগুৰি গাঁৱৰ লক্ষী মূড়া নামৰ মহিলাগৰাকীৰ বাসগৃহটো বনৰীয়া হাতীয়ে ভাঙি লণ্ড-ভণ্ড কৰে ।বনৰীয়া হাতীয়ে মহিলাগৰাকীৰ ভিতৰৰ খাদ্যবস্তু সমূহো খোৱাৰ লগতে ঘৰৰ সামগ্ৰীসমূহ তহিলং কৰে ।তদুপৰি ঘৰৰ কাষতে থকা কঠিয়া গছকি-ফেনেকি ক্ষতিসাধন কৰে ।স্থানীয় ৰাইজে অভিযোগ কৰা মতে, বৃহত্তৰ অঞ্চলটোত বনৰীয়া হাতীয়ে প্ৰতিবছৰেই উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰি আহিছে যদিও বন বিভাগৰ তৰফৰ পৰা উপযুক্ত ক্ষতিপূৰণ পোৱা নাই। বন বিভাগৰ লোকে হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে ।চামগুৰিৰ গ্ৰামাঞ্চল সমূহত বছৰৰ যিকোনো সময়তে বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহ,ভঁৰালঘৰ আদি ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে নাৰিকল গছ, কঁঠাল গছ আদি ভাঙি বৃহৎ ক্ষতিসাধন কৰি আহিছে যদিও বন বিভাগে বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ নকৰে ।বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱা অঞ্চলত সমূহত মাজে সময়ে বন বিভাগৰ লোক আহি বম ফুটাই হাতী খেদোৱাৰ চেষ্টা কৰে যদিও বিফল হয় ।বন বিভাগে এইক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত পূৰ্বতকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাইছে ।স্থানীয় ভুক্তভোগী ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে প্ৰশাসনক বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে।

## নগাঁও চহৰৰ পদপথত পৌৰসভাৰ উচ্ছেদ অভিযান

**অসম বাৰ্তা, বঢ়মপুৰ, ১৮ জুলাইঃ** নগাঁও পৌৰসভাই আজি চহৰখনৰ বানিজ্যিক এলেকা সমূহৰ পদপথত অতৰ্কিতে উচ্ছেদ অভিযান চলায়। উল্লেখযোগ্য যে- চহৰখনৰ বানিজ্যিক এলেকা সমূহত একাংশ ব্যৱসায়ীয়ে পদপথ দখল কৰাৰ লগতে পথৰ দাঁতিত বেপাৰ-বানিজ্য চলাই অহাত যাতায়তৰ ক্ষেত্ৰত নাগৰিক সকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে । চহৰখনৰ জ্যেষ্ঠ নাগৰিককে ধৰি বিভিন্ন ব্যক্তি আৰু সংগঠনে পদপথত বেহা-বেপাৰ কৰা কাৰ্যৰ বিৰুদ্ধে নগাঁও পৌৰসভাক অভিযোগ দিয়াত নগাঁও পৌৰ প্ৰশাসনে এইসকল ব্যৱসায়ীক সকিয়নী দি অহাৰ পাছতো ব্যৱসায়ী সকলে গুৰুত্ব আৰোপ কৰা নাছিল । সেয়ে নাগৰিকৰ যাতায়তৰ সুবিধা হোৱাকৈ নগাঁও চহৰৰ পদপথ দখল কৰি বেহা বেপাৰ কৰা সকলক আজি পদপথৰ পৰা উচ্ছেদ কৰিবলৈ বাধ্য হয়। ভৱিষ্যতে পদপথ দখল কৰি বেহা বেপাৰ নকৰিবৰ বাবে নগাঁও পৌৰসভা প্ৰশাসনৰ তৰফৰ পৰা সকলো পক্ষক সকিয়াই দিয়ে।

### দ্যা গ্ৰেটাৰ কোচবিহাৰ পিপুলচ এছ'চিয়েচনৰ উদ্যগত

## বৰ চৰাইখোলাত '১৮ জুলাই ঐতিহাসিক দিন' উদযাপন

**অসম বাৰ্তা, তামাৰহাট, ১৮ জুলাইঃ** ধুবুৰী জিলাৰ বৰ চৰাইখোলাত আজি দ্যা গ্ৰেটাৰ কোচবিহাৰ পিপুলচ এছোচিয়েচন (GCPA)ৰ গোলকগঞ্জ ব্লক কমিটিৰ উদ্যোগত "১৮ জুলাই ১৯৪৭ ঐতিহাসিক দিন" হিচাপে এক দিনীয়া কাৰ্যসূচীৰে বিশেষ অনুষ্ঠান আয়োজন কৰা হয় ।অনুষ্ঠানৰ আৰম্ভণিত সংগঠনটোৰ অনুমোদিত অধিকাৰী বীৰেন ৰায়ে ছুৱচনী পূজা কৰি কাৰ্যসূচীৰ শুভ সূচনা কৰে। সংগঠনটোৰ পতাকা উত্তোলন কৰে গোলকগঞ্জ ব্লক কমিটিৰ সভাপতি মাননীয় বীৰেন ৰায় আৰু উপ-সভাপতি পবিত্ৰ ৰায়ে। ইয়াৰ পাছতে বীৰেন ৰায়ৰ সভাপতিত্বত এক মুকলি সভা অনুষ্ঠিত হয় ।উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দ্যা গ্ৰেটাৰ কোচবিহাৰ পিপুলচ এছোচিয়েচন (GCPA)ৰ কেন্দ্ৰীয় আহ্বায়ক তনয় সৰকাৰ, ধুবুৰী জিলা সভাপতি দীপেন্দ্ৰ নাথ ৰায়, গংগাধৰ জিলাপৰিষদৰ সদস্যা মালতী বালা ৰায়, বৰ চৰাইখোলা শিব মন্দিৰৰ সভাপতি নিৰোধ চন্দ্ৰ ৰায় আৰু অন্যান্য বিশিষ্ট স্থানীয় ব্যক্তিবৰ্গ। সভাত বক্তাসকলে উল্লেখ কৰে যে ১৯৪৭ চনৰ ১৮ জুলাই তাৰিখে কুচবিহাৰ ৰাজ্যই বৃটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল। এই দিনটো ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতেই কুচবিহাৰে স্বাধীনতা কৰিছিল বুলি বক্তাসকলে জোৰ দি কয় ।ধুবুৰী জিলা GCPAৰ সাধাৰণ সম্পাদক গোপাল বৰ্মনে বক্তব্য ৰাখি কয়, "আমি কোচ ৰাজবংশীয়ে ১৮ জুলাই ১৯৪৭ তাৰিখে স্বাধীনতা লাভ কৰিছিলোঁ।১৯৩৯ত দ্বীতিয় বিশ্ব যুদ্ধৰ সময়ত ৰানী এলিজাবেথক কোচবিহাৰৰ নাৰায়নী সেনাই সহায় কৰাৰ বাবেই বৃটিছে কোচবিহাৰক আজিৰ দিনটোতে স্বাধীন কৰি দিছিল। তাৰ এমাহ পিছত হে ভাৰতক স্বাধীনতা দিছিল আৰু তাৰ পিছতে, মহাৰাজা জগদীপেন্দ্ৰ নাৰায়ণ ভূপবাহাদূৰে ভাৰত চৰকাৰৰ সৈতে মাৰ্জাৰ চুক্তি স্বাক্ষৰ কৰি ভাৰতৰ সৈতে ৰাজ্যক সংযুক্ত কৰে। সেই অনুসৰি আমি এতিয়াও আশা কৰোঁ, সংবিধানৰ বিধিৰে কোচবিহাৰ ৰাজ্য পুনৰ গঠন হ'ব, লগতে ৰাজবংশী ভাষা, সংস্কৃতিৰ উপযুক্ত স্বীকৃতি দিয়া হ'ব।" অনুষ্ঠানৰ জৰিয়তে বক্তাসকলে ভাৰত চৰকাৰলৈ আহ্বান জনায় যাতে মাৰ্জাৰ চুক্তিৰ ধাৰাত কোচবিহাৰ ৰাজ্য পুনৰ গঠন আৰু সাংস্কৃতিক স্বীকৃতি নিশ্চিত কৰা হয়।

### পাইকানত আৰক্ষীক আক্ৰমণৰ ঘটনাত জড়িত ১০ জনক গ্ৰেপ্তাৰ

## উচ্ছেদিত অঞ্চলত আৰক্ষীৰ টহল পৰিস্থিতি নিয়ন্ত্ৰনাধীন

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৮ জুলাইঃ** বৃহস্পতিবাৰে গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ আশুডুবিত উচ্ছেদিত আৰু আৰক্ষীৰ মাজত যি হতাহতিৰ সৃষ্টি হৈছিল তাত একাংশ উচ্ছেদিতৰ আক্ৰমণত ১৪ গৰাকী বনকৰ্মী আৰু ৯ গৰাকী আৰক্ষীৰ জোৱান আঘাতপ্ৰাপ্ত হৈছিল। আৰক্ষী, বনৰক্ষীৰ গুলীত ১২ জুলাইতে নিহত হৈছিল এগৰাকী যুৱক ।গুলীচালনাৰ পিছতে পৰিস্থিতিৰ অধিক অৱনতি ঘটে। আৰক্ষী, ব্লেক কামাণ্ড'ৰ লগতে ৰেপিড এ'ন ফৰ্চৰ ফ্লেগমাৰ্চৰ পিছতে পৰিস্থিতি নিয়ন্ত্ৰণ হয়। আনহাতে নিৰাপত্তাৰক্ষীক আক্ৰমণ কৰা আৰু এখন চৰকাৰী বিদ্যালয়ত অগ্নিসংযোগ কৰাৰ অপৰাধত কালি আৰু আজিৰ ভিতৰত আৰক্ষীয়ে ১০জনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে । ইয়াৰ মাজত ছামনুৰ আলী নামৰ এজনে মুখ্যমন্ত্ৰীক ৰাজহুৱাকৈ ভাবুকি দিয়া এক ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰে । আৰক্ষীয়ে নিশা সেইজন ছামনুৰকো গ্ৰেপ্তাৰ কৰে । মৰিশালীত পৰিণত হোৱা উচ্ছেদিত অঞ্চলৰ পৰিস্থিতি সম্পূৰ্ণ আৰক্ষীৰ নিয়ন্ত্ৰণত বুলি আৰক্ষীৰ শীৰ্ষ বিষয়াই জানিব দিছে। আনহাতে আজি অসম আৰক্ষীৰ ডিআইজি বিজয় গিৰি কুলিগাম দুধনৈ উপস্থিত হৈ পাইকানৰ পৰিস্থিতি সম্পূৰ্ণকৈ আৰক্ষীয় নিয়ন্ত্ৰনত থকা বুলি কয় লগতে এই ঘটনাত বৰ্তমানলৈ ১০ গৰাকী ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। বনবিভাগে বিদ্যাপাৰা বেতবাৰী দায়ৰং সংযোগী মুল পথটো জেচিবিৰে খান্দি সংযোগ বিছিন্ন কৰাৰ উপৰিও উচ্ছেদিত অঞ্চলত গছপুলি ৰোপণৰ কাম আৰম্ভ কৰিছে। সাম্প্ৰতিক পৰিস্থিতি নিয়ন্ত্ৰনত ৰখাৰ বাবে ৰেপিড একচন ফৰ্চে গোৱালপাৰা চহৰত মাৰ্চপাষ্ট কৰাৰ লগতে অসম মহিলা আৰক্ষীয়ে পাইকান অঞ্চলত মাৰ্চপাষ্ট কৰে।



সম্পাদকীয়

# নাটোৰ নিষেধাজ্ঞা আৰু ভাৰতৰ স্থিতি

ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ পটভূমিত নাটোৰ মহাসচিব মাৰ্ক ৰুটেৰ দ্বাৰা ভাৰত, চীন, ব্ৰাজিল আদি দেশৰ বিৰুদ্ধে নিষেধাজ্ঞাৰ ভাবুকিয়ে বিশ্ব ৰাজনীতিত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। নাটোৰ যুক্তি হ'ল যে ৰাছিয়াৰ সৈতে বাণিজ্যিক সম্পৰ্কই পুটিনৰ যুদ্ধযন্ত্ৰক শক্তি যোগাইছে। কিন্তু ভাৰতৰ দৃঢ় মতামত হ'ল— ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু শক্তিৰ প্ৰয়োজনেই ইয়াৰ মূল কাৰণ। এই পৰিস্থিতিয়ে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে: আন্তঃৰাষ্ট্ৰীয় চাপৰ মুখত ৰাষ্ট্ৰীয় স্বাৰ্থৰ স্থিতি ক'ত? নাটোৰ দাবী অনুসৰি, ৰাছিয়াৰ তেল ক্ৰয়ে যুদ্ধ দীৰ্ঘায়িত কৰাত অৰিহণা যোগায়। কিন্তু ভাৰতৰ বাবে ইন্ধনৰ প্ৰয়োজনীয়তা এক কঠিন বাস্তৱতা। বিশ্ব বজাৰত তেলৰ দৰ স্থিৰ ৰাখিবলৈ ৰাছিয়াৰ সৈতে বাণিজ্য ভাৰতৰ বাবে এক কৌশলগত নিৰ্ণয়। আনহাতে, ইউৰোপীয় দেশসমূহেও ৰাছিয়াৰ পৰা শক্তি আমদানি কৰি আছে। গতিকে, নিৰপেক্ষভাৱে বিচাৰ কৰিলে এই নিষেধাজ্ঞাৰ দাবীত এক পক্ষীয়তা সুস্পষ্ট। ভাৰতে সদায়েই কূটনৈতিক আলোচনাৰ জৰিয়তে সংঘাতৰ সমাধানৰ পোষকতা কৰি আহিছে। নিষেধাজ্ঞাই সমস্যাৰ সমাধান নকৰে, বৰঞ্চ অৰ্থনৈতিক সংকট সৃষ্টি কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ দ্বাৰা ৰাছিয়াক ৫০ দিনৰ ভিতৰত যুদ্ধবিৰতিৰ ভাবুকিয়েও এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। কিন্তু যুদ্ধৰ দৰে নিষেধাজ্ঞাও হ'ল এক পৰোক্ষ অস্ত্ৰ, যাৰ ফলত সাধাৰণ মানুহৰ জীৱনত প্ৰভাৱ পৰে। ৰাছিয়াৰ সৈতে বাণিজ্য বন্ধ কৰিলে ভাৰতৰ দৰে দেশৰ অৰ্থনীতিত প্ৰতিকূল প্ৰভাৱ পৰিব। ইয়াৰোপৰি, ইন্ধনৰ দৰ বৃদ্ধি, মুদ্ৰাস্ফীতি আদিয়ে গোটেই বিশ্বকে প্ৰভাৱিত কৰিব। গতিকে, নিষেধাজ্ঞা কোনো স্থায়ী সমাধান নহয়, বৰঞ্চ ই অস্থিৰতাকহে বঢ়োৱাৰ সম্ভাৱনা থাকে। এই সংকটৰ সমাধান হ'ল ৰাজনৈতিক আলোচনা আৰু কূটনীতিৰ মাধ্যম। নিষেধাজ্ঞাৰ ভাবুকিয়ে সমস্যা সমাধানৰ পৰিৱৰ্তে নতুন সংঘাতৰ সৃষ্টি কৰিব পাৰে। ভাৰতৰ দৰে দেশে ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষা কৰি যুক্তিসংগত নীতি গ্ৰহণ কৰাটোৱেই বুদ্ধিমত্তাৰ কৰ্ম। বিশ্ব শান্তিৰ বাবে প্ৰয়োজন হ'ল সহযোগিতা আৰু সংলাপ, নহয় নিষেধাজ্ঞা আৰু বলপ্ৰয়োগ।

" ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ শাসনলৈ অহাৰ পিছত কিছুমান ঠাইত জৰীপ চলাই দেখা পালে যে অসমৰ হাজাৰ হাজাৰ বিঘা মাটিত মানুহৰ অবৈধ বসতি গঢ়ি উঠিছে, যিবোৰ আছিল সংৰক্ষিত বনাঞ্চল, সত্ৰৰ ভূমি, জলাশয় নাইবা চৰণীয়া পথাৰ। সেই অবৈধ দখলকাৰীসকলৰ মাজত কিন্তু অসমীয়া খিলঞ্জীয়া লোকৰ সংখ্যা আছিল আঙুলিৰ মূৰত গণিব পৰা। এতিয়া প্ৰশ্ন হ'ল - বনাঞ্চল ধ্বংস কৰা এই লোকসকল মূলতঃ ক'ৰ মানুহ। কেনেকৈ আহি তাত ঘৰ-বাৰী পাতিলে? "

# বিভিন্ন ভাষাৰ মাজত বিদেশী শব্দৰ প্ৰয়োগ

## ড° শৰৎ বৰকটকী

ভাষা হৈছে সময়, সংস্কৃতি আৰু গতিশীল সমাজৰ সৈতে যোগাযোগৰ এক জীৱন্ত বিকশিত ৰূপ। ভাষা বিকাশৰ অন্যতম মনোমোহা দিশ হ'ল বিদেশী শব্দ— যাক ঋণ বা ধাৰ লোৱা শব্দ বুলি জনা যায়; যিবোৰ শব্দ থলুৱা ভাষাত অন্তৰ্ভুক্ত হয়। এই ধাৰ লোৱা শব্দবোৰে ভাষা এটাৰ শব্দভাণ্ডাৰক সমৃদ্ধ কৰে, প্ৰকাশৰ ব্যৱধান পূৰণ কৰে আৰু জনগোষ্ঠীসমূহৰ মাজত ঐতিহাসিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক আদান-প্ৰদানক প্ৰতিফলিত কৰে।

বাণিজ্য, ভ্ৰমণ, উপনিবেশিক শাসন বা প্ৰব্ৰজনৰ জৰিয়তে মানুহৰ যেতিয়া এখন দেশৰ লগত আন এখন দেশৰ সংযোগ ঘটে তেতিয়া সাধাৰণ বস্তু, খাদ্য আৰু পৰম্পৰাৰ ভাগ-বতৰা কৰে। কোনো ভাষাত বিদ্যমান শব্দ নথকা, নতুন ধাৰণা বা বস্তুবোৰক প্ৰায়ে মূল শব্দটো ব্যৱহাৰ কৰি নামকৰণ কৰা হয়। উদাহৰণস্বৰূপে, ইংৰাজী শব্দ চুছি (Sushi) জাপানী ভাষাৰ পৰা আহিছে, ই হৈছে ৰঙা ভিনেগাৰ আৰু চাউলৰ সৈতে ৰন্ধা এবিধ খাদ্য। একেদৰে কিমচি হৈছে দক্ষিণ কোৰিয়াৰ এবিধ খাদ্য।

এই শব্দবোৰ অ'ফোৰ্ড অভিধানত সোমাই পৰিছে। পিয়ানো শব্দটো ইটালী ভাষাৰ পৰা আহিছে। গৰুৰ ইংৰাজী "কাউ"। কিন্তু গৰুৰ মাংসৰ ইংৰাজী হৈছে "বীফ।" বীফ শব্দটো ফৰাচী ভাষাৰ পৰা আহিছে। ছাগলীক ইংৰাজীত "গ'ট" কোৱা হয়, ভেড়া হৈছে "শ্বীপ"। কিন্তু ভেড়া বা ছাগলীৰ মঙহৰ ইংৰাজী হৈছে "মাটন"। মাটন হৈছে ফৰাচী শব্দ। দশম, একাদশ শতিকাত ইংৰাজসকল যেতিয়া ফৰাছীসকলৰ অধীনত আছিল তেতিয়াই ফৰাছী শব্দ ইংৰাজী ভাষাত সোমাইছিল।

অনুবাদ অবিহনেও কেতিয়াবা বিদেশী শব্দবোৰ দৈনন্দিন কথনৰ অংশ হৈ পৰে। বিশ্বায়নেও বিদেশী শব্দৰ প্ৰসাৰ ত্বৰান্বিত কৰিছে। প্ৰযুক্তি, সংবাদ মাধ্যম আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ জৰিয়তে পৃথিৱীখন অধিক আন্তঃসংযোগী হৈ পৰাৰ লগে লগে বিভিন্ন দেশৰ ভাষাসমূহে অন্য ভাষাৰ পৰা সঘনাই ঋণ লয়।

উদাহৰণস্বৰূপে ইংৰাজী শব্দ কম্পিউটাৰ, ইণ্টাৰনেট, চফট্‌ৱেৰৰ দৰে শব্দ আন কেইবাটাও ভাষাৰ অভিধানত সোমাই পৰিছে। পৃথিৱীত যিমানবোৰ ভাষা আছে সেইবোৰৰ ভিতৰত বিদেশীমূলীয় শব্দেৰে চহকী হোৱা ভাষাটো হৈছে ইংৰাজী। গৱেষক, অধ্যাপক ড° জ্যোতিৰ্ময় জানাই কৈছে যে, পৃথিৱীৰ প্ৰতিটো জীৱন্ত আৰু গতিশীল ভাষাত প্ৰতিবেশী আৰু বিদেশী ভাষাৰ অগণন শব্দ সোমাই আছে। ইংৰাজী ভাষাত সোমোৱা বিদেশী শব্দবোৰ যদি ইংৰাজসকলে আজি আঁতৰাই দিয়ে, তেনেহ'লে ইংৰাজী ভাষাৰ মৃত্যু হ'ব।

ভাষা ঋণ লোৱাতো ঔপনিৱেশিক ইতিহাসে মুখ্য ভূমিকা পালন কৰি আহিছে। উদাহৰণ স্বৰূপে ইংৰাজসকলে ভাৰতত শাসন কৰা সময়ত গুৰু, কৰ্ম, বাংলো, শ্বেম্পু, পায়জামা আদি বহুতো ভাৰতীয় শব্দ গ্ৰহণ কৰিছিল আৰু ইংৰাজী অভিধানত ঠাই দিছিল। এতিয়া "বিন্দাছ" শব্দ অক্সফোৰ্ড অভিধানত সোমাইছে। শব্দটোৰ অৰ্থ দিছে নিৰ্বিকাৰ, শিথিল আৰু সামাজিক নীতি-নিয়ম চিন্তা নকৰা ব্যক্তিক বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। মাৰাঠী ভাষাৰ পৰা উদ্ভৱ হোৱা এই শব্দটো হিন্দী ভাষাত সোমাইছিল।



একেদৰে খাকী (উৰ্দুৰ পৰা, অৰ্থাৎ ধূলিময় বা মাটিৰ ৰং), আৰু শাৰী আদি শব্দ অ'ফৰ্ড অভিধানত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় ৰীতি-নীতিৰ সন্মুখীন হোৱা ঔপনিৱেশিক প্ৰশাসক, সৈনিক, ভ্ৰমণকাৰীৰ জৰিয়তে এই শব্দবোৰ ইংৰাজীত প্ৰৱেশ কৰিছিল। অ'ফৰ্ড অভিধানত ভাৰতীয় শব্দই ভাৰতীয় সংস্কৃতিৰ সমৃদ্ধি আৰু ইয়াৰ বিশ্বব্যাপী প্ৰভাৱ প্ৰতিফলিত কৰিছে। একেদৰে বহুতো বিদেশী শব্দ বঙালী ভাষাতো সোমাইছে। কাজী আবদুল ওদুদৰ 'ব্যৱহাৰিক শব্দকোষ'ত বঙালী ভাষাত কেনেকৈ দেশী বিদেশী শব্দৰ সংযোজন হৈছে সেই বিষয়ে আছে।

শ্ৰীহৰিচৰণ বন্দ্যোপাধ্যায় দ্বাৰা সংকলিত বঙ্গীয় শব্দকোষৰ দুয়োটা খণ্ডতে প্ৰাচীন আৰু আধুনিক বাংলা শব্দ, প্ৰাদেশিক শব্দ, ব্যুৎপত্তি আৰু সংস্কৃত শব্দ, হিন্দী, মাৰাঠী, গুজৰাটী, সিন্ধি ইত্যাদিৰ সৈতে মিল থকা, মূল সংস্কৃত আৰু প্ৰাদেশিক ভাষাৰ শব্দ, জমিন্দৰী মহাজনী দৰবাৰৰ শব্দ, আৰবী আৰু পাৰ্চী শব্দ, ইংৰাজী শব্দ কেনেকৈ সোমাইছে তাৰ উদাহৰণ সৈতে আছে।

একে সময়তে ভাৰতীয় ভাষাই ইংৰাজী শব্দভাণ্ডাৰ গ্ৰহণ কৰিছিল। তাৰ আন এটা কাৰণ হ'ল সংবাদ মাধ্যমৰ প্ৰভাৱ। সংগীত, চিনেমা, দূৰদৰ্শন, সামাজিক মাধ্যমে বিদেশী শব্দ জনপ্ৰিয় কৰাত সহায় কৰিছে। বিশেষকৈ যুৱক-যুৱতীসকলে গীত বা সামাজিক মাধ্যমৰ প্ৰভাৱশালীসকলৰ প্ৰকাশভংগীৰ মাজত বিদেশী শব্দ গ্ৰহণ কৰাৰ প্ৰৱণতা থাকে, যিবোৰ প্ৰায়ে পিছলৈ সাধাৰণ দৈনন্দিন কথা-বতৰাৰ অংশ হৈ পৰে।

এক কথাত ক'ব পাৰি যে শব্দ ধাৰলৈ লোৱাটো ভাষাৰ বিৱৰ্তনৰ এক স্বাভাৱিক অংগ। কোনো ভাষায়েই সম্পূৰ্ণ বিশুদ্ধ বা বিচ্ছিন্ন নহয়। বিদেশী শব্দৰ অন্তৰ্ভুক্তিয়ে অভিযোজন ক্ষমতা আৰু ভাষা এটাৰ বৃদ্ধি আৰু পৰিৱৰ্তন হোৱাৰ ক্ষমতা প্ৰতিফলিত কৰে আৰু ভাষাসমূহক অধিক চহকী, অধিক নমনীয় আৰু বহল বিশ্বৰ সৈতে অধিক সংযুক্ত কৰি তোলে। এই ভাষিক মিশ্ৰণ সাংস্কৃতিক বৈচিত্ৰ্যৰ চিন আৰু সংস্কৃতিৰ দৰেই ভাষাও যে সদায় পৰিৱৰ্তিত হৈ থাকে তাৰ প্ৰমাণ বহন কৰে।

ভাৰতীয় খাদ্যই ইংৰাজী অভিধানত একাধিক শব্দৰ সংযোগ কৰিছিল। বিশেষকৈ ভাৰতীয় খাদ্যই সমগ্ৰ বিশ্বতে জনপ্ৰিয়তা লাভ কৰাৰ লগে লগে তৰকাৰী, চাটনি, তন্দুৰী, বিৰিয়ানী, মছলা আদি শব্দ বিশ্বজুৰি ঘৰুৱা শব্দ হৈ পৰিছে। এই ৰান্ধনীশালৰ শব্দবোৰে কেৱল ভাৰতীয় খাদ্যক প্ৰতিনিধিত্ব কৰাই নহয় ভাৰতীয় মছলা আৰু ৰন্ধন পদ্ধতিৰ বৈচিত্ৰ্য আৰু সমৃদ্ধিও প্ৰদৰ্শন কৰে।

ভাৰতৰ ৰাষ্ট্ৰভাষা হিন্দীৰ ভাষিক ঐতিহ্য চহকী আৰু বৈচিত্ৰ্যময়। বিভিন্ন সংস্কৃতি আৰু ভাষাৰ সৈতে হোৱা পাৰস্পৰিক ক্ৰিয়াৰ জৰিয়তে ইয়াৰ বিকাশ শতিকা জুৰি হৈছে। হিন্দীৰ ওপৰত পৰা বহুতো প্ৰভাৱৰ ভিতৰত আৰবী আৰু উৰ্দুই বিশেষকৈ শব্দভাণ্ডাৰ, সাহিত্য আৰু দৈনন্দিন বাক্যৰ ক্ষেত্ৰত উল্লেখযোগ্য স্থান লাভ কৰিছে।

হিন্দীত আৰবী আৰু উৰ্দু ভাষাৰ প্ৰভাৱ ভাৰতত বিশেষকৈ দিল্লী চুলতান আৰু মোগল যুগত ইছলামিক শাসকসকলৰ আগমনৰ পৰাই আৰম্ভ হৈছিল। আৰবী ভাষাই মূলতঃ ধৰ্মীয়, পণ্ডিত আৰু প্ৰশাসনিক গ্ৰন্থৰ জৰিয়তে উপমহাদেশখনত প্ৰৱেশ কৰিছিল, আনহাতে উৰ্দু ভাষাই পাৰ্চী, আৰবী, তুৰ্কী আৰু স্থানীয় উপভাষাৰ উপাদানসমূহৰ সংমিশ্ৰণেৰে এক সংমিশ্ৰণমূলক ভাষা হিচাপে বিকশিত হৈছিল।

মূলতঃ ধৰ্ম, প্ৰশাসন, শিক্ষাৰ ক্ষেত্ৰত আৰবী ভাষাই হিন্দী ভাষাৰ শব্দভাণ্ডাৰত যথেষ্ট অৰিহণা যোগাইছিল। কিতাব (কিতাপ), ইলম (জ্ঞান), তাৰিখ (ইতিহাস), হুকুমত (চৰকাৰ), আৰু ইনছাফ (ন্যায়) আদি শব্দ আজি হিন্দীত বহুলভাৱে ব্যৱহাৰ কৰা হয়। অথচ ব্যৱহাৰকাৰীয়ে ইয়াৰ আৰবী উৎপত্তিৰ কথা আজি উপলব্ধি নকৰে। কেতবোৰ শব্দ পাৰ্চী আৰু উৰ্দুৰ যোগেদি হিন্দীলৈ আহিছিল, ভাষিক সেতু হিচাপে কাম কৰিছিল।

হিন্দীৰ সাংস্কৃতিক ভাতৃ বুলি অভিহিত কৰা উৰ্দুৰ ব্যাকৰণগত গাঁথনি হিন্দীৰ সৈতে বেলেগ যদিও যুগ যুগ ধৰি চলি থকা সহাৱস্থান আৰু সাংস্কৃতিক আদান-প্ৰদানৰ বাবে বহু উৰ্দু শব্দ হিন্দীলৈ বিয়পি পৰিছে। হিন্দী সাহিত্য, চিনেমা, সংগীত, আৰু দৈনন্দিন কথা-বতৰাত মহব্বত (প্ৰেম), দিল (হৃদয়), শুক্ৰিয়া (ধন্যবাদ), জিন্দাগী (জীৱন), আৰু খুছি (সুখ) আদি শব্দৰে ভৰি থাকে। উৰ্দু ভাষাৰ গীতিময় গুণ আৰু কাব্যিক স্বৰূপে প্ৰকাশভংগী আৰু আৱেগিক প্ৰসংগত এই শব্দবোৰ বিশেষভাৱে জনপ্ৰিয় কৰি তুলিছে। উৰ্দু ভাষাটো হিন্দী শব্দ সোমাইছে।

আৰবী আৰু উৰ্দু শব্দৰ অন্তৰ্ভুক্তিয়ে হিন্দী ভাষাৰ প্ৰকাশভংগীৰ ক্ষমতা সমৃদ্ধ কৰিছে। ইয়াৰ ফলত যোগাযোগৰ ক্ষেত্ৰত অধিক সূক্ষ্মতা, আড়ম্বৰ আৰু বৈচিত্ৰ্যৰ সুবিধা হৈছে। হিন্দী কবিতা, বলীউডৰ গীত, আনকি ৰাজনৈতিক ভাষণতো উৰ্দু শব্দভাণ্ডাৰৰ ব্যৱহাৰে গভীৰতা বৃদ্ধি কৰে। তদুপৰি, এই ভাষিক মিশ্ৰণ ভাৰতৰ সংমিশ্ৰিত সংস্কৃতি আৰু বহুত্ববাদৰ ইতিহাসৰ প্ৰতীক।

সমসাময়িক সময়ত ভাষাৰ বিশুদ্ধতা আৰু "শুদ্ধ হিন্দী" (বিশুদ্ধ হিন্দী) আৰু "হিন্দুস্তানী" (হিন্দী আৰু উৰ্দুৰ মিশ্ৰণ)ৰ মাজত পাৰ্থক্যক লৈ বিতৰ্ক বাঢ়িছে। কিছুমানে সংস্কৃত হিন্দীৰ পোষকতা কৰিলেও বাস্তৱতা হ'ল সাধাৰণ মানুহৰ ভাষা— ঘৰ, ৰাজপথ, ছবিত কোৱা হিন্দী—আৰবী আৰু উৰ্দু শব্দৰে প্ৰচুৰ সোৱাদযুক্ত প্ৰাকৃতিক মিশ্ৰণ হৈয়েই আছে।

হিন্দীত আৰবী আৰু উৰ্দু শব্দৰ উপস্থিতি কেৱল ভাষিক বৈশিষ্ট্য নহয়; ই ভাৰতীয় উপমহাদেশৰ সম্প্ৰদায়সমূহক বান্ধি ৰখা ঐতিহাসিক, সাংস্কৃতিক আৰু আৱেগিক সম্পৰ্কৰ প্ৰমাণ। এই ভাষিক সংযোজনে ভাৰতৰ বৈচিত্ৰ্যৰ ঐক্যক প্ৰতিফলিত কৰে। এনে আদান-প্ৰদানৰ জৰিয়তে ভাষাৰ বিকাশ হয় আৰু হিন্দী ভাষা এই গতিশীল বিৱৰ্তনৰ এক সজীৱ উদাহৰণ। অসমীয়া ভাষাত বহু শব্দ বিভিন্ন ভাষাৰ পৰা আহি বিভিন্ন সময়ত সোমাইছে আৰু এতিয়া ভাষাৰ অংশ হৈ পৰিছে। বিশেষভাৱে ইংৰাজী, হিন্দী, বাংলা, ফৰাচী, উৰ্দু, আৰবী আদি ভাষাৰ শব্দ অসমীয়া অভিধানত সোমাইছে। এই শব্দবোৰ আজি অসমীয়া শব্দভাণ্ডাৰৰ এটা অবিচ্ছেদ্য অংগ হৈ পৰিছে।

অসমীয়া ভাষাত বিদেশী শব্দৰ কিছু উদাহৰণ এনেধৰণৰঃ ইংৰাজীৰ পৰা আহিছে টেবুল, কলেজ, চুপ, কাপ-প্লেট, কম্পিউটাৰ, স্কেল, টাৱেল, ৱাইন, পেন, চিনেমা, টেলিভিছন, মোবাইল, চফ্‌টৱেৰ, মাউচ, কাউণ্টাৰ, পিকনিক, পিপা, পিৰিয়ড, পিৰামিড, পাৰমিট, পাছপ'ৰ্ট, ভিছা, হস্পিতাল, টাইম, ফেইচ, ফে'চ, টে'প, ৰে'ল, ম'বাইল ফোন, ইঞ্জিনিয়াৰিং, ডাক্তৰ, অটোৰিক্সা, ব্ৰিটিছ, বটল, বুটাম, লাইট, টিউব, টাউন, কমিটি, ষ্টেডিয়াম, ডাষ্টবিন, ৰেষ্টুৰেণ্ট, প্লাষ্টাৰ, ট্ৰেইন, মেজিষ্ট্ৰেট, চনেট, পেইণ্টিং, পইণ্ট, আইচক্ৰীম, ইণ্টাৰনেট, ইণ্টাৰভিউ, উইল ইত্যাদি। জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহ এতিয়া অসমীয়া হ'ল। হিন্দীৰ পৰা আহিছে হোটেল, পাৰ্টি, বাজেট, পিষ্টলৱালী, মাষ্টাৰ বাবু আদি। বঙালীৰ পৰা দোকান, বাজাৰ, কথা আদি। ফৰাচীৰ পৰা কেফে, মি'ৰ, মিষ্টেক আদি।

আৰবী আৰু ফাৰ্চী শব্দৰ পৰা অসমীয়া ভাষাত সোমোৱা শব্দৰ ভিতৰত আছে আইন, আইনা, অজুহাত (ৱজুহাত), আমানত, আলবৎ (আলবত্তাহ), আউল (ৱলি), আখেজ (আখজ), আঙুৰ, আখৰুট, আচবাব, আজব, আজান, অতাচবাজী, আতৰ, আদায়, আন্দাজ, আপোচ, আফিং, আবকাৰী, আবে, আৰ্জী, আৰাম, আলমাৰী, আদালত, মগবিৰ, ইমান, ইলাহী, ইস্তফা, একচনীয়া, এক্তিয়াৰ, এজাহাৰ, ওজন (ৱজন), ওজৰ, ওস্তাদ, ওকালতি, কইদ, কয়েদী, কটোৱাল, কদৰ, কবজা, কবৰ, কলপ, কয়েদী, কাকা, কাজিয়া (কইজহ), কানানগো, কলম, কাবাব, কাবিল, কাৰখানা, কাৰিকৰ, কালিয়া (মাছৰ আঞ্জাৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা), কায়দা, কুস্তি, কিতাপ, কাগজ, খচৰা, খবৰ, খবৰদাৰ, খৰচ, খাছ, খাতা, খানা, খাৰিজ, খালাচী, খালাছ, খালি, খিয়াল, খোদ, খোদা, গজল, গায়েব, গিলিপ, গুলাল (আবিৰ), গোলাম, গোলাপ, চহৰ, চামিল, চালগোম, চাহাব, চিৰস্তাদাৰ, চিনাক্ত, চিপাহী, চেহেৰা, জবানবন্দী, জমা, জৰিমনা, জিম্মা, দোৱাত, খাজনা, জামিন, তদবিৰ, তফাৎ, তবলা, তৰমুজ, তহবিল, তলব, তানপুৰা, তামাম, তাৰিখ, তালাক, তালাচী, তালিকা, তোপ, দফণ, দৰকাৰ, দৰবাৰ, দৰগাহ, দাখিল, দাবী, দিগদাৰি, দেনা, দেমাক, নকল, ন'া, নগদ, নবিচ, নাল, নিচা, ঈদ, ৰোজা, নামাজ, জাহাজ, দোৱা, , পৰব, চৈয়দ, ফকীৰ, নিকাহ, জিকিৰ, দুনিয়া, ফিৰিস্তা, মিয়াদী, পোলাও, জিলাপী, কমিনা, বৰফি, বদজাত, হৰামজাদা, উকীল, কৈফিয়ৎ, বাহাল, বাইনা, বকেয়া, বাজে, বেআইনী, মক্কেল, মকামিলা, মনিহাৰী, মজবুত, মছলা, মজুত, মফচল, মহকুমা, মহৰী, মহল, মগনিয়া, মানে, মামলা, ম্যাদ, মুচুলুকা, মুজৰিম, মুন্সিফ, মুনাফা, ৰপ্তানি, ৰকম, শিকদাৰ, হক, হজম, হাৰামি, হাৰাম, হালোৱা (চুজিৰে প্ৰস্তুত কৰা সুস্বাদু খাদ্য), হাৱালাত, চৰজমিন, ইজ্জত, ইন্তেকাল, ৰোজগাৰ, দালাল, বুনিয়াদ, দেৱাল, তক্তা, দালান, দাৱাই, জুলাপ, পাইকাৰী, লেফাফা, দৰ্জা, মজবুত, তালিম, তজৰ্মা, তামাচা, তাগিদা, দস্তখত, দৰ্জি, কামিজ, মেৰামতি, তম্বু, গ্ৰেপ্তাৰ, চেহেৰা, মালিচ, দোকান, ফন্দি, ফতোৱা, ফোৱাৰা আদি। অসমীয়া মুছলমান সমাজৰ বিয়ানাম, যোৰানাম আদিত উৰ্দ্দু, ফাৰ্চী আৰু আৰবী শব্দ পোৱা যায়।

এনে উদাহৰণ অনেক আছে। ফ্ৰেঞ্চ, ওলন্দাজ, পৰ্টুগীজ আদিৰ দুই চাৰিটা শব্দও প্ৰৱেশ কৰিছে। যেনে- কাৰ্তিজ, কুপন, চাবোন, হৰ্তন, ৰোহিতন, ইস্কাপন, বুটাম, ৰিক্সা আদি। বৰ্তমান দৈনন্দিন আমাৰ জীৱনৰ অংশ হৈ পৰা এই শব্দবোৰে ভাৰত তথা বিশ্বৰ সাংস্কৃতিক সংযোগৰ এক দীঘলীয়া ইতিহাসৰ সোঁৱৰণী হিচাপে কাম কৰে তাক আদৰণি জনোৱাৰ বিকল্প নাই। তথাপি সাৱধান হব লাগিব যে, নিজৰ ভাষাটোত প্ৰকাশ কৰিব পৰা যদি শব্দ থাকে তেতিয়া যাতে বিদেশী শব্দ ধাৰ কৰি প্ৰকাশ নকৰে। কাৰণ তেনে কৰিলে নিজৰ ভাষাৰ কালিকা লগা, সোণসেৰীয়া শব্দবোৰ অকালতে হেৰাই যাব।

# ব্ৰিটিছৰ বিভাজন আৰু শাসন নীতি আৰু অসমৰ বৰ্তমান পৰিস্থিতিত ইয়াৰ প্ৰভাৱ

## চন্দন কুমাৰ নাথ

ব্ৰিটিছৰ ঔপনিৱেশিক শাসনৰ ইতিহাস বিশ্বৰ বিভিন্ন প্ৰান্তত ইয়াৰ দীৰ্ঘম্যাদী প্ৰভাৱৰ বাবে সুপৰিচিত। ভাৰতবৰ্ষত ব্ৰিটিছৰ শাসনকালত প্ৰৱৰ্তিত "বিভাজন আৰু শাসন" (Divide and Rule) নীতিয়ে সমাজৰ বিভিন্ন স্তৰত গভীৰ প্ৰভাৱ পেলাইছিল, আৰু অসমৰ ক্ষেত্ৰতো এই নীতিৰ প্ৰভাৱ অতি তাৎপৰ্যপূৰ্ণ আছিল। এই নীতিৰ জৰিয়তে ব্ৰিটিছ শাসকসকলে বিভিন্ন জাতি, ধৰ্ম, আৰু সম্প্ৰদায়ৰ মাজত বিভেদ সৃষ্টি কৰি নিজৰ শাসনৰ ভিত্তি সুদৃঢ় কৰিছিল। অসমৰ সামাজিক, সাংস্কৃতিক, আৰু ৰাজনৈতিক জীৱনত এই নীতিৰ প্ৰভাৱ আজিও পৰিলক্ষিত হয়, যাৰ ফলত বৰ্তমানৰ কিছু জটিল সমস্যাৰ সৃষ্টি হৈছে।

ব্ৰিটিছ ঔপনিৱেশিক শাসকসকলে ভাৰতবৰ্ষত নিজৰ ক্ষমতা ধৰি ৰাখিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰিছিল, আৰু তাৰ ভিতৰত "বিভাজন আৰু শাসন" নীতি আছিল অন্যতম। এই নীতিৰ মূল উদ্দেশ্য আছিল স্থানীয় জনগণৰ মাজত বিভেদ সৃষ্টি কৰি তেওঁলোকৰ ঐক্য নষ্ট কৰা, যাতে শাসকৰ বিৰুদ্ধে সংঘবদ্ধ প্ৰতিৰোধ গঢ়ি নুঠে। ধৰ্ম, জাতি, ভাষা, আৰু অঞ্চলৰ ভিত্তিত সম্প্ৰদায়সমূহৰ মাজত সংঘাতৰ বীজ বপন কৰি ব্ৰিটিছসকলে নিজৰ শাসনৰ ভিত্তি শক্তিশালী কৰিছিল। অসমৰ ক্ষেত্ৰত এই নীতিৰ প্ৰয়োগ বিশেষভাৱে লক্ষণীয় আছিল, কাৰণ অসমৰ জাতিগত আৰু ভাষিক বৈচিত্ৰ্য এই নীতিৰ বাবে এক উৰ্বৰ ক্ষেত্ৰ প্ৰদান কৰিছিল। ১৮২৬ চনত ইয়াণ্ডাবুৰ সন্ধিৰ জৰিয়তে অসম ব্ৰিটিছৰ শাসনাধীন হয়। তাৰ পিছত ব্ৰিটিছসকলে অসমৰ সামাজিক আৰু অৰ্থনৈতিক গাঁথনিত বহুতো পৰিৱৰ্তন আনিছিল। তেওঁলোকে অসমৰ জনগণৰ মাজত বিভেদ সৃষ্টিৰ বাবে বিভিন্ন কৌশল গ্ৰহণ কৰিছিল, য'ত আছিল ভাষিক বিভাজন, অঞ্চলভিত্তিক বিচ্ছিন্নতা, আৰু অৰ্থনৈতিক শোষণৰ নীতি। এই নীতিসমূহে অসমৰ জনগণৰ মাজত দীৰ্ঘম্যাদী বিভেদৰ সৃষ্টি কৰিছিল, যাৰ প্ৰভাৱ আজিও অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত পৰিলক্ষিত হয়।

অসমত ব্ৰিটিছৰ বিভাজন নীতিৰ প্ৰয়োগ বহুমুখী আছিল। প্ৰথমতে, তেওঁলোকে অসমৰ ভাষিক আৰু জাতিগত বৈচিত্ৰ্যক ব্যৱহাৰ কৰি বিভিন্ন সম্প্ৰদায়ৰ মাজত বিভেদ সৃষ্টি কৰিছিল। উদাহৰণস্বৰূপে, ১৮৩৭ চনত ব্ৰিটিছসকলে অসমীয়া ভাষাৰ ঠাইত বাংলা ভাষাক অসমৰ শিক্ষা আৰু প্ৰশাসনৰ মাধ্যম হিচাপে প্ৰৱৰ্তন কৰিছিল। এই সিদ্ধান্তই অসমীয়া জনগণৰ মাজত অসন্তোষৰ সৃষ্টি কৰিছিল আৰু অসমীয়া ভাষা-ভাষী লোকসকলৰ মাজত নিজৰ পৰিচয়ৰ প্ৰতি সচেতনতা বৃদ্ধি পাইছিল। এই পদক্ষেপৰ ফলত অসমীয়া আৰু বাঙালী সম্প্ৰদায়ৰ মাজত এক ধৰণৰ বিচ্ছেদৰ ভাৱৰ জন্ম হৈছিল, যাৰ প্ৰভাৱ পৰৱৰ্তী সময়তো লক্ষ্য কৰা যায়। ইয়াৰ উপৰিও, ব্ৰিটিছসকলে অসমৰ চাহ বাগিচা শিল্পৰ বাবে বিহাৰ, উৰিষ্যা, আৰু অন্যান্য অঞ্চলৰ পৰা শ্ৰমিক আমদানি কৰিছিল। এই শ্ৰমিকসকলক "চাহ-জনজাতি" বা "আদিবাসী" হিচাপে চিহ্নিত কৰা হৈছিল, আৰু তেওঁলোকক স্থানীয় অসমীয়া জনগণৰ পৰা পৃথকভাৱে বাগিচাৰ নিৰ্দিষ্ট অঞ্চলত বসতি স্থাপন কৰোৱা হৈছিল। এই নীতিয়ে অসমৰ জনগোষ্ঠীৰ মাজত এক ধৰণৰ সামাজিক বিচ্ছিন্নতাৰ সৃষ্টি কৰিছিল। চাহ-জনজাতিৰ সাংস্কৃতিক আৰু ভাষিক পৰিচয় স্থানীয় অসমীয়া জনগণৰ পৰা পৃথক হোৱাৰ বাবে তেওঁলোকৰ মাজত এক ধৰণৰ পৃথকতাবাদী চেতনাৰ জন্ম হৈছিল, যাৰ ফলত পৰৱৰ্তী সময়ত জাতিগত সংঘাতৰ সৃষ্টি হৈছে। অঞ্চলভিত্তিক বিভাজনৰ ক্ষেত্ৰতো ব্ৰিটিছসকলে অসমৰ পাহাৰীয়া আৰু সমতলৰ জনগণৰ মাজত বিভেদৰ বীজ ৰোপণ কৰিছিল। তেওঁলোকে পাহাৰীয়া অঞ্চলসমূহক "এক্সক্লুডেড এৰিয়া" হিচাপে ঘোষণা কৰি ইয়াৰ জনজাতিসকলক সমতলৰ জনগণৰ পৰা পৃথক কৰি ৰাখিছিল। এই নীতিৰ ফলত খাচি, গাৰো, নাগা, আৰু অন্যান্য জনজাতিসকলৰ মাজত এক ধৰণৰ পৃথকতাবাদী মনোভাৱৰ জন্ম হৈছিল, যাৰ প্ৰভাৱ পৰৱৰ্তী সময়ত পাহাৰীয়া অঞ্চলসমূহৰ স্বায়ত্তশাসনৰ দাবীৰ ৰূপত প্ৰকাশ পাইছিল।



ব্ৰিটিছৰ বিভাজন আৰু শাসন নীতিৰ প্ৰভাৱ অসমৰ বৰ্তমানৰ সামাজিক, ৰাজনৈতিক, আৰু অৰ্থনৈতিক পৰিস্থিতিত স্পষ্টভাৱে পৰিলক্ষিত হয়। অসমৰ জনগোষ্ঠীৰ মাজত জাতিগত আৰু ভাষিক বিভেদৰ ফলত সৃষ্ট সংঘাত আজিও অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ এক গুৰুত্বপূৰ্ণ দিশ। উদাহৰণস্বৰূপে, অসমীয়া আৰু বাঙালী সম্প্ৰদায়ৰ মাজত ভাষিক আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰশ্ন এতিয়াও এক জটিল সমস্যা হৈয়ে আছে। অসমীয়া ভাষাৰ প্ৰাধান্যৰ প্ৰশ্ন আৰু বাঙালী ভাষাভাষী জনগণৰ সাংস্কৃতিক অধিকাৰৰ দাবীৰ মাজত সংঘাতৰ সৃষ্টি হৈছে, যাৰ শিপা ব্ৰিটিছৰ ভাষিক বিভাজন নীতিত পোৱা যায়। ইয়াৰ উপৰিও, চাহ-জনজাতিৰ পৰিচয় আৰু অধিকাৰৰ প্ৰশ্ন অসমৰ বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিত এক গুৰুত্বপূৰ্ণ বিষয়। ব্ৰিটিছৰ দিনত চাহ বাগিচাৰ শ্ৰমিক হিচাপে আমদানি কৰা এই জনগোষ্ঠীয়ে আজি নিজৰ পৰিচয় আৰু অধিকাৰৰ বাবে সংগ্ৰাম কৰি আছে। তেওঁলোকৰ মাজত "অনুসূচিত জনজাতি"ৰ মৰ্যাদাৰ দাবী আৰু স্থানীয় অসমীয়া জনগণৰ সৈতে সম্পৰ্কৰ প্ৰশ্নই জটিলতাৰ সৃষ্টি কৰিছে। এই সমস্যাৰ শিপাও ব্ৰিটিছৰ শ্ৰমিক আমদানিৰ নীতিত পোৱা যায়, যিয়ে অসমৰ জনগোষ্ঠীৰ মাজত এক ধৰণৰ সামাজিক বিচ্ছিন্নতাৰ সৃষ্টি কৰিছিল। পাহাৰীয়া আৰু সমতলৰ জনগণৰ মাজত বিভেদৰ ফলত সৃষ্ট স্বায়ত্তশাসনৰ দাবীও ব্ৰিটিছৰ বিভাজন নীতিৰ এক ফলাফল। বড়ো, কাৰ্বি, ডিমাছা, আৰু অন্যান্য জনজাতিসকলে নিজৰ স্বায়ত্তশাসনৰ বাবে সংগ্ৰাম কৰি আছে, যাৰ ফলত অসমত জাতিগত সংঘাতৰ সৃষ্টি হৈছে। বড়োলেণ্ডৰ দৰে স্বায়ত্তশাসিত অঞ্চলৰ সৃষ্টিৰ পিছতো এই সংঘাত সম্পূৰ্ণৰূপে নিৰ্মূল হোৱা নাই। ব্ৰিটিছৰ "এক্সক্লুডেড এৰিয়া" নীতিয়ে এই জনজাতিসকলৰ মাজত পৃথকতাবাদী চেতনাৰ জন্ম দিছিল, যাৰ ফলত আজিও অসমৰ ৰাজনৈতিক স্থিতিশীলতাৰ ওপৰত প্ৰভাৱ পৰিছে। ব্ৰিটিছৰ বিভাজন নীতিৰ অৰ্থনৈতিক প্ৰভাৱো অসমৰ বৰ্তমানৰ পৰিস্থিতিত পৰিলক্ষিত হয়। চাহ শিল্পৰ বিকাশৰ জৰিয়তে ব্ৰিটিছসকলে অসমৰ অৰ্থনীতিক ঔপনিৱেশিক শোষণৰ এক অংশ কৰি তুলিছিল। স্থানীয় জনগণৰ পৰা সম্পদ আহৰণ কৰি ব্ৰিটিছসকলে অসমৰ অৰ্থনৈতিক গাঁথনিক দুৰ্বল কৰি তুলিছিল। আজিও অসমৰ অৰ্থনীতিৰ পিছপৰা অৱস্থাৰ পিছত ব্ৰিটিছৰ এই শোষণমূলক নীতিৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি।

ব্ৰিটিছৰ বিভাজন আৰু শাসন নীতিয়ে অসমৰ সামাজিক, ৰাজনৈতিক, আৰু অৰ্থনৈতিক জীৱনত গভীৰ প্ৰভাৱ পেলাইছে। এই নীতিৰ ফলত সৃষ্ট জাতিগত, ভাষিক, আৰু অঞ্চলভিত্তিক বিভেদে অসমৰ জনগণৰ মাজত ঐক্যৰ অভাৱৰ সৃষ্টি কৰিছে। বৰ্তমানৰ পৰিস্থিতিত এই বিভেদৰ ফলত জাতিগত সংঘাত, ভাষিক বিতৰ্ক, আৰু স্বায়ত্তশাসনৰ দাবীৰ দৰে সমস্যাৰ সৃষ্টি হৈছে। অসমৰ জনগণে এই ঐতিহাসিক বিভেদৰ পৰা শিক্ষা লৈ ঐক্য আৰু সহযোগিতাৰ ভিত্তিত এক সমৃদ্ধিশালী ভৱিষ্যত গঢ়ি তুলিবলৈ চেষ্টা কৰাটো অতি জৰুৰী। ব্ৰিটিছৰ শাসনকালৰ এই নীতিৰ প্ৰভাৱৰ পৰা মুক্তি পাই অসমৰ জনগণে নিজৰ সাংস্কৃতিক আৰু জাতিগত বৈচিত্ৰ্যক এক শক্তি হিচাপে গঢ়ি তুলিব পাৰে, যিয়ে অসমক এক সমন্বিত আৰু সমৃদ্ধিশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠিত কৰিব।

*লেখকৰ ঠিকনা ঃ সৰভোগ, বৰপেটা*

# পৰিৱেশ ধ্বংসই বিকাশৰ মাপকাঠি হৈ পৰিছে নেকি ?

## তাপস মালী

বৰ্তমান সময়ত ৰাজ্যত ব্যাপক হাৰত নিৰ্মাণৰ কাম-কাজ চলি আছে। ৰাস্তা-ঘাটৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ অফিচ-কাছাৰী, হাস্পতাল আদি নিৰ্মাণৰ কাম দ্ৰুতগতিত চলি থকা আমি সকলোৱে দেখিবলৈ পাইছো। এই সমূহৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে নিশ্চয়কৈ ই আমাৰ জীৱন-যাপনৰ মানদণ্ড পূৰ্বতকৈ উন্নত কৰিব। কিন্তু একেটা সময়তে আমি এই বিকাশৰ বাবে বহন কৰিবলগীয়া ক্ষতিসমূহৰো সূক্ষ্মভাৱে মূল্যাংকন কৰা উচিত।

বিকাশৰ দোহাই দি আৰম্ভ কৰা এই কাম-কাজবোৰৰ বাবে বৰ্তমান সময়ত অলেখ গছ-গছনি কাটি তহিলং কৰা হৈছে, বহুতো পাহাৰৰ পৰা মাটি কাটি সেইবোৰ লঠঙা কৰা হৈছে, বহুতো জলাশয় পুতি পেলোৱা হৈছে। এইবোৰৰ ফলত বৰ্তমান সময়ত আমাৰ পৰিৱেশত ইয়াৰ নেতিবাচক প্ৰভাৱবোৰ লাহে লাহে পৰিস্ফুত হ'বলৈ আৰম্ভ কৰিছে।

বৰ্তমান সময়ত গুৱাহাটীৰ বায়ুমণ্ডল যথেষ্ট প্ৰদূষিত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত মানুহ বিভিন্ন শ্বাস-প্ৰশ্বাসজনিত অসুবিধাত ভোগা দেখিবলৈ পোৱা গৈছে। সৌ সিদিনা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত প্ৰায় ২৪টা শিশুক শ্বাস-প্ৰশ্বাসজনিত অসুবিধাৰ বাবে ভৰ্তি কৰোৱা হৈছিল। এয়া মাথোঁ আৰম্ভণিহে, যদি সময় থাকোঁতে ইয়াৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাযায়, তেতিয়াহ'লে অনাগত সময়ত বায়ু প্ৰদূষণে ভয়ংকৰ ৰূপ ধাৰণ কৰিব।

আকৌ, গছ-গছনি, হাবি-পাহাৰ কাটি তহিলং কৰাৰ ফলত বায়ুমণ্ডলত উষ্ণতা বৃদ্ধি পাইছে, যিয়ে বহুতো সমস্যাৰ সৃষ্টি কৰিছে। অধিক উত্তাপ বৃদ্ধিৰ ফলত কৃষিজাত সামগ্ৰীসমূহৰো উৎপাদন হ্ৰাস পাইছে যাৰ ফলত কৃষকসকলে লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। আনফালে হাবি-পাহাৰ ধ্বংস কৰাৰ ফলত বন্য প্ৰাণীবোৰৰ বাসস্থান ধ্বংস হোৱাৰ লগতে খাদ্য সামগ্ৰীৰ নাটনি হৈছে, যাৰ ফলত তেওঁলোক খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই আহিবলগীয়া হৈছে। ফলত বন্যপ্ৰাণী আৰু মানুহৰ মাজত হোৱা সংঘাত নিত্য নৈমিত্তিক ঘটনালৈ পৰিণত হৈছে আৰু ধন-জনৰ ব্যাপক ক্ষতিসাধন হৈছে। এটা বিষয়ত বন বিভাগ আছে যদিও তত এইবোৰ ক্ষেত্ৰত বিশেষ সক্ৰিয় ভূমিকা দেখিবলৈ পোৱা নাযায়।

আকৌ, ৰাস্তা-ঘাট নিৰ্মাণৰ নামতেই হওক বা অট্টালিকা নিৰ্মাণৰ নামতেই হওক জলাশয়বোৰ পুতি পেলোৱাৰ ফলত বৰষুণৰ পানীবোৰ ৰাস্তালৈ উঠি আহে যাৰ ফলত কৃত্ৰিম বানপানীৰ সমস্যা বৰ্তমান সময়ত যথেষ্ট পৰিমাণে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত সৃষ্টি হোৱা আনুষংগিক সমস্যা যেনে-ব্যাপক যান-জঁট আদিয়ে মানুহৰ জীৱনত যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছে।

বৰ্তমান সময়ত অকল নিৰ্মাণকে বিকাশ বুলি ভবা মনোভাৱৰ বাবে আমাৰ সমাজে এনেবোৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। প্ৰতিখন সমাজকে বিকাশৰ প্ৰয়োজন। কিন্তু বিকাশ বুলি ক'লেই সঠিক পৰিকল্পনা অবিহনে যধে-মধে নিৰ্মাণৰ কাম আৰম্ভ কৰিলে পৰিৱেশৰ লগতে কৰদাতাৰ টকা অবাবত ব্যয় হোৱাৰ বাদে অন্য একো নহয়।

আকৌ, বিকাশৰ ধাৰণাতো ঠাইভেদে বেলেগ, গতিকে আমি সেই কথাটোৰো মগজুত লৈ আগবাঢ়িব লাগিব। কোনো এখন ঠাইৰ বাবে বিকাশৰ যি সংজ্ঞা, আন এখন ঠাইৰ বাবে বিকাশৰ সেই সংজ্ঞা গ্ৰহণযোগ্য নহ'বও পাৰে। উদাহৰণস্বৰূপে, যদি এখন ঠাইত ৰাস্তা-ঘাট নাই, সেই ঠাইত ৰাস্তা-ঘাট নিৰ্মাণ কৰাটো বিকাশ বুলি আমি ক'ব পাৰো। কিন্তু যদিহে কোনোবাই ৰাস্তা-ঘাটৰ ঠাইত মহানগৰৰ দৰে ডাঙৰ স্বৰ্পিং মল বা কে এফ চি'ৰ দৰে দোকান খোলে, তেন্তে তাক নিশ্চয়কৈ বিকাশ বুলি ক'ব পৰা নাযাব। প্ৰতিখন চৰকাৰে সেই ঠাই বা ৰাজ্যৰ বিকাশৰ বাবে কাম কৰে বা কৰিব বিচাৰে। জনসাধাৰণেও নিশ্চয়কৈ চৰকাৰৰ কাম-কাজৰ পৰাই এখন চৰকাৰক মূল্যায়ন কৰে। কোন চৰকাৰৰ দিনত ৰাইজে ভাল হাস্পতাল, ৰাস্তা-ঘাট, অফিছ-কাছাৰী, স্কুল আদি লাভ কৰিলে সেয়া ৰাইজে লক্ষ্য কৰি থাকে। গতিকে চৰকাৰসমূহেও পাৰ্যমানে এই দিশসমূহৰ ওপৰত কাম কৰাৰ চেষ্টা কৰে যাতে তেওঁলোকৰ দলে নিৰ্বাচনত ভাল ফলাফল পাব পাৰে।

কিন্তু বিকাশৰ এই ধামখুমীয়াত আমি পৰিৱেশৰ কথাও পাহৰি যাব নালাগিব। বিকাশ আমাৰ বাবে প্ৰয়োজনীয়, কিন্তু সকলোতকৈ প্ৰয়োজনীয় বস্তুটোৱেই হ'ল জীৱন। যদি অত্যধিক বিকাশৰ ফলত আমি ভালদৰে জীৱনটোৱেই উপভোগ কৰিব নোৱাৰো, তেন্তে তেনে বিকাশৰ প্ৰয়োজনেই বা কি?

গতিকে কেৱল পৰিৱেশ ধ্বংস কৰি ব্যাপক হাৰত কৰা নিৰ্মাণেই কেতিয়াও বিকাশৰ একমাত্ৰ মাপকাঠি হ'ব নোৱাৰে। যি বিকাশে নিজৰ লগত বায়ু প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি, কৃত্ৰিম বানপানী, বন্যপ্ৰাণী-মানুহৰ সংঘাতৰ লগতে আৰু বিভিন্ন ধৰণৰ সমস্যা কঢ়িয়াই আনে তেনে বিকাশ নিশ্চয়কৈ মানুহক বাবে সঠিক নহয়।

সেয়ে আমি আমাৰ সমাজ আৰু পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি বিকাশৰ বাবে উচিত পদক্ষেপ গ্ৰহণ কৰিব লাগে যাতে সেই বিকাশে প্ৰকৃতাৰ্থত মানৱ জাতিৰ বিকাশ সাধন কৰে আৰু লগতে পৰিৱেশো সুৰক্ষিত হৈ থাকে। তেতিয়াহে আমি প্ৰকৃতাৰ্থত বিকাশৰ সুফল লাভ কৰিব পাৰিম।

# জাৰ্ণাল এম্প'ৰিয়ামৰ দ্বাৰা প্ৰকাশিত অনবদ্য উপন্যাস আশীৰ্বাদৰ ৰং

কিতাপ নামৰ তিনিটা আখৰৰ এই শব্দটিতেই নিহিত থাকে অলেখ মহত্ত্ব। কিতাপ শব্দটিয়ে যেন বহন কৰি আনে প্ৰজ্ঞাৰ অনুপম ভাণ্ডাৰ, সম্ভাৱনাৰ আকৰ আৰু সৃষ্টিৰ সম্ভাৰ। আমেৰিকান ঔপন্যাসিক আৰ্নেষ্ট হেমিংৱে'ই কৈছিল যে- "There is no friend as loyal as book." সঁচাকৈ কিতাপ আমাৰ বাস্তৱ জীৱনৰ অন্যতম দৰকাৰী বন্ধু। এই বান্ধৱৰ সহায়ৰ পৰশত জীৱনৰ কণ্টকময় ক্লান্ত পথছোৱা আমি হেলাৰঙে পাৰ কৰিব পাৰোঁ। এক কথাত ক'বলৈ গ'লে অভিজ্ঞতাৰ সঞ্চয় কৰায়, জ্ঞানৰ বন্তি জ্বলায় আৰু লগতে একো একোখন গ্ৰন্থই ভৱিষ্যত অতিক্ৰমৰ বাবে সেন্দূৰীয়া আলিবাট প্ৰদান কৰে। তাহানিতে আই-পিতায়ে আমাক কিতাপ পঢ়াৰ বাবে প্ৰেৰণা দিছিল আৰু সেই প্ৰেৰণাই আমাক আকৰ্ষিত কৰিছিল কিতাপৰ প্ৰতি। কিতাপৰ প্ৰতি দুৰ্বাৰ হেঁপাহেহে একোজন ব্যক্তিক কৰি তুলিব পাৰে কিতাপৰ পোক। জে.কে ৰাউলিঙৰ ভাষাত, "If you don't like to read, you have not found right book." এতিয়া কথা হ'ল-কি কাৰণে আমি কিতাপ পঢ়িব লাগে? এই কিতাপ পঢ়াৰ প্ৰকৃত তাৎপৰ্য হ'ল জ্ঞান। Man is by nature a social animal গতিকে সমাজৰ বিভিন্ন স্তৰৰ জ্ঞান আৰ্জি সমাজত সুনাগৰিক হিচাপে বৰ্তি থাকিবলৈ কিতাপ পঢ়াৰ প্ৰতি অনুৰাগ বঢ়োৱা আৱশ্যক।

আশীৰ্বাদৰ ৰং হৈছে জাৰ্ণাল এম্প'ৰিয়ামৰ দ্বাৰা প্ৰকাশিত এখন অনবদ্য অসমীয়া উপন্যাস। প্ৰান্তিক আলোচনীৰ পাতত ধাৰাবাহিকভাৱে প্ৰকাশ পাই পাই ১৯৯৮ চনত এই গ্ৰন্থখনে সাহিত্য অঁকাডেমী বঁটা লাভ কৰে। লেখক অৰুণ শৰ্মাই ৰচনা কৰা এই উপন্যাসখন মূলতঃ সাম্প্ৰদায়িক সংকীৰ্ণতাৰ উৰ্দ্ধত মানৱীয়তাক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস বুলিব পাৰি। লেখকৰ মতে মানুহৰ সমাজত যেতিয়া কিছুমান অবাঞ্চিত অন্যায় অবিচাৰ অনীতি আৰু নিস্পেষণৰ গ্ৰাসত পৰি বিপন্ন হৈ পৰে, শ্বাসৰুদ্ধ হৈ পৰে, তেনে অৱস্থাত, ক্ষোভত হতাশাত তেখেতৰ মন জৰ্জ্জৰিত হয়। কিবা এটা কৰাৰ, কিবা এটা লিখাৰ, অৱস্থাৰ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াত নিজকে জড়িত কৰি লোৱাৰ এক প্ৰবল বাসনা জাগি উঠে। ইয়াৰ ফলাস্বৰূপেই সৃষ্ট হয় সাৰ্থক উপন্যাস "আশীৰ্বাদৰ ৰং।" প্ৰসিদ্ধ সমালোচক ড° হীৰেণ গোঁহাইৰ মতে "আশীৰ্বাদৰ ৰং" ৰ ৰচনা আৰু প্ৰকাশ অসমীয়া সাহিত্যৰ বাবেই নহয়, অসমীয়া সমাজৰ বাবেও গুৰুত্বপূৰ্ণ ঘটনা। তথাকথিত সমাজৰ সংকীৰ্ণ যৌনচিন্তাক উলংঘা কৰি যৌনবিষয়ক বাধা-নিষেধৰ প্ৰতি মুক্ত প্ৰত্যাহ্বানেৰে অসমীয়া লেখকসকলে প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। কিন্তু অসমীয়া সমাজত দ-কৈ শিপাই থকা সাম্প্ৰদায়িকতাৰ বিষবাষ্প উলংঘা কৰি গণতান্ত্ৰিক মানৱতাবোধৰ মধুৰ সুৱাস বিলোৱাৰ চেষ্টাত অসমীয়া লেখকসকলে প্ৰায়েই ব্যৰ্থ হয়। লক্ষ্মীধৰ শৰ্মাৰ "চিৰাজ"ৰ বাদে অন্যান্য তেনেকুৱা উদাহৰণ অসমীয়া সাহিত্যত প্ৰায়েই নাছিল। কিন্তু অৰুণ শৰ্মাৰ "আশীৰ্বাদৰ ৰং" উপন্যাসে সেই ধূসৰ জাল ছিঙি-ফালি সংকীৰ্ণ বিভেদ আৰু সাম্প্ৰদায়িকতাৰ উৰ্দ্ধত মানৱীয়তাক স্থান দিয়ে।

উপন্যাসখনৰ কাহিনী মূলতঃ সোণাৰুচুক গাঁৱৰ পিলিঙা ডেকা 'গজেন'ক কেন্দ্ৰ কৰি আৱৰ্তিত হৈছে। সামাজিক মান-মৰ্যাদাৰ ক্ষেত্ৰত যদিওবা গজেন বিশেষ ওজন নথকা মানুহ তথাপি অকপট, গ্লানিহীন, বলিষ্ঠ চৰিত্ৰ আৰু সজীৱ মানৱীয় হৃদয়বত্তাৰ গুণত গজেন নিঃসন্দেহে এক আগশাৰীৰ মানুহ। অন্যায়ৰ প্ৰতিনিধি খৰ্গী মৌজাদাৰৰ বিৰুদ্ধে যুঁজি জেইল খাটিবলৈ যোৱা বাপেকে গজেনৰ মাকৰ মৃত্যুৰ পাছতেই দেশান্তৰী হ'ল। বুঢ়ী আয়েকজনীয়ে অকলে নাতিয়েকক লগত লৈ জীৱন কটায়। এই গজেনেই পিতৃৰ পৰা লাভ কৰা অপৰিসীম সাহস আৰু মানৱীয় গুণৰ বাবে সমাজৰ কুটিল লোকসকলৰ বাবে চকুৰ কুটা দাঁতৰ শাল আৰু একেসময়তে গজেনৰ শিক্ষক সৰ্বাই পণ্ডিতৰ দৰে বিবেকৱান লোকৰ বাবে গজেন হৈ পৰিছে আস্থা আৰু স্নেহৰ অমল পাত্ৰ। সাধাৰণ মানুহে অনবৰতে লাভ কৰে পুতৌ, অৱজ্ঞা আৰু ঠাট্টা। কিন্তু সেইবোৰ প্ৰত্যাহ্বান অতিক্ৰমিও আত্মাভিমানপূৰ্ণ গজেনৰ দৰে এচাম লোক গাঁৱত আছে যিসকল হৈছে শ্ৰমজীৱী সমাজৰ সঁচা আৰু সফল প্ৰতিনিধি। স্বাধীনতা সংগ্ৰামৰ দৰে প্ৰকৃত সমাজ-সেৱাৰ জলমল প্ৰতিনিধি হৈছে মদন শৰ্মা। আধুনিক শিক্ষা, জ্ঞান আৰু সৎচিন্তাৰ অভূতপূৰ্ব সমাহাৰ ঘটিছে মদন শৰ্মাৰ অনুপম ব্যক্তিত্বত। তেখেতে অলপ সময়ৰ বাবে গাঁৱলৈ আহি গজেনৰ হৃদয়ত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। গাঁৱৰ গোড়া ব্ৰাহ্মণ বাপুদেউৰ জীয়ৰী জবাক পুষ্পিতা হোৱাৰ আগতেই বয়সস্থ মানুহলৈ বিয়া দিয়া হৈছিল। স্বামীৰ মৃত্যুৰ পিছত জবাই লাভ কৰা অকাল বৈধব্যৰ কবলৰ পৰা মুক্ত কৰি জবাক বিবাহ কৰাই নতুন জীৱন দি প্ৰেমৰ সুৱাস বিলোৱাৰ লগতে অম্লান মানৱীয়তাবোধৰ জ্যোতি বিয়পাইছে। সামাজিক প্ৰগতি আৰু উত্তৰণৰ তেজস্বী সৈনিক হিচাপে আমি অভিহিত কৰিব পাৰোঁ সোণাৰুচুক গাঁৱৰে যুৱতী জবা আৰু গজেনৰ আইতাকক। বাপুদেউৰ অন্যায় আৰু ভণ্ড সামাজিক সন্মান ৰক্ষা কৰিবলৈ পুষ্পিতা হোৱাৰ আগতেই এজন মৃগী ৰোগীক বিবাহ কৰাবলৈ বাধ্য হৈছে। প্ৰতিকূল পৰিৱেশৰ বন্দীনী হৈয়ো গিৰীয়েকক শুশ্ৰূষা কৰাত জবাই অলপো কৃপণালি কৰা নাই। কিন্তু গিৰীয়েকৰ মৃত্যুৰ পাছত সামাজিক আচাৰ-সংস্কাৰৰ মকৰাজাল ফালি নিজৰ প্ৰেমিক স্বাধীনচিতীয়া মদনৰ লগত বিবাহপাশত আবদ্ধ হৈ এক প্ৰতিবাদী সত্তাৰ সূচনা কৰিছে। ড° হীৰেণ গোঁহাইৰ মতে, "গঞা জীৱনৰ স্থবিৰতা আৰু অমানুষিক আচাৰ সৰ্বস্বতাৰ পৰা উত্তৰণৰ আটাইতকৈ মৰ্মস্পৰ্শী উদাহৰণ হৈছে গজেনৰ আইতাক। মাউৰা নাতিয়েকক বুকুতে বান্ধি ডাঙৰ কৰা আইতাক আমাৰ পৰম্পৰাগত গঞা সমাজৰ চহকী হৃদয় আৰু অবিকৃত মানৱীয়তাৰ প্ৰতিমূৰ্তি যেন।" নেতিবাচক শক্তিৰ সবল চিত্ৰায়ণে অৰুণ শৰ্মাৰ কাহিনীটোক বলিষ্ঠ অগ্ৰগতি প্ৰদান কৰিছে। খৰ্গী মৌজাদাৰ, যাদৱ বৰাকে ধৰি মতিমিস্ত্ৰীলৈকে এইসকল চৰিত্ৰ কাহিনীটোৰ মূল নেতিবাচক চৰিত্ৰ। বহিঃৰাজ্যৰ পৰা আহি থলুৱা গাঁৱলীয়া মানুহৰ আৱেগক যথোচিত সন্মান দিব নজনা খৰ্গী মৌজাদাৰ হৈছে শাসন-শোষণৰ জীয়া প্ৰতীক। গঞা ৰাইজৰ মাছধৰা আৰু গৰুৱে পানী খোৱা ৰজাদিনীয়া পুখুৰীটো জব্দ কৰি আৰু কুবৈগুৰিৰ ৰক্তাক্ত সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাতত ইন্ধন যোগাই তেওঁ নিজৰ বন্দুকেৰে যিখিনি ভয়াৱহ আতিশয্য চলালে ইয়াৰ দ্বাৰা তেখেতৰ নিকৃষ্টতম আৰু ভয়াৱহ চৰিত্ৰটো উন্মোচিত হয়। বিদেশী ইংৰাজৰ পদলেহনকাৰী খৰ্গী মৌজাদাৰ হৈছে তথাকথিত স্বাধীনতা আৰু ত্যাগৰ গুণ গোৱা অন্যায়-অনীতিৰ ধ্বজাবাহক। গ্ৰন্থখনৰ অন্যতম মূল কেন্দ্ৰবিন্দুস্বৰূপ যাদৱ বৰাও নেতিবাচক শক্তিৰ জ্বলন্ত স্বৰূপ। দিনত সমাজসেৱাৰ ভুঁৱা কৰ্তব্য সমাপন কৰি সন্ধ্যা মতিমিস্ত্ৰীৰ তাত সস্তীয়া দেশীয় সুৰাৰ গলাধঃকৰণ কৰি আৰু নিশা এঘৰত মহিলাৰ সৈতে অবৈধ সম্পৰ্ক কটাই উপন্যাসখনত নিজকে ঘৃণনীয় ব্যক্তি বুলি প্ৰতিষ্ঠা কৰিছে। সামন্তবাদৰ মাধ্যেমেৰে পুঁজিবাদৰ প্ৰকাশ ঘটাই এই যাদৱ বৰা নেতৃত্বাধীন পৰিশ্ৰমবিমুখ এচাম যুৱকেই কালসৰ্প হৈ দংশন কৰি আহিছে গাঁৱৰ ধনাত্মক বাতাৱৰণক। সহজ-সৰল তথা সজীৱ এখন গাঁৱৰ নিভাঁজ শান্তিৰ বাতাৱৰণ আৰু অকৃত্ৰিম নৈসৰ্গিক শোভাত যাদৱ বৰাৰ দৰে চৰিত্ৰহীন ব্যক্তিৰ বিহ-আঁচোৰত গাঁওখনত হাহাকাৰ ঘটিছে। কুবৈগুৰিৰ সাম্প্ৰদায়িক সংঘৰ্ষ কৰাৰ মূলতে আছিল যাদৱ বৰা। যাদৱ বৰাই সুৰাপায়ী এচাম যুৱকৰ মনত ধৰ্মীয় উগ্ৰবাদৰ বিষাক্ত বীজ সিঁচি দি ধৰ্মীয় মেৰুকৰণৰ প্ৰয়াস কৰে। মুখত গান্ধীবাদৰ আখৈ ফুটা কথা ৰাখি গান্ধীৰ নীতি-আদৰ্শ বিসৰ্জন দি কুবৈগুৰিত শত-সহস্ৰ সাধাৰণ মানুহ হত্যা কৰে যাদৱ বৰা নেতৃত্বাধীন এই বিশাল বাহিনীয়ে। যিখিনি এমুঠি মানুহে হাড়ক মাটি কৰি আৰু তেজক পানী কৰি হাবি-জংঘল চাফা কৰি কুবৈগুৰিত খেতিপাথৰ স্থাপন কৰিছিল, যিখিনি মানুহে ভাৰতৰ স্বাধীনতাৰ আনন্দোৎসৱত সদলবলে যোগদান কৰিছিল সেইখিনি মানুহকেই পোক-পৰুৱা মৰাদি মাৰি নিষ্ঠুৰ আৰু জঘন্য চিন্তাৰ প্ৰকাশ ঘটোৱাৰ অন্তৰালত যাদৱ বাহিনীৰ উগ্ৰ ধৰ্মীয় মনোভাৱৰ সমান্তৰালকৈ আছিল অনায়াসে ধন ঘটাৰ প্ৰয়াস। কুবৈগুৰিৰ মিঞাহঁতৰ মাটিখিনি গ্ৰহণ কৰি, সিহঁতৰ ধন-সম্পত্তি হস্তগত কৰি সহজলব্ধ ধন ঘটাৰ জঘন্য আৰু বৰ্বৰ প্ৰয়াস কৰে যাদৱ বাহিনীয়ে। কাহিনীৰ আন এক নেতিবাচক শক্তি হিচাপে আমি লীগপন্থী মৌলবাদীসকলৰ নাম ল'ব পাৰোঁ।



অসমীয়া সমাজৰ তদানীন্তন কালৰ যিখিনি দোষ বা অপচিন্তা সেইখিনি নিৰ্ভীকৰূপে লেখকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। প্ৰাচীন কালৰ পৰা চলি অহা নীতি-নিয়মৰ যিখিনি ভণ্ডামি সেইখিনিয়ে শোষক শ্ৰেণীক লাভান্বিত কৰিছে। কালীমন্দিৰৰ ব্ৰাহ্মণজন নৈষ্ঠিক হ'লেও তেখেতে নিজৰ কন্যাৰ ক্ষেত্ৰত লোৱা মূঢ় সিদ্ধান্তই তেখেতৰ কন্যাৰ জীৱনলৈ অকাল বৈধব্যৰ হতাশা নামি অহাৰ লগতে তেখেতৰ কৰ্মকাণ্ডই সাতামপুৰীয়া ভণ্ডামিৰ প্ৰতি তেখেতৰ অন্ধ অনুৰাগ দেখুৱাইছে। গাঁৱৰ মানুহখিনিৰ লোক-বিশ্বাস আৰু সামাজিক ৰীতি-নীতি লৈ মানুহখিনিয়ে সামন্তবাদী শ্ৰেণীবিভাজনে প্ৰভাৱিত কৰিছে। সাতামপুৰুষীয়া পুখুৰীটো মৌজাদাৰে বেৰি লোৱাটো গাঁৱৰ মানুহ আশ্চৰ্য্যজনকভাৱে নীৰৱ। তেওঁলোকৰ অধিকাৰৰ প্ৰশ্ন বলিষ্ঠভাৱে কেৱল গজেন কেঁওটেহে উপস্থাপন কৰিছে। গাঁওখনত তিনিখন বিবাহ দেখুওৱা হৈছে। গোটেই তিনিখন বিবাহ হৈছে সামাজিক ভণ্ডামিৰ শিকলি ছিঙি নতুনৰ দিশে আগবাঢ়ি যোৱাৰ এক অনবদ্য প্ৰয়াস। খৰ্গী মৌজাদাৰ আৰু চন্দ্ৰপ্ৰভাৰ প্ৰেমে খন্তেক সময়ৰ বাবে হ'লেও আভিজাত্যৰ গৰ্ব নিঃশেষ কৰি নিৰ্মল প্ৰেমৰ সূচনা কৰিছে। জবা আৰু মদনৰ বিবাহখনে সামাজিক আচাৰ-সংস্কাৰৰ অদৰকাৰী বাধা-নিষেধ ত্যাগ কৰি মানৱতাবাদেৰে নিজৰ অপূৰ্ব প্ৰণয়ক ধাৰণ কৰিছে। তৃতীয়খন বিবাহ হৈছে ধৰ্মীয় সংকীৰ্ণতা চেৰাই দুটি ডেকা-গাভৰুৱে সমাজৰ সংকীৰ্ণতা, স্থবিৰ চিন্তা, অৰ্থহীন চিন্তাৰ বিৰুদ্ধে মানৱ হৃদয়ৰ বিদ্ৰোহৰ নিদৰ্শন।

গোটেই উপন্যাসখনত লেখক শৰ্মাদেৱে এক সাৱলীল, শক্তিশালী আৰু প্ৰাঞ্জল গদ্যৰ ৰচনা কৰিছে। কুবৈগুৰিৰ ধৰ্মীয় সংঘাতৰ নিষ্ঠুৰতাৰ বৰ্ণনাক অতি সাহসীৰূপত লেখকে উপস্থাপন কৰিছে। যৌন মিলনৰ বৰ্ণনাই শৰ্মাৰ হাতত এক কাব্যিক তীব্ৰতা অৰ্জন কৰিছে। নাৰীৰ জৈৱিক শক্তিৰ উৰ্বৰতা আৰু সহজাত মাটিৰ উৰ্বৰতাক লেখকে যিখিনি কাব্যিক ৰূপ প্ৰদান কৰিছে, তাৰ উদাহৰণ অসমীয়া সাহিত্যত খুবেই নগণ্য। ভূমিৰ উৰ্বৰতাক মানুহৰ সৃষ্টিশীলতাৰ লগত তুলনা কৰিছে। তলত উপন্যাসখনত দেখুওৱা ভূমিৰ শক্তি আৰু নাৰীৰ জৈৱিক শক্তিৰ তুলনা থকা দুটি বাক্য দেখুওৱা হ'ল ঃ-

"...জবাই গাৰ বগা চাদৰখন খুলি গোঁসানীৰ গাটো মুখখনেৰে সৈতে ঢাকি মেৰিয়াই দিলে। জবাৰ সংকোচ হৈছিল। কিজানিবা গোঁসানীয়ে দোষ ধৰে। ...মদনে কৈছিল 'গোঁসানীয়ে দায় নধৰে জবা। আমিতো এক যজ্ঞকৰ্ম কৰিছোঁ। পুৰুষ আৰু নাৰী যেতিয়া দুয়ো পৰস্পৰৰ হৈ পৰে, তেতিয়া তেওঁলোকৰ মিলন আৰু সংগম হয় যজ্ঞকাৰ্য। এয়া উপনিষদৰ কথা। ...আৰু চামুণ্ডা গোঁসানী নিজেই নগ্নদেহী। গতিকে তেওঁৰ ওচৰত (নিৰাভৰণ হোৱাত) সংকোচৰ বা ভয়ৰ কাৰণ নাই। তেওঁ দায় নধৰে...।" (পৃ নং: -১৪৬)



সংকল্পজিৎ শইকীয়া

"মনচুৰে জানিব পাৰিলে, এই যে তাৰ সমুখত মাইলৰ পিছত মাইল ধৰি, আকাশৰ দাঁতি চুই যোৱাকৈ, মাটি-মাটি আৰু মাটি, এই মাটিৰ কোনো গৰাকী নাই। ইয়াত সিহঁতৰ 'গ্ৰাম'ৰ দৰে কোনো জমিদাৰ নাই, কোনো মাতব্বৰ নাই। ইয়াত যেয়ে ইচ্ছা কৰে, সেয়ে খেতি কৰিব পাৰে। গৰুৰ খুঁতি বা ম'হৰ খুঁটি কৰিব পাৰে। ...এই চাপৰিৰ মাটি অতি সাৰুৱা। গুটি দিলেই 'সোণা' গজে।" (পৃঃ নং ৯)

অৱশ্যে উপন্যাসখনত দুই-এটা দোষ মন কৰা যায়। লেখকে অভিবাসী মুছলমান আৰু নেপালী সমাজখনৰ বিষয়ে এটা বহল দৃষ্টিত অৱলোকন কৰাত ব্যৰ্থ হ'ল। লগতে যদিওবা লেখকে স্বাধীনতা সংগ্ৰামী ৰূপত মদন শৰ্মাক প্ৰতিষ্ঠা কৰিব খুজিছে। তথাপি মদন শৰ্মাক গজেনহঁতৰ দৰে গণভিত্তি সহকাৰে অংকন কৰাত লেখক ব্যৰ্থ হ'ল। ইয়াৰ উপৰিও লীগপন্থী মৌলবাদীসকলৰ কাৰ্যকলাপৰ যোগেদি কিদৰে বিচ্ছিন্নতাবাদী চিন্তাই গা কৰি উঠিছে। সেইকথা লেখকে আৰু অধিক জনাব লাগিছিল। গজেনৰ আদৰ্শবাদী চিন্তাৰ প্ৰকাশ তেখেতৰ পুত্ৰ কাৰ্যকলাপত দেখা গৈছে বুলি লেখ কে মন্তব্য আগবঢ়াইছে। কেৱল গজেনৰ শোণিত প্ৰৱাহিত হোৱা মাত্ৰেই যে ৰহিম কেওঁট গজেনৰ দৰে হৈ পৰিব সেইকথাকলৈ যথেষ্ট সন্দেহৰ অৱকাশ আছে। এয়া এক কল্পস্বৰ্গীয়(Utopian) দৃষ্টিকোণ বুলি ক'বলৈ কোনো-কোনোৱে ভাবিব পাৰে। অৱশ্যে ই লেখকৰ পলায়নবাদী মানসিকতা নেদেখুৱায়। অৱশ্যে এটা কথা নিশ্চিত কৰিব পাৰি যে অৰুণ শৰ্মাদেৱৰ এই উপন্যাসখন অসমীয়া সাহিত্যত এক মাইলৰ খুঁটি হিচাপে বিবেচিত হৈ ৰ'ব।

*কামপুৰ, নগাঁও*

# জলছবি



জীৱন
মৃত্যুৰ বাবেই নেকি ইমান
বিশাল আয়োজন!

অসমীয়া সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰা সাহিত্যিকসকলৰ ভিতৰত অনুৰাধা শৰ্মা পূজাৰী অন্যতম। তেখেতৰ এক অনুপম সৃষ্টি "জলছবি" নামৰ উপন্যাসখন। জলছবি কেৱল মাত্ৰ এখন উপন্যাসে নহয়, ই জীৱনৰ এখন দাপোণ। লেখিকাই সুৱৰ্ণজ্যোতি নামৰ চৰিত্ৰটোৰ জৰিয়তে এগৰাকী ব্যক্তিৰ শৈশৱ, যৌৱন, দাম্পত্য জীৱন আৰু মৃত্যু আদি সকলো দিশৰ সুন্দৰকৈ বৰ্ণনা কৰিছে। সুৱৰ্ণজ্যোতিৰ জীৱন কাহিনীয়েই হৈছে "জলছবি"।

মানুহৰ জীৱনৰ শেষ অৱস্থাটো হৈছে বৃদ্ধকাল। এই বৃদ্ধকালক প্ৰতিৰোধ কৰাৰ ঔষধ, ব্যায়ামৰ নিত্য নতুন চৰ্চা হৈছে। কিন্তু সুদীৰ্ঘ জীৱনে মানুহক পৰিতৃপ্তি আৰু সন্তুষ্টি কিমান দিব পাৰে? মৃত্যুৰ প্ৰতি থকা ভয়ৰ বাবেই জীৱনৰ প্ৰতি অত্যধিক হাবিয়াস নেকি? সুদীৰ্ঘ জীৱন মানে সুদীৰ্ঘ যন্ত্ৰণা নেকি? আধুনিক জীৱনত বাৰ্ধক্য এক অভিশাপ হৈ পৰিব নেকি? এনে অজস্ৰ প্ৰশ্নৰ ফলস্বৰূপে লেখিকাই "জলছবি"ৰ জন্ম দিছিল।

ককিলা নদীৰ পাৰত উমলি-জামলি ডাঙৰ দীঘল হোৱা সুৱৰ্ণজ্যোতি নামৰ চৰিত্ৰটোৰ মাজেৰে লেখিকাই দেশপ্ৰেম, ৰক্ষণশীল ব্ৰাহ্মণ সমাজৰ এখন ছবি দাঙি ধৰিছে। সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালৰ নিয়মানুসৰি পঢ়া-শুনাত যথেষ্ট ৰাপ থকা সত্ত্বেও শান্তি হোৱাৰ আগেয়ে বাগানৰ মেনেজাৰ "ৰমেশ"ৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল "সুৱৰ্ণজ্যোতি"। বিবাহৰ বিষয়ে একো ধাৰণা নহওঁতেই তেওঁ পৰিয়ালৰ দায়িত্বসমূহ মূৰ পাতি লৈছিল। উপন্যাসখনৰ জৰিয়তে লেখিকাই পতি-পত্নীৰ মাজৰ বুজাবুজিৰ এখন চিত্ৰ অংকন কৰিছে। কেৱল পাকঘৰতে আৱদ্ধ নাৰাখি সুৱৰ্ণজ্যোতিক স্বামীয়ে উচ্চশিক্ষিতা কৰাৰ ওপৰতো গুৰুত্ব দিছিল। ৰমেশে পোৱা আঘাতৰ পিছত তেওঁক সুস্থ কৰিবলৈ পত্নী সুৱৰ্ণজ্যোতিয়ে বংগোপসাগৰৰ মাজেৰে কৰা যাত্ৰাক লেখিকাই যি ধৰণে বৰ্ণনা কৰিছে সেয়া সঁচাকৈয়ে অতুলনীয়।

স্বামীৰ মৃত্যুৰ পাছত অদম্য সাহসী সুৱৰ্ণজ্যোতিৰ বৃদ্ধাৱস্থাৰ মৃত্যুভয়ে ক্ৰমাৎ তেওঁক ঠেলি দিছিল কষ্টকৰ মনোসংঘাতৰ দিশে। বৃদ্ধাৱস্থাই এজন ব্যক্তিৰ মনত কিদৰে নিসংগতাৰ বীজ অংকুৰিত কৰে সেয়া উপন্যাসৰ জৰিয়তে উমান পোৱা যায়।

অন্তত লেখিকাই কৈছে, "পৃথিৱী কাহানিও নিঃসংগ নাছিল, মানুহো কোনোকালেই নিঃসংগ হ'ব খোজা নাছিল।" অনুৰাধা শৰ্মা পূজাৰীৰ "জলছবি" উপন্যাসখনে অসমীয়া সাহিত্যক আৰু এখোজ আগুৱাই নিছে। আগশাৰীৰ উপন্যাসসমূহৰ ভিতৰত এই উপন্যাসখন অন্যতম।

**দুলুমণি গগৈ**
**মৰাণ, ডিব্ৰুগড়**

# ৰুগ্ন সমাজ-জীৱনৰ বতৰাৰে সংপৃক্ত স্নিগ্ধাৰাণী গগৈৰ 'কবিতা সংকলন সমগ্ৰ'

**সুভাষ বৰ্মন**

অসমীয়া কাব্য-জগতত প্ৰতিষ্ঠিত কবিসকলৰ অন্যতম স্নিগ্ধাৰাণী গগৈ। 'সুললিত কণ্ঠ', 'শব্দৰ ঘৰ', 'কেক্‌টাছৰ ফুল', 'ধূলিয়ৰি সুৰ', 'প্ৰাণ-পূৰবী' আদি কবিতা পুথিৰে তেওঁ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল চহকী আৰু সমৃদ্ধ কৰিছে। এগৰাকী শিশু-সাহিত্যক, গল্পকাৰ, নাট্যকাৰৰূপেও স্নিগ্ধাৰাণী গগৈয়ে তেজস্বী আত্ম পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। এইগৰাকী কবিৰ পূৰ্ব প্ৰকাশিত কবিতা পুথিবোৰৰ একত্ৰ সংকলন "কবিতা সংকলন সমগ্ৰ"। জীৱন আৰু জগতৰ মাজত কবিতাৰ মাধ্যমেৰে এখন বৈশিষ্ট্যপূৰ্ণ সাঁকোৰ সৃষ্টি কৰিব বিচৰা কবি গগৈৰ সৃষ্টি সম্পৰ্কত বিভিন্নগৰাকী পণ্ডিত-সমালোচকে বিভিন্ন মত আগবঢ়াইছে। প্ৰসিদ্ধ কবি-সমালোচক ৰবীন্দ্ৰ বৰাৰ ভাষাত- "শ্ৰীমতী গগৈৰ প্ৰায়বোৰ কবিতাৰ বক্তব্যত বিচাৰি পোৱা যায় সাম্প্ৰতিক সময়ৰ ৰুগ্ন সমাজ-জীৱনৰ বতৰা। ... এওঁৰ কিছুমান কবিতাত প্ৰকাশ পাইছে কবিৰ অতীত বিধুৰতা আৰু নৈৰাশ্যৰ বিননি।" কেইবাগৰাকী আলোচকে বিভিন্ন স্থানত এই কথা স্পষ্টভাৱে স্বীকাৰ কৰিছে যে স্নিগ্ধাৰাণী গগৈ নিজানে-নিৰলে নিজ ভাবত মগ্ন হোৱা কবি নহয়, বৰং তেওঁ এগৰাকী সামাজিক চেতনা সম্পন্ন আৰু দায়বদ্ধ কবি। জীৱনৰ বিচিত্ৰ অভিজ্ঞতাক স্বকীয় প্ৰকাশভংগীৰে প্ৰোজ্জ্বল কৰা স্নিগ্ধাৰাণী গগৈৰ কবিতাই সৃষ্টি কৰিব পাৰে চিন্তাৰ উজ্জ্বল তৰংগ। তদুপৰি, তেওঁৰ কবিতাত আছে অৰণ্য অভিমুখী হাতবাউল। কাব্যিক জীৱনৰ প্ৰথম প্ৰহৰৰ কবিতাবোৰতে কবি গগৈৰ প্ৰতিভাৰ স্বাক্ষৰ বিচ্ছুৰিত হৈছিল। তেওঁৰ "কেক্‌টাছৰ ফুল" শীৰ্ষক কাব্যগ্ৰন্থত সন্নিবিষ্ট "প্ৰতি খোজতেই" নামৰ কবিতাটোত আছে-

"মাটিত বুকু পাতি শুনো
বতাহত কাণ থৈ শুনো
অহৰহ বয় মহাকাৰুণ্যৰ নৈ
ক'ত থওঁ মই কলিজাৰ জোন
মাটিত নে আকাশত?"

আধুনিকতাই চুই যোৱা যান্ত্ৰিক জীৱনৰ এখন সবুজ চিত্ৰ কবিতাংশৰ মাজেৰে প্ৰতিফলিত হৈছে। "তোমালোকৰ কঠিন দুহাতেৰে", "ঐক্যন", "দেশখন আৰু মানুহজন" আদি কবিতাবোৰৰ মাজেৰে কবিৰ গভীৰ আশাবাদ প্ৰকটিত হৈছে। সুষম লয়যুক্ত উত্তৰণশীল পৰিৱৰ্তনৰ বাবে কবিয়ে আগ্ৰহেৰে বাট চাই আছে। কবি গগৈয়ে কবিতাৰ মাধ্যমেৰেই এখন সুখময়-মধুময় সমাজৰ পোষকতা কৰিছে।

গীতিধৰ্মিতা তেওঁৰ কবিতাৰ আন এক বৈশিষ্ট্য। তেওঁৰ কিছুসংখ্যক কবিতাত মনোৰম চিত্ৰকল্প আৰু প্ৰাণবন্ত প্ৰতীকৰ প্ৰয়োগো পৰিলক্ষিত হয়। ইয়াৰ বুদ্ধিনিষ্ঠ প্ৰয়োগেৰে ৰচা কবিতাই ৰসগ্ৰাহী পাঠকৰ মন-মগজ-হৃদয়ক বিশেষভাৱে আলোড়িত কৰে। কবি স্নিগ্ধাৰাণী গগৈৰ "শাৰদীয় সুখ" শিৰোনামৰ কবিতাটোত আছে-

"ভোকৰ হুমুনিয়াহ বুকুত বান্ধি
শুই থাকে মোৰ বিধ্বস্ত গাঁৱৰ ৰাতি
বেৰৰ খবোৰাৰে
নিয়ৰস্নাত জোনাকে উপহাস কৰি জগাই তোলে



ফুলমতীৰ হাঁহি"

প্ৰখৰ আনুভূতিক চেতনাৰে স্পন্দিত স্নিগ্ধাৰাণী গগৈৰ কবিতাবোৰত সততে লক্ষ্য কৰা যায় এটা অনাড়ম্বৰ, অকৃত্ৰিম সৰলতা। সৰল শব্দৰ কৌশলপূৰ্ণ ব্যৱহাৰেৰে কবিয়ে সাম্প্ৰতিক কালৰ এখন নিখুঁত আৰু নিৰ্ভেজাল চিত্ৰ অংকন্ কৰিবলৈ প্ৰয়াস কৰে। এটি উদাহৰণ-

"সূৰ্যস্নাত নদীৰ প্ৰেমৰ প্ৰজ্ঞাৰে কোনে মোক
আলফুলে শুৱাই দিব
ভাস্কৰ্যখচিত শীতল শেতেলিত
কোনে বাৰু বাৰুদৰ বৰযুণ গচকি মোহাৰি
শুনাবহি কুশল বাৰ্তা
মোৰ দেশ
আৰু দেশৰ মাটিৰ
পিতামহ প্ৰপিতামহৰ গৌৰৱ-গৰিমাই
কাৰ বুকু ভৰি ভৰি উচুপি উঠিব।" (এতিয়া ইয়াত)

কবি স্নিগ্ধাৰাণী গগৈৰ দুই-এটা কবিতা ফ্ৰয়েদীয় মনস্তত্ত্বৰূ প্ৰভাৱেৰেও সিক্ত। জীৱনৰ অশেষ ধুৱলি-কুঁৱলীৰ মাজত, ভোক-ভাগৰৰ মাজত অস্পষ্ট হৈয়ো কেতিয়াবা জাগি উঠে অৱচেতন মনৰূ আশা-আকাংক্ষা। "প্ৰতিটো মন: প্ৰতিটো ক্ষণ" নামৰ কবিতাটোত প্ৰকাৰান্তৰে প্ৰকাশ পাইছে অদম্য বাঞ্ছা। কবিতাটোৰ কিয়দংশ-

"সিহঁতৰো আছে মন, পেটৰ পোৱণি
প্ৰতিটো ক্ষণতেই মই অনুভৱ কৰোঁ
তোমাৰ বাসন্তিক স্পৰ্শ
বুকুৰ মাজত দুৰু দুৰু কম্পন
উদাস উদাস লগা আবেলিবোৰে বৰকৈ আমনি কৰে।"

জীৱনৰ আশা-আকাংক্ষা, ঘাত-প্ৰতিঘাত, বিষাদ-ব্যৰ্থতা আদিৰ ভেটিত সুন্দৰ শৈলীৰে গঢ়া স্নিগ্ধাৰাণী গগৈৰ প্ৰতিটো কবিতা সমানে আকৰ্ষণীয় নহ'লেও প্ৰায়বোৰ কবিতাই মানসম্পন্ন। স্নিগ্ধাৰাণী গগৈৰ "কবিতা সংকলন সমগ্ৰ"'ত সিঁচৰতি হৈ থকা কবিতাবোৰত কবিৰ গভীৰ মানৱতাবোধ আৰু জীৱনবোধ পূৰ্ণ মাত্ৰাত প্ৰকাশ পাইছে। নিশ্চিতভাৱে, এই কবিতাবোৰৰ পাঠে পাঠকক দিয়ে অনাবিল আনন্দ। দ্বিধাহীনভাৱে ক'ব পাৰি- প্ৰতিষ্ঠিত কবি স্নিগ্ধাৰাণী গগৈৰ কাব্য প্ৰতিভাই সকলো শ্ৰেণীৰ পাঠককেই মুগ্ধ কৰিব পাৰে। ব্যাপক অধ্যয়ন, গভীৰ চিন্তন আৰু মননশীলতাৰে তেওঁ ৰচা কবিতাবোৰত চিত্ৰ, উপমা, ৰূপক আদিৰ সুসমন্বয় ঘটিছে। স্বঅভিব্যক্তিক শৈল্পিক আৰু স্বচ্ছ ৰূপত প্ৰকাশ কৰি কবি গগৈয়ে পাঠকৰ মণিকোঠাত সহজে সোমাই যায়। ভাল লগা কথা, পাঠকৰ কাব্য-ক্ষুধা নিবাৰণৰ বাবে কবি গগৈয়ে নীৰৱচ্ছিন্নভাৱে কবিতা উপহাৰ দি আহিছে। আমি আশা কৰোঁ: স্নিগ্ধাৰাণী গগৈৰ সৃষ্টি সন্দৰ্ভত অধিক চৰ্চা হওক, অধিক বিচাৰ-বিশ্লেষণ হওক। অসমীয়া কাব্যজগতলৈ কবিয়ে অৱদান আগবঢ়াই যাওক। সাহিত্যৰ বুৰঞ্জীত কবি স্নিগ্ধাৰাণী গগৈ স্মৰণীয় হৈ ৰোৱাৰ আশা প্ৰকাশ কৰিলোঁ।

*লেখকৰ ঠিকনা ঃ ঘগ্ৰাপাৰ, নলবাৰী*

# বসন্ত এটা ভুৱা যাদুকৰ

## জীৱনৰ অনুধ্যানত কাব্যিক স্পন্দন



"পাৰভগা নদীৰ দৰে মোৰ কোলাত তুমি ঢলি পৰিলা
আৰু মই এটা বিমূঢ় মাছৰোকা চৰায়ে জীৱন ধাৰণৰ বিস্ময়েৰে
পানীলৈ চাই ৰোৱাৰ দৰে
মুগ্ধতাৰে চাই থাকিলোঁ ভালপোৱাৰ সমৰ্পণ"-
(বসন্ত এটা ভুৱা যাদুকৰ ১১)

"...এটা সাহসী, ইতিবাচক, মৰ্যাদাসম্পন্ন আধুনিক মনৰ লোকজীৱনৰ সৈতে ওচৰ সম্পৰ্ক আৰু জীৱনৰ বিশালতাৰ প্ৰতি আগ্ৰহে কিদৰে কথাবোৰক ব্যক্তিগত আৰু নৈৰ্ব্যক্তিক কাব্যৰূপ একেসময়তে দিব পাৰে, কুন্তলা কল্যাণী সন্দিকৈৰ কবিতাসমূহ তাৰেই উদাহৰণ"-(অগ্ৰজ সমালোচক অৰিন্দম বৰকটকী)

কবিতাক কেৱল অনুভৱৰ খেলা বুলি সীমাবদ্ধ কৰিব নোৱাৰি — বৰঞ্চ ই হ'ল জীৱনক গভীৰভাৱে অনুধাৱনৰ এক সুস্পষ্ট দৃষ্টিভংগী। আত্মোপলব্ধিৰ পথেদি নি: সৃত কবিতাই জীয়াই থকাৰ বাসনাক জীপাল কৰি ৰাখে আৰু এই চেতনাই কবিতাক কৰি তোলে প্ৰাতিস্বিক মন্থনৰ এক আন্তৰ্জীৱনীয় অভিজ্ঞান। কুন্তলা কল্যাণী সন্দিকৈৰ কাব্যসাধনা সেই অভিজ্ঞানৰ সমুজ্জ্বল নিদৰ্শন। এগৰাকী আধুনিক মননেৰে উদ্ভাসিত, আত্মপ্ৰত্যয়ী আৰু আশাবাদী কবিয়ে কিমান মমতাৰে লোকজীৱনৰ স্পন্দন, হৰ্ষ-বিষাদৰ সংগতি ৰাখি, জীৱনৰ অনন্ত বৈচিত্ৰ্য লৈ অগ্ৰসৰ হ'ব পাৰে, কুন্তলাৰ কবিতা পঢ়িলে এই কথা পৰিস্ফুত হয়। সন্দিকৈৰ কবিতাবোৰ কেৱল অভিজ্ঞতাৰ পুনৰুত্থান নহয়- ই এক সৃজনৰ ফচল য'ত শব্দ আৰু মৌনতাৰ সংযোগেৰে উদ্ভৱ হয় এক নতুন অস্তিত্ব। কবিৰ বাবে কবিতা বাস্তৱক নতুনকৈ আবিষ্কাৰৰ উপায়স্বৰূপ।

কবিৰ ভাষিক বৈভৱ সৌন্দৰ্যৰ গভীৰতাত আত্মস্নাত। এই পৰিশীলনত একাকিত্ব এক উদ্বেলিত আত্মচিন্তাৰ ৰূপত আত্মপ্ৰকাশিত। সৰলকৈ যদি ক'ব খোজোঁ, কুন্তলাৰ কাব্যভাষা নীৰৱ সংগীতৰ দৰে; এনে ভাষিক বৈভৱত নিসংগতিও ছন্দলৈ পৰিণত হয়। বোধ হয় কবি নিজেই এগৰাকী পৰ্যটক- মানুহ, প্ৰকৃতি আৰু জীৱন-যৌৱনৰ ৰসস্তুতি মনত ৰাখি, শাব্দিক পৰিপ্ৰেক্ষত কবিয়ে নিৰ্মাণ কৰিছে গভীৰ অনুভৱৰ মানচিত্ৰ। কুন্তলা সন্দিকৈৰ কবিতাবোৰে পাঠকক স্ব-জীৱনৰ অভ্যন্তৰলৈ আমন্ত্ৰণ জনায়, য'ত এটি নিতাল, কৰুণ অথচ দীপ্ত স্বননত অনুভূত হয় জীৱনৰ অনাভূত গান। সন্দিকৈৰ কবিতা এখন বৈচিত্ৰ্যপূৰ্ণ মনোজগতৰ শব্দ-ভাষ্য, য'ত মানুহৰ একাকিত্ব, প্ৰেম, স্মৃতি আৰু অস্তিত্বৰ অনুসন্ধান একেলগে আত্মপ্ৰকাশিত হয়। এই কবিতাবোৰ কেৱল মানসিক প্ৰশান্তিৰ বাহক নহয়, এই কাব্যিক অভিব্যঞ্জনা এক দৰ্শন য'ত কবিতাৰ চত্ৰছায়াত মানৱীয় জীৱনৰ বেদনাবোৰ পোহৰ হৈ উঠে।

**অসীম কুমাৰ হাজৰিকা**

## কেৱল ধৰ্মৰ ভিত্তিত উচ্ছেদ

কৰিছে। অখিল গগৈয়ে অভিযোগ কৰে যে ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানত কেৱল এটা নিৰ্দিষ্ট সম্প্ৰদায়ক লক্ষ্য কৰা হৈছে। বিশেষকৈ উৰিয়ামঘাট আৰু মেৰাপানীত চলা উচ্ছেদ অভিযানৰ প্ৰসংগত তেওঁ কয়, “হিন্দু হওক বা মুছলমান, আৰক্ষীৰ অত্যাচাৰৰ বিৰুদ্ধে মই সদায় মাত মাতিম। মুছলমান সম্প্ৰদায়ৰ লোকক কেৱল ধৰ্মৰ ভিত্তিত উচ্ছেদ কৰাৰ পৰিকল্পনা কৰা হৈছে। উচ্ছেদৰ আগতে তেওঁলোকৰ খিলঞ্জীয়া বা বিদেশী পৰিচয় পৰীক্ষা কৰা উচিত।” তেওঁ জোৰ দি কয়, যদি প্ৰমাণিত হয় যে কোনো ব্যক্তি বাংলাদেশী, তেওঁ মুখ্যমন্ত্ৰীৰ সৈতে একেলগে উচ্ছেদৰ কামত অংশ ল’ব। গোৱালপাৰাৰ উচ্ছেদ অভিযানৰ প্ৰসংগতো তেওঁ আৰক্ষীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ দাবী কৰে, “উচ্ছেদিত লোকে আৰক্ষীক আক্ৰমণ কৰা নাই, বৰং আৰক্ষীয়েই তেওঁলোকৰ ওপৰত আক্ৰমণ চলাইছে। প্ৰতিৰোধৰ প্ৰচেষ্টাত উচ্ছেদিত লোক আৰক্ষীৰ সৈতে সংঘৰ্ষত জড়িত হৈছে।” তেওঁ অভিযোগ কৰে যে বিজেপিয়ে কিছুমান সংবাদ মাধ্যমৰ সহায়ত এই ঘটনাক ভিন্ন দিশত উপস্থাপন কৰিছে আৰু সকলো দোষ মুছলমান সম্প্ৰদায়ৰ ওপৰত চাপি দিয়াৰ চেষ্টা কৰিছে। তেওঁ কয়, “যত দোষ নন্দ ঘোষ—এতিয়া এনে এটা ধাৰা সৃষ্টি হৈছে যে সকলো দোষ মুছলমানৰ ওপৰত জাপি দিয়া হয়। মই হিন্দু-মুছলমান সকলোৰে পক্ষত আছোঁ।” সংবাদমেলত অখিল গগৈয়ে বিৰোধী ঐক্যমঞ্চৰ প্ৰতি কংগ্ৰেছৰ উদাসীনতাৰ সমালোচনা কৰে। তেওঁ কয়, “বিৰোধী ঐক্যমঞ্চৰ জৰিয়তে বিজেপিক ৰোধ কৰাৰ বাবে আমি সৰ্বাত্মক চেষ্টা কৰিছোঁ, কিন্তু কংগ্ৰেছে কেৱল নিজৰ দলৰ স্বাৰ্থৰ কথাহে চিন্তা কৰিছে।” তেওঁ কংগ্ৰেছৰ নেতা দেৱব্ৰত শইকীয়া আৰু গৌৰৱ গগৈৰ দৰে নেতাসকলৰ উদাসীনতাৰ কথা উল্লেখ কৰি কয়, “জাতীয় স্বাৰ্থতকৈ কংগ্ৰেছে নিজৰ দলৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিছে। বিজেপিৰ তুলনাত কংগ্ৰেছৰ শাসনকালৰ কথা এতিয়া নকওঁ, কিন্তু হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকলাপ বেছি ক্ষতিকাৰক। সেয়েহে বিজেপিক ৰোধ কৰিবলৈ বিৰোধী ঐক্য অতি প্ৰয়োজনীয়।” তেওঁ প্ৰদেশ কংগ্ৰেছৰ নতুন সভাপতি গৌৰৱ গগৈকো সমালোচনা কৰি কয়, “গৌৰৱ গগৈয়ে সভাপতিৰ দায়িত্ব লোৱাৰ পৰা বিৰোধী ঐক্যৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। তেওঁ কেৱল ছেপ্টেম্বৰত এই বিষয়ে ৰাজহুৱা ঘোষণা কৰিম বুলি কৈছে।” অখিল গগৈয়ে দাবী কৰে যে তেওঁ কংগ্ৰেছক সমালোচনা কৰাৰ পৰা বিৰত থাকিলেও কংগ্ৰেছৰ নেতাসকলে তেওঁৰ প্ৰতি তুচ্ছ-তাচ্ছিল্যৰ আচৰণ কৰিছে। গৌৰৱ গগৈৰ সমালোচনাৰ প্ৰসংগত অখিল গগৈয়ে স্পষ্ট কৰে, “অসম আৰু অসমীয়া জাতিৰ স্বাৰ্থত মই কেতিয়াও গৌৰৱ গগৈক সমালোচনা কৰা নাই। কেৱল বিহালী নিৰ্বাচনৰ সময়ত কিছু কথা কৈছিলোঁ। কিন্তু কংগ্ৰেছে আমাৰ ধৈৰ্য পৰীক্ষা কৰিছে।” তেওঁ আক্ষেপ কৰে যে গৌৰৱ গগৈৰ আচৰণ আৰু ভাবধাৰা বিৰোধী ঐক্যৰ পক্ষত নহয়। তেওঁ কয়, “কংগ্ৰেছৰ অপশাসনৰ কথা জনতাই পাহৰা নাই। মই নিজেও কংগ্ৰেছৰ শাসনকালত বহুবাৰ জেললৈ গৈছোঁ। তথাপি জাতীয় স্বাৰ্থত আমি তেওঁলোকৰ সৈতে মিত্ৰতা গঢ়িবলৈ ইচ্ছুক। কিন্তু কংগ্ৰেছে আমাৰ ধৈৰ্যৰ পৰীক্ষা লৈয়ে আছে।” আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ প্ৰসংগত অখিল গগৈয়ে কয়, “নিৰ্বাচনৰ কেইদিনমান আগতে মিত্ৰতা ঘোষণা কৰিলে বিজেপিক প্ৰতিৰোধ কৰাটো কঠিন হ’ব। আমি তৃণমূল পৰ্যায়ত জনসাধাৰণৰ মাজলৈ যাব লাগিব। যিমান দেৰি হ’ব, সিমানেই জনসাধাৰণৰ পৰা আমি আঁতৰি যাম।” তেওঁ স্পষ্ট কৰে যে বিৰোধী ঐক্যমঞ্চৰ উদ্দেশ্য কোনো ব্যক্তিক মুখ্যমন্ত্ৰী পাতিব বা তেওঁৰ ৰাজনৈতিক ভৱিষ্যত সুৰক্ষিত কৰা নহয়, বৰং সাম্প্ৰদায়িক বিজেপিক ৰোধ কৰা। অখিল গগৈয়ে অভিযোগ কৰে যে কংগ্ৰেছৰ সৈতে যোগাযোগৰ কোনো পথ মুকলি নাই। তেওঁ কয়, “গৌৰৱ গগৈক ফোন কৰিলেও তেওঁ মোৰ ফোন নলয়। পঞ্চায়ত নিৰ্বাচনত আমাৰ বাবে সুযোগ আছিল, কিন্তু সেই সুযোগ আমি হেৰুৱালোঁ।” তেওঁ যোৰহাট লোকসভা নিৰ্বাচনত গৌৰৱ গগৈৰ জয়ত ৰাইজৰ দলৰ অৰিহণাৰ কথা উল্লেখ কৰি কয়, “আমি গৌৰৱ গগৈক জয়ী কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিছিলোঁ, কিন্তু তেওঁ এতিয়ালৈকে ধন্যবাদৰ এটা কথাও কোৱা নাই।” অখিল গগৈৰ এই সংবাদমেলত উচ্ছেদ অভিযানৰ বিৰুদ্ধে কঠোৰ অৱস্থান আৰু বিৰোধী ঐক্যমঞ্চৰ প্ৰতি কংগ্ৰেছৰ উদাসীনতাৰ সমালোচনাই ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতিক নতুন মাত্ৰা প্ৰদান কৰিছে। তেওঁৰ মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান আৰু বিৰোধী ঐক্যৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়া মন্তব্যই আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজনৈতিক দলসমূহৰ মাজত নতুন গতিশীলতাৰ সৃষ্টি কৰিব পাৰে।

## ’২৬ অগপই এৰি নিদিয়ে

তেজপুৰ আসনখনত নিজৰ দাবী স্পষ্ট কৰি দিলে। দলটোৰ কাৰ্যকৰী সভাপতি আৰু জ্যেষ্ঠ মন্ত্ৰী কেশৱ মহন্তই স্পষ্ট কৰি কৈছে যে তেজপুৰত অগপৰ বৰ্তমানৰ বিধায়ক থকাৰ বাবে আসনখন দলটোৰ হাতৰ পৰা নাযাব। ইয়াৰ লগতে তেওঁ বিজেপিৰ সৈতে মিত্ৰজোঁটৰ সম্পৰ্কো আগৰ দৰেই অব্যাহত ৰাখিব বুলি ঘোষণা কৰিছে। তেজপুৰৰ দলীয় কাৰ্যালয়ত এক কৰ্মীসভাত অংশ লৈ কেশৱ মহন্তই কয়, “তেজপুৰ আমাৰ দলৰ ঐতিহ্যপূৰ্ণ আসন। ২০২৬ত ইয়াত অগপই পুনৰ বিজয়ী হ’ব। যদিও আমি বিজেপিৰ সৈতে মিত্ৰতাত আছো, আমাৰ নিজা ৰাজনৈতিক পৰিচয় আৰু নীতি আছে।” তেওঁ লগতে উল্লেখ কৰে যে ২০১৪ৰ পৰৱৰ্তী সময়ত দলটোৱে এক পুনৰুজ্জীৱনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে, য’ত সৰ্বানন্দ সোণোৱাল, পদ্ম হাজৰিকা আদি নেতাৰ প্ৰস্থানে দলটোক পুনৰ সংগঠিত হ’বলৈ বাধ্য কৰিছিল। মহন্তই স্বীকাৰ কৰে যে অগপই শূন্যৰ পৰা আৰম্ভ কৰিবলগীয়া হৈছে, কিন্তু দলটোৱে ইতিমধ্যে ৰাজ্যৰ ৰাজনীতিত নিজৰ স্থিতি সুদৃঢ় কৰিছে। তেওঁ কয়, “আমি বিজেপিৰ সৈতে চৰকাৰত অংশীদাৰ হৈ থকাৰ সুযোগটোৱে আমাৰ কৰ্মীসকলক সংগঠিত কৰিবলৈ সহায় কৰিছে। ২০২৬ত আমাৰ লক্ষ্য হ’ল আসনৰ সংখ্যা বৃদ্ধি কৰা।” দলটোৱে আগন্তুক পঞ্চায়ত আৰু পৰিষদীয় নিৰ্বাচনত সক্ৰিয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও তেওঁ উল্লেখ কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক জেললৈ পঠিয়াবলৈ কৰা মন্তব্যৰ প্ৰত্যুত্তৰত মহন্তই কয়, “ৰাহুল গান্ধীয়েই প্ৰথমে জেললৈ যাব লাগিব। অসমত কংগ্ৰেছে ইতিমধ্যে নিজৰ সাৰ্থকতা হেৰুৱাই পেলাইছে।” তেওঁ লগতে উল্লেখ কৰে যে অগপৰ বাবে কংগ্ৰেছৰ লগতে আন ৰাজনৈতিক দলো এক প্ৰত্যাহ্বান, কিন্তু দলটোৱে নিজা শক্তিৰে ইয়াক মোকাবিলা কৰিব। উচ্ছেদৰ বিষয়ত মহন্তই কয় যে চৰকাৰে ন্যায়সংগতভাৱে কেৱল অবৈধ দখলদাৰক লক্ষ্য কৰিহে কাৰ্য্য কৰিছে। “ইয়াত ধৰ্মীয় সংখ্যালঘু বা কোনো সম্প্ৰদায়ক বিশেষভাৱে লক্ষ্য কৰা হোৱা নাই। ৰাজনৈতিকভাৱে ইয়াক বিকৃত কৰিব নালাগে” বুলি তেওঁ মত প্ৰকাশ কৰে। অগপই ধেমাজি, লখিমপুৰ, বিশ্বনাথ আদি ঠাইত কৰ্মীসভা আয়োজন কৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত দলীয় সংগঠন শক্তিশালী কৰাৰ প্ৰয়াস কৰিছে। মহন্তই কয় যে এই সভাবোৰৰ লক্ষ্য হ’ল দলক ২০২৬ৰ নিৰ্বাচনৰ বাবে সাজু কৰি তোলা। অগপই ২০২৬ৰ নিৰ্বাচনত তেজপুৰৰ দৰে প্ৰতীকী আসন ৰক্ষা কৰাৰ লগতে বিজেপিৰ সৈতে মিত্ৰতা ৰাখি ৰাজনৈতিকভাৱে সক্ৰিয় হ’বলৈ প্ৰস্তুত। দলটোৰ নেতৃত্বই কৰ্মীসকলক একগোট হৈ কাম কৰিবলৈ আহ্বান জনাইছে, যাতে দলটোৱে ৰাজ্যৰ ৰাজনীতিত আগভাগ ল’ব পাৰে।

## ত্ৰিপুৰাত বিবাহৰ পূৰ্বে নিবন্ধন

বিদ্যালয়ত ড্ৰাগ-মুক্ত ভাৰত অভিযানৰ এক সজাগতামূলক অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে এই পদক্ষেপৰ লক্ষ্য হৈছে কঠোৰ নথিপত্ৰৰ জৰিয়তে উপযুক্ত বয়সৰ বিবাহ নিশ্চিত কৰা। শিশু বিবাহৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে সামূহিক দায়িত্বৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। তেওঁ কয়, “শিশু বিবাহ বন্ধ কৰিবলৈ সকলোৱে আগবাঢ়ি আহিব লাগে। এগৰাকী সংখ্যালঘু সম্প্ৰদায়ৰ ছোৱালীয়ে নিজৰ শিশু বিবাহৰ বিৰোধিতা কৰাৰ বাবে ৰাষ্ট্ৰপতিৰ পৰা পুৰস্কাৰ লাভ কৰিছিল—অন্য তেওঁৰ পৰা প্ৰেৰণা ল’ব লাগে।” প্ৰস্তাৱিত সংস্কাৰৰ অধীনত জন্ম প্ৰমাণপত্ৰ বাধ্যতামূলক কৰা হ’ব যাতে নিশ্চিত কৰা যায় যে ছোৱালীৰ বয়স কমেও ১৮ আৰু ল’ৰাৰ বয়স ২১ হোৱাৰ পিছতহে বিবাহৰ নিবন্ধন কৰা হ’ব। ডাঃ সাহাই কয় যে এই সংস্কাৰে সামাজিক অনুষ্ঠানৰ পূৰ্বে আইনী কাঠামো গঢ়ি তুলিব। অন্য এক গুৰুত্বপূৰ্ণ বিষয়ৰ কথা উল্লেখ কৰি ডাঃ সাহাই কয় যে বহু প্ৰভাৱশালী ব্যক্তি লাভৰ বাবে মাদক ব্যৱসায়ত জড়িত, কিন্তু তেওঁলোকৰ বিৰুদ্ধে আইনৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। তেওঁ কঠোৰ সুৰত কয়, “মাদক চোৰাচালানত জড়িত কাকো ৰেহাই দিয়া নহ’ব। আমি জিৰ’ টলাৰেন্স নীতি গ্ৰহণ কৰিছো।” মুখ্যমন্ত্ৰীয়ে কয় যে অতীতত ত্ৰিপুৰাত মাদকাসক্তিৰ কোনো ডাঙৰ সমস্যা নাছিল, কিন্তু গত চাৰি দশকত এই সমস্যা বৃদ্ধি পাইছে। তবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি চৰকাৰে মাদক সমস্যাৰ বিৰুদ্ধে নিৰন্তৰ নিৰীক্ষণ আৰু কঠোৰ আইন প্ৰয়োগৰ জৰিয়তে মোকাবিলা কৰাৰ বাবে অগ্ৰাধিকাৰ দিছে। তেওঁ সামৰণিত কয় যে মাদক আৰু শিশু বিবাহৰ পৰা মুক্ত ভৱিষ্যত গঢ়াৰ বাবে সজাগতামূলক অভিযানৰ গুৰুত্ব অপৰিসীম।

## আদানী-আম্বানীৰ স্বাৰ্থত

চৰকাৰে আদানী, আম্বাণী আৰু ৰামদেৱৰ দৰে পুঁজিপতিসকলক ৫৫ হেজাৰ বিঘা মাটি প্ৰদানৰ বাবে পৰিকল্পনাৰ অংশ হিচাপে এই উচ্ছেদ অভিযান চলাইছে। জগদীশ ভূএগ্ৰাই দাবী কৰিছে যে, উচ্ছেদৰ লক্ষ্য হৈছে ৫৫ হেজাৰ বিঘা মাটিৰ ভিতৰত মাত্ৰ ৬ হেজাৰ বিঘা পূৰ্ববংগীয় লোকৰ দখলৰ পৰা খালী কৰা, আনহাতে বাকী ৪৯ হেজাৰ বিঘা মাটি খিলঞ্জীয়া অসমীয়াৰ পৰা কাঢ়ি লোৱাৰ পৰিকল্পনা চলিছে। তেওঁ লগতে কয়, “পূৰ্ববংগীয় লোকৰ এটা ক্ষুদ্ৰ অংশৰ বাহিৰে সকলোকে নগদ ক্ষতিপূৰণ আৰু বিকল্প মাটিৰ ব্যৱস্থাৰে পুনৰসংস্থাপন কৰা হৈছে। কিন্তু উচ্ছেদিত খিলঞ্জীয়া জনগোষ্ঠীৰ কোনো ব্যক্তিক চৰকাৰে ক্ষতিপূৰণ বা পুনৰসংস্থাপনৰ কোনো সুবিধা প্ৰদান কৰা নাই। এই পৰিস্থিতিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ‘বাংলাদেশী উচ্ছেদ’ৰ দাবী কেৱল জাতিক প্ৰতাৰণাৰ এক প্ৰচেষ্টা, যি ৰাষ্ট্ৰদ্ৰোহী কাৰ্যৰ সমতুল্য।” সংবাদমেলৰ আৰম্ভণিতে তেওঁ শেহতীয়া ঘটনাৰ পটভূমি বৰ্ণনা কৰি কয়, “জুন মাহৰ শেষত প্ৰকাশ পাইছিল যে গো-পালকৰ বাবে আৱণ্টিত ৰাজসাহায্য প্ৰকৃত গো-পালকৰ পৰিৱৰ্তে মন্ত্ৰীৰ পত্নীয়ে লাভ কৰিছে। ইয়াৰ সমান্তৰালভাৱে গীৰ গাই কেলেংকাৰীৰ তথ্যও পোহৰলৈ আহিছিল। ইয়াৰ পূৰ্বে আদানী গোষ্ঠীৰ স্বাৰ্থত ৰাজ্যৰ বিভিন্ন স্থানত খিলঞ্জীয়া জনজাতিৰ লোকসকলক উচ্ছেদৰ পৰিকল্পনাৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদত নামিছিল। একে সময়তে অসমৰ ভূমি আইন সংশোধনৰ মাধ্যমে পুঁজিপতিসকলক মাটিৰ মালিকানা হস্তান্তৰৰ পৰিকল্পনাৰ বিৰুদ্ধেও জনতাৰ প্ৰতিবাদ অব্যাহত আছিল।” তেওঁ আৰু উল্লেখ কৰে যে, এই বিষয়সমূহৰ ফলত বিজেপি দল আৰু চৰকাৰ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছিল। দলৰ অভ্যন্তৰীণভাৱেও চৰকাৰৰ কাৰ্যকলাপৰ সমালোচনা হৈছিল। ফলত মুখ্যমন্ত্ৰী বাধ্য হৈ পৰ্বতঝোৰা, পলাশবাৰী আদি অঞ্চলত উচ্ছেদ নকৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু জনতাৰ ক্ষোভ অব্যাহত থকা দেখি চৰকাৰে ধুবুৰী আৰু গোৱালপাৰাত উচ্ছেদ অভিযানৰ মাধ্যমে গণ-আক্ৰোশৰ দিশ ভিন্নমুখী কৰাৰ চেষ্টা কৰিছে। ভূএগ্ৰাইৰ মতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত দুটা মূল দাবী কৰিছিল: প্ৰথমত, তেওঁৰ চৰকাৰে বাংলাদেশীক উচ্ছেদ কৰিছে, আৰু দ্বিতীয়ত, এই অভিযান অসম আৰু অসমীয়াৰ স্বাৰ্থত চলোৱা হৈছে। কিন্তু তেওঁৰ প্ৰশ্ন, “চৰকাৰী তথ্য অনুসৰি, উচ্ছেদিতসকলৰ অধিকাংশক ক্ষতিপূৰণ আৰু পুনৰসংস্থাপনৰ সুবিধা দিয়া হৈছে। যদি তেওঁলোক বাংলাদেশী, তেন্তে তেওঁলোকক ক্ষতিপূৰণ আৰু মাটি কিয় দিয়া হৈছে? এনে কৰ্মকাণ্ড দেশদ্ৰোহী নহয়নে?” তেওঁ উদাহৰণ দাঙি ধৰি কয়, “কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ পৰা উচ্ছেদ কৰা ৩৩২টা ধৰ্মীয় সংখ্যালঘু পৰিয়ালক ১৪.৭১ কোটি টকা ক্ষতিপূৰণ দিয়া হৈছে। গৰুখুঁটিৰ ২,০৫১টা পৰিয়ালৰ ১,৫৮৩টাক দলগাঁৱত পুনৰসংস্থাপন কৰা হৈছে। হোজাইৰ লামডিং সংৰক্ষিত বনাঞ্চলৰ নখুঁটিৰ ৭০৭টা পৰিয়ালৰ ২০৬টাক নখুঁটি জাঞ্জু বস্তিত সংস্থাপন কৰা হৈছে, আৰু বাকী ৫০১টা পৰিয়ালক যমুনা কৃষিপামত মাটি আৱণ্টন দিয়া হৈছে। বটদ্ৰৱাৰ ৩৬৬টা পৰিয়ালৰ ৭টাক ৩২.৫ লাখ টকা ক্ষতিপূৰণ দিয়াৰ তথ্য গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা হৈছে। ধুবুৰীৰ চাপৰ আৰু গোৱালপাৰাত উচ্ছেদিত গৃহহীন পৰিয়ালসমূহক ৫০ হেজাৰ টকা নগদ সাহায্য আৰু মাটি আৱণ্টনৰ প্ৰতিশ্ৰুতি দিয়া হৈছে।” তেওঁ প্ৰশ্ন তুলি কয়, “যদি এইসকল বাংলাদেশী, তেন্তে তেওঁলোকক ক্ষতিপূৰণ আৰু পুনৰসংস্থাপন কিয়? বাংলাদেশী হ’লে তেওঁলোকক সীমান্তৰে বাহিৰ কৰা উচিত আছিল। এই কাৰ্যকলাপে প্ৰমাণ কৰে যে তেওঁলোক ভাৰতীয় নাগৰিক। তেন্তে মুখ্যমন্ত্ৰীৰ ‘বাংলাদেশী খেদা’ৰ দাবী মিছা আৰু ৰাজনৈতিক প্ৰতাৰণাৰ অংশ।” ভূএগ্ৰাই আৰু দাবী কৰে যে, ধুবুৰীৰ চাপৰত আদানী গ্ৰুপৰ ৩,৪০০ মেগাৱাটৰ তাপ বিদ্যুৎ প্ৰকল্পৰ বাবে মাটি খালী কৰা হৈছে। গোৱালপাৰাৰ পাইকানত ৰে’লৰ দবা নিৰ্মাণ কাৰখানাৰ বাবে উচ্ছেদ চলিছে, যি আদানী ইনফ্ৰাষ্ট্ৰাকচাৰে নিৰ্মাণ কৰিব। কোকৰাঝাৰৰ পৰ্বতঝোৰাত ৩,২০০ মেগাৱাটৰ তাপ বিদ্যুৎ প্ৰকল্পৰ বাবে ৩,৬০০ বিঘা মাটিৰ প্ৰয়োজন, য’ত বড়ো সম্প্ৰদায়ক উচ্ছেদ কৰা হ’ব। কাৰ্বি আংলংৰ লংকাপথাৰত ১,০০০ মেগাৱাটৰ সৌৰ শক্তি প্ৰকল্পৰ বাবে ২৪খন গাঁৱৰ কাৰ্বি সম্প্ৰদায়ক উচ্ছেদৰ পৰিকল্পনা আছে। পশ্চিম কাৰ্বি আংলংৰ আমতেৰেঙত ৭,১৮৪.৭ একৰ মাটি মুক্ত কৰিবলৈ ২,০৮৬টা কাৰ্বি আৰু খাচী পৰিয়ালক উচ্ছেদৰ সিদ্ধান্ত লোৱা হৈছে। ডিমা হাছাওৰ উমৰাংছ’ত ৪০ লাখ টন উৎপাদন ক্ষমতাৰ চিমেণ্ট কাৰখানাৰ বাবে আদানী গ্ৰুপক ৯,০০০ বিঘা মাটিৰ প্ৰয়োজন। পলাশবাৰী-বৰদুৱাৰত ছেটেলাইট টাউনশ্বিপৰ বাবে ১,৫০০ একৰ মাটি খালী কৰাৰ পৰিকল্পনা আছে। তেওঁ লগতে কয়, “অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়ণৰ বাবে গঠিত বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ অগ্ৰগতিৰ বিষয়ে চৰকাৰৰ স্থিতি স্পষ্ট নহয়। এই প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে গ্ৰহণ কৰিছেনে? কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত এই প্ৰতিবেদন ‘দাঁড়ি-কমা নকটাকৈ’ ৰূপায়ণৰ প্ৰতিশ্ৰুতি দিছিল। তেন্তে কিয় এতিয়ালৈকে ৰূপায়ণ হোৱা নাই? এই প্ৰশ্নৰ উত্তৰ চৰকাৰে দিব লাগিব।”

## যদি আশুডুবি সংৰক্ষিত বনাঞ্চল

সময়ত তীব্ৰ সমালোচনা কৰি তেওঁ চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে আৰু এই ঘটনাৰ চিবিআই তদন্তৰ দাবী জনায়। বৃহস্পতিবাৰৰ পুৱতি কৃষ্ণাইৰ আশুডুবি এলেকাত উচ্ছেদ অভিযানৰ সময়ত বন বিভাগৰ দল আৰু স্থানীয় লোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। মূল ৰাস্তাত গাঁত খন্দাৰ ফলত বাক-বিতণ্ডাৰ সৃষ্টি হয়, যি পিছত হিংসাত্মক ৰূপ লয়। বন বিভাগৰ লোকে জনতাক ছত্ৰভংগ কৰিবলৈ লাঠীচালনা কৰে, আৰু প্ৰত্যুত্তৰত উচ্ছেদিত লোকে শিলগুটি নিক্ষেপ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে বন বিভাগে গুলীচালনা কৰে, যাৰ ফলত ১৮/১৯ বছৰীয়া ছাকুৱাৰ আলী নিহত হয়। ইয়াৰ উপৰিও দহজনতকৈ অধিক লোক আহত হয়, য’ত কতুবুদ্দিন আলী নামৰ এজন যুৱক গুৰুতৰভাৱে আহত হৈ গুৱাহাটীৰ জিএমচিএইচত চিকিৎসাধীন অৱস্থাত মৃত্যুবৰণ কৰে। ছাকুৱাৰ আলীৰ মৃতদেহ গোৱালপাৰাৰ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ পিছত কিছমতপুৰ কবৰস্থানত সমাধিস্থ কৰা হয়। ছাকুৱাৰ আলীৰ জানাজাত সহস্ৰাধিক লোকৰ উপস্থিতিত অংশগ্ৰহণ কৰি ৰকিবুল হুছেইনে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, “এজন ফুলকুমলীয়া যুৱকক গুলীয়াই হত্যা কৰা হৈছে। কৃষ্ণাইৰ সংৰক্ষিত বনাঞ্চলত স্কুল, কলেজ আৰু পানী যোগানৰ আঁচনি আছে। যদি এইটো সংৰক্ষিত বনাঞ্চল, তেন্তে এইবোৰ কেনেকৈ থাকিব পাৰে? মুখ্যমন্ত্ৰীয়ে নিজেই এই অঞ্চলত চৰকাৰী আঁচনিৰ সুবিধা দিছিল। এই কাৰণে তেওঁৰ বিৰুদ্ধে তদন্ত কৰি গ্ৰেপ্তাৰ কৰা উচিত।” তেওঁ দাবী কৰে যে উচ্ছেদিত লোকৰ হাতত ১৯৫১ চনৰ পৰা কাগজ-পত্ৰ আছে আৰু এই ঘটনাৰ স্বচ্ছ তদন্তৰ বাবে চিবিআই তদন্তৰ আহ্বান জনায়। এআইইউডিএফৰ বিধায়ক হাফিজ ৰফিকুল ইছলামে এই ঘটনাক অমানৱীয় বুলি অভিহিত কৰি জিলা প্ৰশাসনক দায়িত্বশীলতাৰ সৈতে কাম কৰাৰ আহ্বান জনায়। তেওঁ কয়, “এগৰাকী যুৱকক মূৰত গুলীয়াই হত্যা কৰা হৈছে। তেওঁৰ বৃদ্ধ পিতৃ-মাতৃ শোকত ভাঙি পৰিছে। ৰাজ্যপালক এই বিষয়ত হস্তক্ষেপ কৰি পৰিয়ালটোৰ ন্যায় বিচাৰৰ ব্যৱস্থা কৰা উচিত।” তেওঁ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা উল্লেখ কৰি কয় যে উচ্ছেদিত লোকসকলক পুনৰ্বাসনৰ ব্যৱস্থা কৰাৰ দায়িত্ব জিলা প্ৰশাসনৰ। তেওঁ জিলা আয়ুক্তক এই দায়িত্ব পালনত ব্যৰ্থ হ’লে কঠোৰ পদক্ষেপৰ সতৰ্কবাণী দিয়ে। ৰকিবুল হুছেইনে এই ঘটনাৰ পিছৰ কাৰণ হিচাপে চৰকাৰৰ ব্যৰ্থতাক দায়ী কৰি কয় যে সংৰক্ষিত বনাঞ্চলত চৰকাৰী সুবিধা প্ৰদানৰ ফলত এই অঞ্চলত বেদখলৰ পৰিস্থিতি সৃষ্টি হৈছে। তেওঁৰ মতে, এই ঘটনাৰ স্বচ্ছ তদন্তৰ প্ৰয়োজন। হাফিজ ৰফিকুল ইছলামে জনায় যে উচ্ছেদিত লোকসকলক বিশুদ্ধ পানী আৰু খাদ্যৰ যোগান ধৰাৰ দায়িত্ব প্ৰশাসনৰ, আৰু এই ক্ষেত্ৰত ব্যৰ্থতা অগ্ৰহণযোগ্য।

## দুধৰ্ষ চাইবাৰ অপৰাধী

মৈৰাবাৰীৰ তাঁতীকটা অঞ্চলৰ এটা ভাড়া ঘৰৰ পৰা আটক কৰিবলৈ সক্ষম হয় মৈৰাবাৰী আৰক্ষী। ধৃত মুকছিদুল ইছলামৰ ঘৰ মৰিগাঁও জিলাৰ গুনাইবড়ী গাঁৱত বুলি জানিব পৰা গৈছে। ১৭৮ নম্বৰৰ গোচৰত ধৃত মুকছিদুলৰ বিৰুদ্ধে মৈৰাবাৰী থানাত ১৭৮/২৪ নম্বৰত এটি গোচৰ ৰুজু হৈ আছিল। কুখ্যাত চাইবাৰ অপৰাধী মুকছিদুলে ভুৱা নথিপত্ৰ প্ৰস্তুত কৰি বহু প্ৰতিষ্ঠানৰ পৰা লাখ লাখ টকা আত্মসাৎ কৰি হঠাতেই অন্তৰ্ধান হৈছিল। আৰক্ষীৰ ধাৰাবাহিক অভিযানত অতিষ্ঠ হৈ অৱশেষত মুকছিদুলে নিজা ঘৰ এৰি মৈৰাবাৰী থানাৰ অন্তৰ্গত তাঁতিকটা গাঁৱৰ এটি ভাড়াঘৰত থাকি থাকিবলৈ লয়। আৰক্ষীৰ অভিযানত মুকছিদুল ইছলামৰ পৰা চাইবাৰ অপৰাধত ব্যৱহৃত বহু সন্দেহজনক আৰু আপত্তিজনক নথিপত্ৰ জব্দ কৰা হৈছে বুলি জানিব পৰা গৈছে। মুকছিদুলৰ গ্ৰেপ্তাৰ হোৱা লগে লগে মুকছিদুলৰ সৈতে জড়ীত চাইবাৰ চক্ৰ টোৰ আন সদস্য জালত পৰা সম্ভাৱনা থকাৰ লগতে বহু নতুন তথ্য উন্মোচিত হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে আৰক্ষীয়ে। ইতিমধ্যে মুকছিদুলক গ্ৰেপ্তাৰ কৰি চাইবাৰ চক্ৰটোৰ অধিক তথ্য উদ্ধাৰৰ বাবে আৰক্ষীয়ে মুকছিদুলক জেৰা অব্যাহত ৰাখিছে।

## লখিমপুৰৰ উচ্ছেদিত ১১টা

প্ৰকল্পৰ উদ্দেশ্য হৈছে প্ৰতিষ্ঠানটোৰ কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে চৌহদত পুনৰ উন্নয়ন আৰু অতিৰিক্ত সুবিধা প্ৰদান কৰা। মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ ৩১ জুলাইত সম্পূৰ্ণ হ’ব। এই সংস্কৰণত ৪ হাজাৰৰো অধিক অনুষ্ঠানক ভূমিপট্টাৰ অনুমোদন দিয়া হৈছে। ইয়াৰ উপৰি, দিব্যাংগসকলৰ বাবে ছয়গাঁও ৰাজহ চক্ৰৰ বনগাঁও মৌজাৰ অন্তৰ্গত গাঁও দেওচৰত ১৫০ বিঘা ভূমিত নেচনেল ইউনিভাৰ্চিটি ফৰ ডিচেবিলিটি ষ্টাডিজ স্থাপনৰ অনুমোদন দিয়া হৈছে। এই প্ৰকল্পৰ বাবে প্ৰিমিয়ামত ৫০ টকা ৰেহাইৰ সুবিধাও কেবিনেটে মঞ্জুৰ কৰিছে। ২০২৫-২৬ বৰ্ষৰ বাজেটত মুখ্যমন্ত্ৰী এটি কলি দুটি পাত নামৰ ফ্লেগশ্বিপ আঁচনিৰ জৰিয়তে অসমৰ চাহ বাগিচাৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলৰ বাবে আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰায় ৭ লাখ যোগ্য শ্ৰমিক আৰু কৰ্মচাৰীক ৫, ০০০ টকাৰ একক কিস্তি প্ৰদানৰ বাবে ৩৪২ কোটি টকাৰ অনুমোদন দিয়া হৈছে। গুৱাহাটীৰ সৰুসজাইত ৫০০ বিছনাযুক্ত মেদান্ত চিকিৎসালয়, ১০০ বিছনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয় আৰু পঞ্চতাৰকা লেমন ট্ৰী হোটেল নিৰ্মাণৰ বাবে ভূমি আবণ্টনৰ অনুমোদন জনোৱা হৈছে। এই তিনিটা প্ৰকল্পৰ সন্মিলিত বিনিয়োগৰ পৰিমাণ ৮০০ কোটি টকা, যিয়ে স্থানীয় যুৱক-যুৱতীৰ বাবে প্ৰায় ২, ৭০০ চাকৰিৰ সুযোগ সৃষ্টি কৰিব। কেবিনেটে অসম শক্তি বিতৰণ নিগম লিমিটেড, অসম বিদ্যুৎ গ্ৰীড নিগম লিমিটেড, অসম শক্তি উৎপাদন নিগম লিমিটেড আৰু আদৰ্শ বিদ্যালয়ৰ ইচ্ছুক কৰ্মচাৰী তথা তেওঁলোকৰ নিৰ্ভৰশীলসকলক আয়ুষ্মান অসম-মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনাৰ অধীনত স্বেচ্ছামূলকভাৱে অন্তৰ্ভুক্ত কৰাৰ অনুমোদন জনায়। তেল অন্বেষণৰ ক্ষেত্ৰত অইল ইণ্ডিয়া লিমিটেড আৰু অইল এণ্ড নেচাৰেল গেছ কৰ্পৰেশ্যনৰ দৰে কোম্পানীসমূহে প্ৰয়োজনীয় ভূমি প্ৰচলিত বজাৰ হাৰ আৰু নীতি-নিৰ্দেশনা অনুসৰি মাটিৰ মালিকৰ সৈতে আলোচনাৰ জৰিয়তে ক্ৰয় বা পট্টাত ল’ব পাৰিব। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত ডিফল্টভাৱে ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ নকৰে। সংবাদমেলত পাইকানৰ ঘটনাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, “কোনোবাই উত্তেজিত কৰিলে ব্যৱস্থা গ্ৰহণ কৰা হ’ব। কংগ্ৰেছে কাৰোবাক উত্তেজিত কৰিব নে নকৰে, নাজানো। কিন্তু উত্তেজিত পৰিৱেশৰ সৃষ্টি হ’লে আৰক্ষী সাজু হৈ থাকিব আৰু প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ’ব।”

## সত্ৰৰ ভূমিত খাদ্যৰ ব্যৱসায়

বিৰুদ্ধাচৰন কৰি এটা প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী সাব্যস্ত কৰে। এই সন্দৰ্ভত প্ৰেছ বিবৃতিৰ জৰিয়তে সংগঠনটোৰ কেন্দ্ৰীয় ভাৱপ্ৰাপ্ত সভাপতি মাধৱ দাস আৰু সাধাৰণ সম্পাদক অংশুমান শৰ্মাই জানিবলৈ দিয়ে যে মহাপুৰুষ গুৰুজনাৰ ধৰ্মীয় আৰ্দশৰে পৰিচালিত এই শাখা সত্ৰখনত বিগত সময় ধৰি ব্যাপক অনিয়ম সংঘটিত হৈ আহিছিল। বাইজে বিষয়টো পৰিষদক দৃষ্টিগোচৰ কৰাই দিয়াৰে পৰা পৰিষদে সংশ্লি-ষ্ট কৰ্তৃপক্ষকে ধৰি জিলা আয়ুক্ত আৰু শেষত মুখ্যমন্ত্ৰী লৈ স্মাৰক পত্ৰৰ জৰিয়তে বিষয়টো তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছিল। কিন্তু পৰিতাপৰ কথা এই যে আজিকোপতি প্ৰশাসনে বিষয়টো একো ব্যৱস্থা গ্ৰহণ নকৰিলে। প্ৰেছ বিবৃতি খনত দাস আৰু শৰ্মাই অনিয়ম চলা প্ৰসংগত কয় যে সত্ৰখনৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ পোনাৰাম বাপৰ ৰহস্যজনক মৃত্যুৰ পাছত সত্ৰাধিকাৰ বাপৰ সেই সময়ৰ আলপৈচান ধৰোঁতা শ্ৰী লক্ষ্মীকান্ত ডেকাই নিজকে সত্ৰাধিকাৰ বুলি দাবী কৰি নিজা ভনী-জোঁৱায়েকৰ পৰিয়ালটোক সত্ৰখনতে স্থায়ীভাৱে বসবাস কৰিবলৈ দি উদাসীন সত্ৰখনৰ উদাসীন চৰিত্ৰটোক বিনষ্ট কৰা লগতে পৰিৱেশটোও কলুষিত কৰিছে বুলি জানিবলৈ দিয়ে। ব্যৱসায়িক গোষ্ঠীক সত্ৰৰ ভূমি হস্তান্তৰ কৰি সত্ৰৰ চৌহদত “অঘা” নামৰ এখন ৰেষ্টুৰেণ্টত সত্ৰীয়া পৰম্পৰাৰ পৰিপন্থী খাদ্য মাছ-মাংস চলাবলৈ দি ব্যৱসায় চলোৱাৰ লগতে অসম চৰকাৰৰ “অসম দৰ্শন” আচনিৰ অধীনত পোৱা অতিথিশালা আৰু ৰাইজৰ দান-বৰঙনিৰে নিৰ্মাণ কৰা দিয়া ভকত বহা কেইটাও ব্যৱসায়ীৰ গুদাম ঘৰলৈ পৰিণত কৰা সমান্তৰালকৈ ভক্ত-দৰ্শনাৰ্থীৰ বাবে সত্ৰৰ দোৱাৰ বন্ধ কৰি সত্ৰখনৰ সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশ বিনষ্ট কৰিছে এইজনা সত্ৰাধিকাৰে। বিবৃতিখনত দাস আৰু শৰ্মাই অন্যহাতে কয় ইয়াত উদ্বেগজনক কথা হল যে স্বয়জু সত্ৰাধিকাৰ, ভনী-জোঁৱায়েকৰ পৰিয়ালটোৰ বাদেও অসম সত্ৰ আয়োগৰ অধ্যক্ষ তথা আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাৰ নিজা ভটিজাক জনাৰ্দন হাজৰিকা আৰু অভিনন্দন হাজৰিকা উক্ত ৰেষ্টুৰেণ্টখনৰ স্বত্বাধিকাৰী বুলি প্ৰমাণ পোৱা গৈছে। যিটো সময়ত চৰকাৰে নিজৰ ৰাজনৈতিক ভৱিষ্যতৰ কথা চিন্তা নকৰি সত্ৰ-দেৱালয়ৰ ভূমি বেদখল মুক্ত কৰণৰ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে ঠিক একে সময়তে এজন স্বয়জু সত্ৰাধিকাৰ তথা চৰকাৰী ক্ষমতাত বলীয়ান হোৱা হাজৰিকা ভাতৃদ্বয়ে চলোৱা ব্যৱসায়ৰ উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি দোষীক দৃষ্টান্ত-মূলক শাস্তি প্ৰদান কৰি সত্ৰৰ পৱিত্ৰতা বৰ্তাই ৰখাৰ স্বাৰ্থত এই কাৰ্য্যসূচীৰ জৰিয়তে মুখ্যমন্ত্ৰী ড’’ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনক এখন স্মাৰক পত্ৰ জৰিয়তে দাবী জনায়। উক্ত কাৰ্য্যসূচীত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমৰ মুখ্য উপদেষ্টা বলেন বৈশ্য, কেন্দ্ৰীয় ভাৰপ্ৰাপ্ত সভাপতি মাধৱ দাস, সাধাৰণ সম্পাদক অংশুমান শৰ্মা, সাংগাঁথনিক সম্পাদক ৰূপম দাস, কাৰ্যনিৰ্বাহক সদস্য বিটুমণি গগৈ সহিতে গুৱাহাটী মহানগৰ সমিতিৰ কাৰ্য্যাকৰ্তা, টিংকু কলিতা, ধ্ৰুৱজ্যোতি দাস, সুদৰ্শন বৈশ্য, দ্বীপজ্যোতি দাস, হিন্দুৰাষ্ট্ৰ দাবী সমিতিৰ সাংগঠনিক সম্পাদক বিষ্ণু নাথ দত্ত, শ্ৰীশ্ৰী জবাবাৰী শাখা সত্ৰ পুনৰুদ্ধাৰ সমিতিৰ সভানেত্ৰী পদ্মিনী মালাকাৰ সহ শতাধিক সদস্যাই অংশগ্ৰহণ কৰে।

## অসমীয়া জাতিৰ সুৰক্ষাৰ স্বাৰ্থত

কংগ্ৰেছক মূল শত্ৰু হিচাপে আখ্যা দি তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, “কংগ্ৰেছে ক্ষমতাত থাকোঁতে দুৰ্নীতি আৰু ভোটবেংকৰ স্বাৰ্থত বাংলাদেশৰ পৰা অবৈধভাৱে মানুহৰ প্ৰৱেশৰ পথ মুকলি কৰি দিছিল, যাৰ ফলত খিলঞ্জীয়া অসমীয়া সম্প্ৰদায়ৰ মাজত শংকাৰ সৃষ্টি হৈছিল। এই কাৰণেই অসম আন্দোলনৰ জন্ম হৈছিল।” লখিমপুৰৰ গণ ভৱনত আয়োজিত অগপৰ জিলা কাৰ্যালয়ৰ এক সাংগঠনিক সভাত অংশগ্ৰহণৰ বাবে উপস্থিত হৈ তেওঁ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয়, “আমাৰ মূল লক্ষ্য হৈছে অসমীয়া জাতিৰ সুৰক্ষা। এই স্বাৰ্থত আমি কেতিয়াবা আগুৱাই গৈছো, কেতিয়াবা পিছুৱাই আহিছো। বিজেপিৰ সৈতে আমাৰ আদৰ্শগত পাৰ্থক্য থাকিলেও, অসমৰ জনসাধাৰণৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে আমি এন ডি এৰ অংশীদাৰ হিচাপে ঐক্যবদ্ধভাৱে কাম কৰি আছো।” অতুল বৰাই বিজেপিৰ সৈতে মিত্ৰতাৰ প্ৰসঙ্গত কয়, “অগপ আৰু বিজেপিৰ মিত্ৰতা পূৰ্বৰ পৰাই চলি আহিছে আৰু আগন্তুক নি ৰ্বাচনতো এই জোট অব্যাহত থাকিব। আসন বণ্টনৰ ক্ষেত্ৰত আমি এনে সমঝোতাৰ পথ বাচি ল’ম, য’ত যি দলৰ জয়ৰ সম্ভাৱনা অধিক, সেই দিশত গুৰুত্ব দিয়া হ’ব।” তেওঁ ১৯৮৫ চনৰ অসম আন্দোলনৰ পিছৰ নিৰ্বাচনৰ কথা উল্লেখ কৰি কয় যে সেই সময়ত অগপৰ পৰা প্ৰত্যাশিত সংখ্যক আসন লাভ নহ’লেও, ১৯৯৬ চনত বামপন্থী আৰু অন্যান্য দলৰ সৈতে জোট গঠন কৰি অগপই চৰকাৰ গঠন কৰিছিল। দলৰ কিছু কৰ্মীৰ অসন্তুষ্টিৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত অতুল বৰাই কয়, “কিছুমান সমষ্টিত আমাৰ কৰ্মীসকলে বঞ্চিত বা সন্মানৰ অভাৱ অনুভৱ কৰাৰ কথা উত্থাপন কৰিছে। মই তেওঁলোকৰ এই অভিযোগৰ কাৰণসমূহ বুজিবলৈ চেষ্টা কৰিছো। আমাৰ তৃণমূল কৰ্মীসকলৰ ওপৰত মোৰ পূৰ্ণ আস্থা আছে। বহু নেতা দল এৰি গৈছে, কিন্তু তৃণমূল কৰ্মীৰাই দলটোক ধৰি ৰাখিছে, কাৰণ এই দল ৰাইজৰ তেজেৰে গঢ়া।” তেওঁ দলৰ সাংগঠনিক শক্তিবৰ্ধনৰ প্ৰচেষ্টাৰ বিষয়ে কয়, “দলটো এজোপা গছৰ দৰে, যাক নিয়মীয়াকৈ সাৰ-পানী দিয়াৰ প্ৰয়োজন। দীৰ্ঘদিন যদি সাৰ-পানী নিদিয়া হয়, তেন্তে দলটো আগুৱাই নাযায়। আমাৰ কৰ্মীসকলে সকলো পোৱা-নোপোৱাৰ বেদনা পাহৰি দলৰ হৈ কাম কৰি আছে। তেওঁলোকৰ মনৰ কথা মই আন্তৰিকতাৰে শুনিছো আৰু সমাধানৰ চেষ্টা কৰিম।” লখিমপুৰৰ গণ ভৱনত আয়োজিত এই সাংগঠনিক সভাত অতুল বৰাৰ সৈতে চাবুৱাৰ বিধায়ক পোণাকন বৰুৱা, উপ-সভাপতি অপূৰ্ব ভট্টাচাৰ্য, সাধাৰণ সম্পাদক প্ৰবীণ হাজৰিকা, নুৰুল চুলতান, তোলন কোঁৱৰ, বিত্ত সম্পাদক জয়ন্ত খাউণ্ড আৰু ধনমণি দত্তৰ লগতে দলৰ বহুকেইজন জ্যেষ্ঠ নেতা উপস্থিত আছিল। এই সভাত দলৰ সাংগঠনিক কাৰ্যকলাপ শক্তিশালীকৰণ আৰু আগন্তুক নিৰ্বাচনৰ প্ৰস্তুতিৰ বিষয়ে বিস্তৃত আলোচনা হয়।

## উচ্চ (কাৰিকৰী) শিক্ষা

অনুষ্ঠানত উচ্চ (কাৰিকৰী) শিক্ষা বিভাগৰ অধীনত ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰে। ইয়াৰে ৰাজ্যৰ পলিটেকনিকসমূহত ১৪১ গৰাকী কাৰিকৰী বিষয়ৰ আৰু ৯৫ গৰাকী অকাৰিকৰী বিষয়ৰ প্ৰবক্তাকে ধৰি সৰ্বমুঠ ২৩৬ গৰাকী প্ৰবক্তা। আনহাতে, আজিৰ অনুষ্ঠানতে ৰাজ্যৰ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকসমূহত ৮৫ গৰাকী জ্যেষ্ঠ প্ৰশিক্ষক আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ত ৩ গৰাকী তথা পলিটেকনিকসমূহত ১৮ গৰাকী গ্ৰন্থাগাৰিকক নিযুক্তি-পত্ৰ প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰা এই নিযুক্তি-পত্ৰৰ ফলত বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত প্ৰদান কৰা নিযুক্তিৰ সংখ্যা ১, ২১, ১৮২ লৈ বৃদ্ধি পালে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে নৱ নিযুক্ত এই প্ৰাৰ্থীসকলক অসম অভিযান্ত্ৰিক সেৱা নিযুক্তি ব’ৰ্ডে জনোৱা অনুমোদনৰ ভিত্তিত আজি নিযুক্তি-পত্ৰ প্ৰদান কৰা হৈছে। তেওঁ কয় যে ২০২২ চনৰ পৰা বৰ্তমানৰ ৰাজ্য চৰকাৰে এই নিযুক্তি ব’ৰ্ডে জনোৱা অনুমোদনৰ ভিত্তিত ৬৩০ গৰাকী প্ৰাৰ্থীক ৰাজ্যৰ বিভিন্ন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকত প্ৰবক্তা আৰু অন্যান্য পদত নিযুক্তি প্ৰদান কৰিছে। তদুপৰি, ২০২৪ চনত অসম লোকসেৱা আয়োগে জনোৱা অনুমোদনৰ ভিত্তিত ৭৬ গৰাকী প্ৰাৰ্থীক অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহত কাৰিকৰী আৰু অকাৰিকৰী বিষয়ৰ সহকাৰী অধ্যাপক পদত নিযুক্তি দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ১ লাখ চৰকাৰী পদত ৰাজ্যৰ যুৱক-যুৱতীসকলক নিযুক্তি প্ৰদানৰ বাবে নিৰ্বাচনৰ সময়ত প্ৰদান কৰা প্ৰতিশ্ৰুতি পূৰণৰ দিশত আগবাঢ়ি ৰাজ্য চৰকাৰে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহত অধ্যাপক-অধ্যাপিকাৰ পদ পূৰণত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছিল। কিয়নো এইধৰণৰ শিক্ষানুষ্ঠানত শিক্ষকৰ পদ খালী হৈ থাকিলে শিক্ষাৰ্থীসমাজ যথেষ্ট ক্ষতিৰ সন্মুখীন হয়। তেওঁ মন্তব্য কৰে যে বিগত ১০-১৫ বছৰ ধৰি ৰাজ্যৰ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকসমূহত নিযুক্তিৰ সমগ্ৰ প্ৰক্ৰিয়াটো জটিলতাৰ মাজত আবদ্ধ হৈ আছিল। ৰাজ্য চৰকাৰে বিভিন্ন প্ৰচেষ্টাৰে এই জটিলতা আঁতৰ কৰাৰ পিছত ৰাজ্যৰ ২৬খন চৰকাৰী পলিটেকনিক আৰু ৭খন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ খালী হৈ থকা অধ্যাপক-অধ্যাপিকাৰ পদ পূৰণৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ দিশত আগবাঢ়িছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চলিত বৰ্ষৰ ডিচেম্বৰ মাহত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠিব। ভাষণত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকসমূহৰ গুণগত মান বৃদ্ধিৰ লগতে চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে দক্ষ মানৱ সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে জাগীৰোডত ছেমিকণ্ডা’ৰ উদ্যোগ, নুমলীগড় শোধনাগাৰত ইথানল প্ৰকল্প, নামৰূপত সাৰ কাৰখানা আদি স্থাপনৰ কাম-কাজ তথা প্ৰক্ৰিয়া চলি আছে। তেনেদৰে প্ৰায় ১০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ দুটাকৈ বৃহৎ চিমেণ্ট প্ৰকল্প স্থাপনৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তাৱ লাভ কৰিছে। আনহাতে, দুটা তাপবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবেও ৰাজ্য চৰকাৰে প্ৰচেষ্টা গ্ৰহণ কৰিছে। এইদৰে উদ্যোগীকৰণৰ প্ৰক্ৰিয়া অব্যাহত থাকিলে আগন্তুক ৫-৬ বছৰত অসমত এক নিৰ্মাণ খণ্ড গঢ় লৈ উঠিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰতি ভাৰতবৰ্ষ বিশ্বৰ তৃতীয় শক্তিশালী অৰ্থনীতি হোৱাৰ দিশত অগ্ৰসৰ হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে ৰাজ্যত কৰ্ম সংস্থাপনৰ সুবিধা যথেষ্ট বৃদ্ধি পাব বুলি মন্তব্য কৰি তেওঁ ষ্টাৰ্ট আপ, ইনকুবেশান চেণ্টাৰ গঢ়ি তোলাৰ লগতে উদ্ভাৱনীমূলক কাম-কাজ বৃদ্ধিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যৰ যুৱক-যুৱতীসকলে কৃত্ৰিম বুদ্ধিমত্তা, মেচিন লাৰ্নিং তথা থ্ৰী-ডি প্ৰিণ্টিং আদিৰ দৰে প্ৰযুক্তিৰ জ্ঞান লাভৰ ওপৰতো গুৰুত্ব আৰোপ কৰি কয় যে উদ্যমিতা আৰু মেধা সম্পন্ন কোনো ব্যক্তিৰ বাবেই সাম্প্ৰতিক সময়ত সংস্থাপন লাভ কৰাটো সমস্যা হ’ব নোৱাৰে। সম্প্ৰতি ৰাজ্যত ৮খন অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত আছে বুলিও সদৰি কৰি ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে নিজৰ আকাংক্ষা পূৰ্ণ হোৱাৰ পিছত এগৰাকী ব্যক্তিয়ে সমাজৰ আনসকলৰ বাবে নিজকে সমৰ্পণ কৰিলেহে সমাজখন আগুৱাই যাবলৈ সক্ষম হয়। তেওঁ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকসমূহত আজি নিযুক্তি লাভ কৰা অধ্যাপক-অধ্যাপিকাসকলক সেয়ে নিজ নিজ শিক্ষানুষ্ঠানত নতুন চিন্তাৰ বুনিয়াদ গঢ় দিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে অধ্যাপক-অধ্যাপিকাসকলে ৰাজ্যৰ শিক্ষাৰ্থী সমাজক আগন্তুক নতুন সময়ৰ বাবে প্ৰস্তুত কৰা উচিত। ৰাজ্যৰ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকসমূহ দক্ষ মানৱ সম্পদ গঢ়াৰ লগতে ষ্টাৰ্ট আপ আৰু উদ্ভাৱনৰ একোটা কেন্দ্ৰ হৈ পৰিব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে শক্তিখণ্ডকে ধৰি বিভিন্ন খণ্ডত সম্প্ৰতি অভিযন্তাসকলৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। ইয়াৰ পৰিপ্ৰেক্ষিততে অসমৰ অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলক এনে চাহিদা পূৰণ কৰিব পৰাকৈ ৰাজ্যৰ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিকসমূহে দক্ষ কৰি তুলিব লাগিব। এই অনুষ্ঠানত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, কাৰিকৰী শিক্ষা সঞ্চালক ধ্ৰুৱজ্যোতি বৰাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## গোৱালপাৰাৰ উচ্ছেদ অভিযানৰ সংঘৰ্ষৰ

১ কোটি টকা ব্যয়েৰে নিৰ্মিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ উদ্বোধনৰ সময়ত তেওঁ এই মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিছে যে এই ঘটনাৰ তদন্তৰ লগতে ৰাজ্যজুৰি উচ্ছেদ অভিযান অব্যাহত থাকিব। বনমন্ত্ৰীয়ে কয়, “এই আক্ৰমণৰ পিছফালে কোন আছে, তাৰ তদন্ত হ’ব লাগিব। ইমানদিন উচ্ছেদৰ সময়ত এনে ঘটনা সংঘটিত হোৱা নাছিল, কিন্তু হঠাৎ এই ঘটনা কিয় ঘটিল? চৰকাৰে এই বিষয়ে নিশ্চিতভাৱে তদন্ত কৰিব।” তেওঁৰ মতে, উচ্ছেদিত লোকে আৰক্ষী আৰু বনকৰ্মীৰ ওপৰত শিল, ইটা আদিৰে আক্ৰমণ চলাইছিল, যাৰ ফলত ছয়জন বনকৰ্মী আৰু একাধিক আৰক্ষী গুৰুতৰভাৱে আহত হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে আত্মৰক্ষাৰ স্বাৰ্থত গুলীচালনা কৰিবলগীয়া হৈছিল, যাৰ ফলত এজন ব্যক্তিৰ মৃত্যু হয়। চন্দ্ৰমোহন পাটোৱাৰীয়ে জনোৱা মতে, অসম চৰকাৰে এতিয়ালৈকে ১ লাখ ৩০ হেজাৰ বিঘা বনাঞ্চলৰ মাটি বেদখলমুক্ত কৰিছে, যিটো হাৰিয়ানা ৰাজ্যৰ মুঠ মাটিৰ পৰিমাণতকৈ ডেৰগুণ বেছি। তেওঁ দাবী কৰে যে বেদখলকাৰীসকলৰ বহুতৰে অন্যত্ৰ ঘৰ আৰু মাটি থকাৰ তথ্য প্ৰকাশ পাইছে, তথাপি তেওঁলোকে জানি-বুজি বনাঞ্চল দখল কৰিছিল। তেওঁৰ মতে, এই অভিযান অসমৰ প্ৰাকৃতিক সম্পদ আৰু ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত চলোৱা হৈছে, নহয় কোনো ভোটবেংকৰ স্বাৰ্থত। তেওঁ কয়, “১৯৫৯-৬০ চনতেই এই বনাঞ্চলৰ পৰা উচ্ছেদৰ প্ৰয়োজন আছিল, কিন্তু তেতিয়া কংগ্ৰেছৰ চৰকাৰে ভোটবেংকৰ স্বাৰ্থত বেদখলকাৰীসকলক সুৰক্ষা দিছিল। আমাৰ বাবে অসমৰ ৰাইজৰ সুৰক্ষাই প্ৰাধান্য, ভোটবেংক নহয়।” বনমন্ত্ৰীয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ মন্তব্যৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে খাৰ্গেৰ উচ্ছেদিত লোকসকলৰ বাবে ঘৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতিয়ে পৰোক্ষভাৱে এই আক্ৰমণৰ পৰিৱেশ সৃষ্টি কৰিব পাৰে। তেওঁ কয়, “যদি তেওঁলোকে মাটি কিনি ঘৰ নিৰ্মাণ কৰিব বিচাৰে, তাত আমাৰ আপত্তি নাই। কিন্তু উচ্ছেদ অব্যাহত থাকিব, কাৰণ এইটো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ অধীনত চলিছে।” তেওঁৰ মতে, কংগ্ৰেছৰ শেহতীয়া মন্তব্য আৰু প্ৰতিবাদে উচ্ছেদিত লোকসকলক উত্তেজিত কৰাৰ সম্ভাৱনা আছে, যাৰ ফলত এনে হিংসাত্মক ঘটনা সংঘটিত হৈছে। বৰপেটাৰোডৰ নতুন বনাঞ্চলিক কাৰ্যালয়ৰ উদ্বোধনৰ সময়ত মন্ত্ৰীয়ে ঘোষণা কৰে যে ৰাজ্যৰ সকলো বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় পৰ্যায়ক্ৰমে আধুনিকীকৰণ কৰা হ’ব। তেওঁৰ মতে, এই উদ্যোগে বন বিভাগৰ কাৰ্যকাৰিতা বৃদ্ধি কৰিব আৰু প্ৰাকৃতিক সম্পদৰ সুৰক্ষাত সহায় কৰিব। তেওঁ জনোৱা মতে, বেদখলমুক্তকৰণ অভিযানে অসমৰ পৰিৱেশ ব্যৱস্থাৰ সুৰক্ষাৰ লগতে খিলঞ্জীয়া জনগোষ্ঠীৰ স্বাৰ্থ ৰক্ষাৰ লক্ষ্য লৈছে। বনমন্ত্ৰীয়ে ৰাইজৰ প্ৰতি উচ্ছেদ অভিযানক সমৰ্থন কৰাৰ আহ্বান জনাই কয়, “বনাঞ্চলৰ মাটি বেদখল কৰাৰ পিছতো এইসকল লোকে জানি-বুজি অবৈধভাৱে দখল কৰিছিল। অসমৰ ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত এই অভিযানক সকলোৱে আদৰণি জনোৱা উচিত।” তেওঁ স্পষ্ট কৰি দিছে যে উচ্ছেদ অভিযান কোনো ৰাজনৈতিক উদ্দেশ্যৰে চলা নাই, বৰঞ্চ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি অসমৰ বনাঞ্চল পুনৰুদ্ধাৰৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

## পুনৰ নিযুক্তি দিয়া হ’ব

এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবেও প্ৰায় ৫ হাজাৰ ৫০০ শিক্ষকৰ নথি পত্ৰ পৰীক্ষাৰ কাম চলি আছে। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতেই শিক্ষকসকলক নিযুক্তি দিয়া হ’ব বুলি ডাঃ পেগুৱে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে ১৯৮২ চনৰ পৰাই খোৱাং অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰলৈ অৰিহনা আগবঢ়াই অহা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিমূলক আৰু শৈক্ষিক পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি শিক্ষাৰ্থীসকলৰ সৈতেও মত বিনিময় কৰে।

# বৰহাৰদিয়াত অক্ষৰ ফাউণ্ডেছনৰ গ্ৰীষ্মকালীন শিবিৰৰ সামৰণী অনুষ্ঠান বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণ

**অসম বাৰ্তা, সংবাদ দাতা, হাজো, ১৮ জুলাই ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰহাৰদিয়া মধ্য ইংৰাজী বিদ্যালয়ত ১ জুলাইৰ পৰা অক্ষৰ ফাউণ্ডেছনৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন শিবিৰৰ আজি সামৰণি পৰে। বিগত ৮ মাহ ধৰি অক্ষৰ ফাউণ্ডেছনে বৰহাৰদিয়া মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলক পঢ়াৰ সহযোগী হোৱাকৈ এফ এল এনৰ নিয়মীয়া অনুশীলন , বৃত্তিমূলক শিক্ষা যেনে - পানী মেটেকাৰ পৰা বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰা , বাঁহ বেটৰ সামগ্ৰী প্ৰস্তুত কৰা, উন্নত পদ্ধতিত কৃষি কৰ্ম ইত্যাদিৰ প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। তদুপৰি এখন প্লাষ্টিকমুক্ত সমাজ গঠনত অক্ষৰ ফাউণ্ডেছনে সদায়েই শিক্ষাৰ্থী সকলক পেলনীয়া পাষ্টিকেৰে ইকো ব্ৰিকচ প্ৰস্তুত কৰাৰ কৌশল শিকাই আহিছে । তাৰেই অংশ হিচাপে ১ জুলাইৰ পৰা চলি থকা গ্ৰীষ্ম শিবিৰক "গজালি" নামাকৰণ কৰি এই শিবিৰত ছাত্ৰ ছাত্ৰীৰ মাজত এফ এল এন , ইকো ব্ৰিকছ, লাইফ স্কিল, ষ্টেম, ৰোল প্লে, ভাষা খেল, গণিত খেল , চিত্ৰাংকন, আচাৰ-ব্যৱহাৰ, অভিভাৱকৰ লগত খেল ধেমালি, যোগ - শাৰীৰিক ব্যায়াম, কবিতা আবৃত্তি, সাধু কোৱা, কুইজ, প'ষ্টাৰ বনোৱা, চচ্ছতা, পানী মেটেকাৰ সামগ্ৰী প্ৰস্তুত, গীত- নৃত্য, আকস্মিক বক্তৃতা ইত্যাদি প্ৰতিযোগিতাৰ আয়োজন কৰে। অৰ্ধ শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আৰু অৱসৰী প্ৰধান শিক্ষক কনক চন্দ্ৰ কলিতাই সভাপতিত্ব কৰা গ্ৰীষ্মকালীন শিবিৰটিৰ সামৰণী অনুষ্ঠানত ছাত্ৰ ছাত্ৰীৰ লগতে অভিভাৱক সকলোকো বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চি আৰ চি চি আতাউৰ ৰহমান, বিদ্যালয় প্ৰধান ৰবিন কলিতা, ৰামদিয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সৰস্বতী দত্ত,ক্ষেত্ৰিহাৰদিয়া গাওঁ পঞ্চায়তৰ নৱ নিৰ্বাচিত সভানেত্ৰী গীতাঞ্জলি কলিতা, গাঁও প্ৰধান ভাৰত চন্দ্ৰ কলিতা, প্ৰধান শিক্ষক মহেশ কলিতা,পৰেশ চন্দ্ৰ কলিতা, গৈছুদ্দিন শইকীয়াৰ লগতে প্ৰশিক্ষক অঞ্জলি বড়ো, অক্ষৰ ফাউণ্ডেচনৰ জিলা পৰিদৰ্শক শুভংকৰ দে, অক্ষৰ সমন্বয়ক অৰক্তিম কলিতা আৰু সামাজিক কৰ্মী জিতুমনি ভূঞা । এই শিবিৰত বিশেষ ভাৱে সহযোগিতা কৰে বামুন্দী মহাবিদ্যালয়ৰ পৰা ইন্টাৰ্ণচিপ কৰিব অহা এটি সজাতী দলে।

# বকোৰ বনগাঁওত কংগ্ৰেছৰ অধ্যক্ষ তথা যুৱৰাজ ৰাহুল গান্ধী

# কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকা অৰ্জুন খাৰ্গেসহ কেন্দ্ৰীয় নেতৃবৃন্দৰ উপস্থিতিত দলৰ বিশাল কৰ্মী সভা

**অসম বাৰ্তা, বকো, ১৮ জুলাইঃ** ৰাজ্যত বলিৰ ধৰিছে নিৰ্বাচনী গৰম বতাহ। সকলো ৰাজনৈতিক দলে ক্ষমতা দখলৰ ৰণক্ষেত্ৰত নমাৰ প্ৰস্তুতি চলাই আহিছে। এই ক্ষেত্ৰত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়েও ককালত টঙালি বান্ধি সাজু হৈছে নিৰ্বাচনী যুঁজলৈ। ইফালে নিৰ্বাচনৰ বাবে কেইমাহমান বাকী থকা সময়তে অসমত কংগ্ৰেছ দলৰ স্থিতি মজবুত কৰিবলৈ আৰু দলীয় কৰ্মীৰ মনোবলৰ বুজ ল'বলৈ আজি অৰ্থাৎ ১৬ জুলাইত অসমলৈ আহিছে সৰ্বভাৰতীয় কংগ্ৰেছ নেতা তথা দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকা অৰ্জুন খাৰ্গে আৰু কেন্দ্ৰীয় চৰকাৰৰ বিৰোধী দলয় দলপতি তথা কংগ্ৰেছৰ যুৱৰাজ ৰাহুল গান্ধী; অসমৰ দায়িত্বত থকা দলৰ শীৰ্ষ নেতা তথা সম্পাদক জীতেন্দ্ৰ সিং সহ দলৰ বহু শীৰ্ষ নেতা। আজি কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত বনগাঁওত আয়োজন কৰা হৈছে কংগ্ৰেছৰ বিশাল কৰ্মী সভা। উল্লেখ্য যে; দক্ষিণ কামৰূপৰ দলৰ বলিষ্ঠ নেতা তথা ছয়গাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদৰ তৎপৰতাত আয়োজন কৰা কৰ্মী সভাত দলৰ শীৰ্ষ নেতা সকলোক আদৰিবলৈ উঠি পৰি লাগিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যুৱ নেতা গৌৰৱ গগৈৰ লগতে ৰাভা হাছং পৰিষদ এলেকাৰ কংগ্ৰেছ দলৰ সমন্বয়ৰক্ষী সমিতিয়ে। সমন্বয়ৰক্ষী সমিতিৰ সভাপতি তথা ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী প্ৰণয় কুমাৰ ৰাভা আৰু সম্পাদক ৰঞ্জন ৰাভাই জনোৱা মতে বনগাঁও ব্লক কংগ্ৰেছৰ সভাপতি চবিন বড়োৰ তৎপৰতাত ৰাষ্ট্ৰীয় নেতা সকলোক জনজাতীয় সাজ-পোছাক পৰিধান কৰি কৃষ্টি-সাংস্কৃতিৰে আৰি আনি কৰ্মী সভাত আনস গ্ৰহণ কৰায়। কংগ্ৰেছ দলৰ কৰ্মী সভাত শাসকীয় বিজেপি দলে যা'তে কোনো কাৰণতে বিধি পথালি দিব নোৱাৰে তাৰ বাবে সমিতিয়ে চোকা দৃষ্টি ৰাখে বুলি উল্লেখ কৰে। উল্লেখ্য যে কৰ্মী সভাখনত অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ নৱ নিৰ্বাচিত সভাপতি গৌৰৱ গগৈয়ো অংশগ্ৰহণ কৰে। এই কাৰ্য্যসুচী সন্দৰ্ভত ৰাভা হাছং এলেকা কংগ্ৰেছৰ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী প্ৰণয় ৰাভা আৰু সম্পাদক ৰঞ্জন ৰাভাই জনোৱা অনুসৰি নিখিল ভাৰত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকা অৰ্জুন খৰ্গে, বিৰোধী দলৰ দলপতি তথা কংগ্ৰেছৰ অধ্যক্ষ আৰু যুৱৰাজ ৰাহুল গান্ধী আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি সাংসদ গৌৰৱ গগৈৰ উপস্থিতিত আজি বকো ছয়গাঁও সমষ্টিৰ বনগাঁওত কংগ্ৰেছ দলৰ কৰ্মী সভা আয়োজন কৰা হৈছে। বকো ছয়গাঁও আৰু পলাশবাৰী ; ছয়গাঁও ; দুধনৈৰ উপৰিও প্ৰতিটো সমষ্টিৰ যথেষ্ট সংখ্যক দলীয় কৰ্মীয়ে দলৰ শীৰ্ষ নেতা সকলোক আদৰিবলৈ দিনে নিশাই ব্যস্ত হৈ পৰিছিল কৰ্মী সকল। ইফালে আজি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় শীৰ্ষ নেতৃত্বৰ উপৰিও ৰাষ্ট্ৰীয় সভাপতি মল্লিকা অৰ্জুন খৰ্গেৰ লগতে লোকসভাত বিৰোধী দলৰ দলপতি দলৰ অধ্যক্ষ ৰাহুল গান্ধী আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে সভাত অংশগ্ৰহণ কৰি দলৰ স্থিতি মজবুত কৰি সমাগত বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীক বিপুল ভোটেৰে জয়ী কৰাবলৈ লগতে ৰাজ্যত কংগ্ৰেছৰ শাসন চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে সংকল্প গ্ৰহণ কৰে। ইয়াকে লৈ আজি উৎফুল্ল হৈ পৰিছে কংগ্ৰেছ নেতা, কৰ্মী সকল। বকো ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বনগাঁও কেম্পস্থিত শান্তি নিজৰা ক্লাৱৰ চৌহদত অনুষ্ঠিত হয় কৰ্মী সভা খন । ৰাভা হাছং এলেকাক সামৰি গঠিত কংগ্ৰেছৰ সমন্বয়ৰক্ষী সমিতিও কংগ্ৰেছৰ ৰাষ্ট্ৰীয় শীৰ্ষ নেতৃত্বক আদৰিবলৈ সম্পূৰ্ণৰূপে প্ৰস্তুত হৈ পৰিছে। আজি বনগাঁও ৰাজীৱ ভৱনত ৰাভা হাছং এলেকা সামৰি কংগ্ৰেছ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি প্ৰণয় ৰাভা আৰু সম্পাদক ৰঞ্জন ৰাভা আৰু বনগাঁও ব্লক কংগ্ৰেছৰ সভাপতি চবিন



বড়োই জনোৱা মতে, কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় তথা ৰাজ্যিক নেতৃত্বক আদৰিবলৈ আৰু কৰ্মী সভা সফল কৰিবলৈ সকলো প্ৰস্তুতি সম্পুৰ্ণ কৰি তোলা হৈছে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ কংগ্ৰেছৰ কৰ্মী সকলে সহযোগ আগবঢ়োৱা কৰ্মী সভাত কংগ্ৰেছৰ কেন্দ্ৰীয় নেতা কে চি বেণুগোপাল ; অসম চৰকাৰৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ; অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰা ; বিধায়ক ৰকিবুল হুছেইন ; দুধনৈৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰী ; বকোৰ বিধায়িকা নন্দিতা দাস ; দিগন্ত বৰ্মনৰ উপৰিও কংগ্ৰেছৰ সকলো বিধায়ক ; জিলা পৰিষদৰ নৱ নিৰ্বাচিত সদস্য ; আঞ্চলিক পঞ্চায়তৰ সদস্য; গাওঁ পঞ্চায়তৰ সদস্যৰ লগতে কেৰা সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। কৰ্মী সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছ অধ্যক্ষ ৰাহুল গান্ধীয়ে বি জে পিৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী এগৰাকী অতি মিচলীলা লোক বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। ৰাহুল গান্ধীয়ে কয় যে সদায় ধৰ্মীয় ৰাজনীতিৰ কথা কোৱা নৰেন্দ্ৰ মোদীয়ে গোকাট মিছা কথা কৈয়ে জনসাধাৰনক প্ৰতাৰণা কৰিছে। আনহাতে দলৰ শীৰ্ষ নেতা মল্লিকা অৰ্জুন খাৰ্গে অসমৰ মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্য্যকালাপে অসমৰ ৰাইজক উপলুঙাহে কৰিছে বুলি বক্তব্য আগবঢ়ায়। লগতে অসমৰ খিলঞ্জীয়া লোকৰ ভূমি বেদখল মুক্ত কৰাৰ স্বাৰ্থত উচ্ছেদ কৰা কাৰ্য্য নিন্দাৰ যোগ্য বুলিও কটাক্ষ কৰে।

# পশ্চিম যোৰহাটৰ ৰবৈয়া জান বৰ্তাই ৰখাৰ আহ্বান

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৮ জুলাই ঃ**যোৰহাটৰ ন-আলি ঢেকিয়াজুলিৰ পৰা জামুগুৰি, ৰবৈয়া ফিল্ডৰ কাষেৰে পকীমূৰি হাবিগাঁও। ঢাপকটা, সাহপুৰীয়া, চাৰিঙীয়াৰ সীমাৰে পৰ্বতীয়া কাঠনি হৈ আঠুভগা জানেৰে ভোগদৈত মিলিত হোৱা ৰবৈয়া জানৰ সংৰক্ষণৰ প্ৰয়োজন হৈছে। জানটোৰ ৰবৈয়া অংশত গো-পালকসকলে গোবৰ-জাবৰ পেলাই ঠেক কৰি তোলাৰ লগতে পকীমূৰি আৰু ঢাপকটা অংশত নদীৰ পানীলৈকে বেদখল হৈছে। ইফালে, পথাৰ অংশত জানটোত ঠেককৈ পুল দি পথ নিৰ্মাণৰ চেষ্টা কৰোঁতেই ৰাইজৰ প্ৰতিবাদত বিফল হ'ল। বহুলোকে জানটোৰ কাষত পকী ৱাল দি বেদখল কৰাৰো প্ৰচেষ্টা চলাইছে। ৰবৈয়া জানটোৰেই চৰাই বাহী, খঙীয়া, সৰুচৰাই, পৰ্বতীয়া মৌজাৰ অধিক সংখ্যক গাঁৱৰে পানী ৰবৈয়া জানটোৰেদি বোৱাই নি ভোগদৈত পেলাইছিল। এসময়ত জানটোত মাছ-পুঠিৰে উভৈনদীও আছিল। পুৰুষসকলে বৰশী বোৱা, জাল বোৱা, খেপিয়াই মাছ ধৰা, পল বোৱাৰ উপৰি জাক-জাক মহিলাই জাকৈ বাই মাছ ধৰাৰ দৃশ্য আজিও বহুতৰ চকুত ভাহি আছে। পূৰ্বতে অঞ্চলটোত কৃত্ৰিম বানৰ সৃষ্টি হোৱা নাছিল। কিন্তু বৰ্তমানৰ ৰবৈয়া জানটোৰ অৱস্থাই অঞ্চলটোত কৃত্ৰিম বানৰ সৃষ্টি কৰিছে। একাংশ লোকৰ ভূমিৰ প্ৰতি বেছি মোহ হোৱাৰ বাবেই এনে অৱস্থা হৈছে। এই ক্ষেত্ৰত যোৰহাট জিলা প্ৰশাসন আৰু ৰাজহ বিভাগৰ অমনোযোগীতাৰ বাবেই এনে হোৱা বুলি বহুজনে উল্লেখ কৰিছে। যোৰহাট মহানগৰৰ টোকোলাই জানটো বেদখলৰ লগতে ইপাৰ-সিপাৰ হ'বলৈ ব্যক্তিগত দলং নিৰ্মাণ কৰাৰ দৰে পশ্চিম যোৰহাট অঞ্চলত দীৰ্ঘদিনৰে পৰা পানী বৈ থকা ৰবৈয়া জানটোতো যে তেনে অৱস্থা নহ'ব তাক কোৱা টান। সেয়ে অঞ্চলটোৰ ৰাইজৰ লগতে যোৰহাট জিলা প্ৰশাসন আৰু ৰাজহ বিভাগক ৰবৈয়া জানটো দীৰ্ঘকাললৈ পানী নিষ্কাশনৰ বাবে বৰ্তাই ৰখাৰ উদ্দেশ্যে সময় থাকোঁতেই পদক্ষেপ গ্ৰহণ কৰা উচিত। প্ৰকৃতি সুৰক্ষাৰ স্বাৰ্থত, অঞ্চলটোৰ ৰাইজে বান্দৰৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ জানটোৰ দুয়ো কাষে ফল-মূলৰ গছ ৰোপণ কৰি সেউজীয়াকৰণ কৰিব পাৰি।

# আৰ্থিক অনাটনত জৰ্জৰিত বঁটা প্ৰাপক শিল্পী নেতাজী দত্ত চৰকাৰী সাহায্য প্ৰদানৰ দাবী

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৮ জুলাই ঃ** অসম নাট্য সন্মিলনৰ নলবাৰীত অনুস্থিত ৪২ তম বাৰ্ষিক অধিবেশনৰ পূৰ্ণাংগ নাট প্ৰতিযোগিতাত দক্ষিণ পকোৱা বাঁহজানী শাখাৰ পৰা শ্ৰেষ্ঠ ৰূপ সজ্জাকৰৰ বঁটাপ্ৰাপ্ত নেতাজী দত্তক চৰকাৰী সাহায্য প্ৰদানৰ দাবী নলবাৰীবাসী ৰাইজৰ। নলবাৰী জিলাৰ এটি পৰিচিত নাম হৈছে নেতাজী দত্ত। পিতৃ প্ৰয়াত দেবেন্দ্ৰ নাথ দত্তৰ ঔৰষত আৰু মাতৃ প্ৰয়াত কাঞ্চনপ্ৰিয়া দত্তৰ গৰ্ভত নিজ পকোৱা গাওঁত জন্ম গ্ৰহণ কৰি ডাঙৰ-দীঘল হোৱা নেতাজী দত্তই পকোৱা হাইস্কুলৰ পৰা ১৯৮৪ চনত সুখ্যাতিৰে মেট্ৰিক আৰু ১৯৮৯ চনত নলবাৰী মহাবিদ্যালয়ৰ পৰা বি.এ. পাছ কৰিবলৈ সক্ষম হয়। ছাত্ৰ অৱস্থাৰ পৰাই শিল্প সাধনাত ব্ৰতী হৈ দত্তই ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতে কালজয়ী শিল্পী ভবেন বৰুৱা ৰচিত নাট 'ফোপোলা চুঙা' নাটকত অভিনয় কৰি দৰ্শকৰ হাত চাপৰিত উৎসাহিত হৈ শিল্প সাধনাৰ জগতখনলৈ ঢাপলি মেলে। এই নাটকখনত ১৯৭৯ চনতে শ্ৰেষ্ঠ শিল্পী বঁটা লাভ কৰিবলৈ সক্ষম হোৱা দত্তই কবৰৰ কংকাল, পৰশমণি, বন্দীৰ সন্তান, জিয়া মৰম, মকৰা জাল, কয়দী আদি নাটকত অভিনয় কৰি দৰ্শকক আপ্লুত কৰে। শিল্পী দত্তই পকোৱা কলা কৃষ্টি সংঘ, বিহামপুৰ সংঘ,শ্ৰী মন্ত কলা নিকেতন নলবাৰী, অভিনৱ নাট্য গোষ্ঠী, নলবাৰী আদি অনুষ্ঠানৰ জৰিয়তে নাট্য জগতত খোজ দি আজি এগৰাকী সফল শিল্পী হিচাপে সমাদৃত হৈছে। অসম নাট্য সম্মিলনৰ নলবাৰী অধিৱেশনত (৪২ সংখ্যক) ৰূপ সজ্জাত প্ৰথম স্থান প্ৰাপ্ত এইগৰাকী শিল্পী বৰ্তমান আৰ্থিক দৈন্যত দিন পাৰ কৰিছে। পত্নী জবা ৰায় চৌধুৰী আৰু দ্বাদশ শ্ৰেণীত অধ্যয়নৰত একমাত্ৰ কন্যা সন্তান ভাবনা স্মৃতি শ্ৰীদত্তক লৈ দত্তৰ তিনিজনীয়া পৰিয়ালটি গঠিত। একমাত্ৰ কন্যা সন্তান ভাবনাই ২০২৪ বৰ্ষত পকোৱা হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫টাকৈ বিষয়ত লেটাৰ মাৰ্ক সহ ৮৩. ৮৩ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈ বৰ্তমান মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ত দ্বাদশ শ্ৰেণীত অধ্যয়নৰত হৈ আছে। আৰ্থিক অনাটনত জৰ্জৰিত এই দুৰ্ভগীয়া শিল্পী পৰিয়ালটোৱে বৰ্তমান উপাৰ্জনৰ পথ বিচাৰি নোপোৱাত পৰিয়ালটোলৈ গভীৰ আৰ্থিক সংকটত ভুগিছে। বিভিন্ন সাংস্কৃতিক গোষ্ঠীৰ লগত জৰিত এই শিল্পীগৰাকীয়ে বৰ্তমানলৈকে কোনো ধৰণৰ আৰ্থিক সাহায্য লাভ নকৰাত পৰিয়ালটোলৈ দুৰ্যোগ নামি আহিছে।

# অভয়াপুৰীত ১৫ দিনীয়া নাট কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, অভয়াপুৰী, ১৮ জুলাই ঃ** 'উৎস' নামৰ নাট্য সংস্থাৰ উদ্যোগত আৰু অভয়াপুৰীস্থিত অভয়াপুৰী জাতীয় বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত ১৫ দিনীয়া নাট্য কৰ্মশালাখনি কালি সামৰণি পৰে। যোৱা ৩ জুলাইৰ পৰা আৰম্ভ হোৱা এই নাট প্ৰশিক্ষণ শিবিৰত অভয়াপুৰী সমজিলাৰ বিভিন্ন প্ৰান্তৰ ২৮ গৰাকী নাট্য প্ৰেমীয়ে অংশগ্ৰহণ কৰে। এই অঁআট কৰ্মশালাই অঞ্চলটোত নাট্যচেতনা আৰু সৃজনশীল কলাৰ বিস্তাৰ ঘটোৱাৰ দিশে এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। সামৰণি অনুষ্ঠানৰ শুভাৰম্ভ হয় প্ৰশিক্ষাৰ্থী দীক্ষিতা বশিষ্ঠৰ দেশপ্ৰেমমূলক নৃত্যৰে। তাৰ পিছতে গীত-মাত পৰিৱেশন কৰে ময়ুখ ডেকা, দীপজ্যোতি ৰাভা, বৰ্ণাভ জ্যোতি দাস আৰু ধনিষ্ঠা দাসে । কবিতা পাঠ কৰে তিনি প্ৰশিক্ষাৰ্থী ক্ৰমে নীয়ান বেনাৰ্জী, তুষাৰ বেনাৰ্জী আৰু ৰাজদীপ মণ্ডলে। সামৰণি অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল দুখন নাট প্ৰদৰ্শন। প্ৰথমখন নাটক আছিল "মানুহজন ভালেই আছিল", যাৰ কাহিনী অপূৰ্ব বৰ্মনৰ আৰু নাট্য ৰূপায়ণ কৰিছিল প্ৰশিক্ষাৰ্থীসকলে নিজে। দ্বিতীয়খন নাটক আছিল যশস্বী নাট্যকাৰ হিমাংশু প্ৰসাদ দাস দেৱৰ "ৰাণ" নাটকৰ আধাৰত সৃষ্টি কৰা কেইটিমান নাট্য দৃশ্যৰ মঞ্চায়ন। এই নাট্য প্ৰদৰ্শনসমূহে উপস্হিত দৰ্শকক চমৎকৃত কৰি তোলে আৰু নাট্যকৰ্মীৰ কঠোৰ পৰিশ্ৰমৰ প্ৰমাণ দিয়ে। অনুষ্ঠানৰ অন্তত অংশগ্ৰহণকাৰী সকলো প্ৰশিক্ষাৰ্থীক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। এই কৰ্মশালাত প্ৰশিক্ষক হিচাপে আহিছিল বিশিষ্ট নাট্যশিল্পী উৎপল কুমাৰ দাস, যোগীৰাজ চক্ৰৱৰ্তী, অপূৰ্ব বৰ্মন আৰু ৰূপম জ্যোতি দাস। তেওঁলোকে প্ৰশিক্ষণ কালছোৱাত নাট্য অনুশীলন, অভিনয় কৌশল, সংলাপ প্ৰচাৰ, মঞ্চ ব্যৱস্থাপনা আদি বিভিন্ন দিশৰ ওপৰত অংশগ্ৰহণকাৰীক প্ৰশিক্ষণ প্ৰদান কৰে। এই কৰ্মশালাৰ দায়িত্ব লোৱা নাট্যকৰ্মী তথা 'উৎস'ৰ সম্পাদক জ্যোতি প্ৰসাদ দাসে অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই নাট কৰ্মশালাই মঞ্চ কলাক প্ৰচাৰ আৰু শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটোত এটা নতুন দিশ প্ৰদান কৰিলে বুলি জ্যোতি প্ৰসাদ দাসে মত প্ৰকাশ কৰে।

# বঙাইগাঁও জিলাত অনুষ্ঠিত শংকৰী সংস্কৃতিৰ গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালা

**অসম বাৰ্তা বিশেষ, বঙাইগাঁও, ১৮ জুলাইঃ** জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নীতি-আদৰ্শৰে প্ৰতিষ্ঠিত নামনি অসমৰ বঙাইগাঁও জিলাৰ অন্তৰ্গত কাশিডোবাত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বঙাইগাঁও জিলা শাখাৰ উদ্যোগত সংস্কৃতি শাখা আৰু সেৱাবাহিনীৰ সহযোগত জিলা শাখাৰ নামঘৰত যোৱা ১৫ জুলাই তাৰিখৰ পৰা গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হৈ আছে। উক্ত শংকৰী সংস্কৃতিৰ কৰ্মশালা ভাগিত বৰগীতৰ প্ৰশিক্ষক হিচাপে নলবাৰী জিলাৰ ৰিপুঞ্জয় কলিতা, নৃত্যৰ প্ৰশিক্ষক হিচাপে দ্ৰৌপদী ৰায় আৰু লক্ষীমপুৰ জিলাৰ সৈত্য শইকীয়া, খোলবাদ্যত স্থানীয় প্ৰশিক্ষক সকলৰ লগতে লোক সংস্কৃতিৰ দিহানামৰ প্ৰশিক্ষক হিচাপে দৰং জিলাৰ পিংকুমনি চহৰীয়াই প্ৰশিক্ষণ প্ৰদান কৰি আছে। উল্লেখযোগ্য যে বিগত বৰ্ষতকৈ বঙাইগাঁও জিলাশাখাৰ সংস্কৃতি শাখা সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগতে জিলাধিনায়ক পোনাকন সৰকাৰ আৰু কুঞ্জ ৰায়ৰ নেতৃত্বত সেৱক-সেৱিকা সকলে গীত-নৃত্য আৰু বাদ্যৰ লগতে কৰ্মশালাত সংযোগ কৰা অংকীয়া নাটৰ কৰ্মশালা কাইলৈৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ গৱেষণা পৰিষদৰ সভাপতি পবিত্ৰ প্ৰান বৰা'ৰ মুখ্য প্ৰশিক্ষণত কৰ্মশালা আৰম্ভণি কৰিব। কৰ্মশালা ভাগত প্ৰথম দিনাৰ পৰাই শংকৰী গীত-বাদ্য আৰু নৃত্য শাখাত শতাধিক শিশু আৰু যুৱক-যুৱতী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰাৰ লগতে বঙাইগাঁও জিলাত পোন প্ৰথমবাৰৰ বাবে অংকীয়া নাটৰ কৰ্মশালা কাইলৈৰ পৰা আৰম্ভ হ'ব বুলি জিলাশাখাৰ সভাপতি অনিল কুমাৰ ৰায় আৰু সম্পাদক নমল শৰণীয়াই জানিবলৈ দিয়ে ।

## অদম্য প্ৰতিভা এগৰাকী যুৱতী

# ছবি অংকনৰ জড়িয়তে সমাদৰ লাভ কৰিছে গাঁওবাসীৰ

**অসম বাৰ্তা, লেংটিছিঙা, ১৮ জুলাই ঃ** অভয়াপুৰীৰ বৰিগাঁৱৰ প্ৰিতুস্মিতা কৌশিক নামৰ এগৰাকী যুৱতীৰ ছবি অঁকাৰ প্ৰতিভা সৰ্বতে প্ৰশংসা লাভ কৰিছে। অতি সৰু বয়সৰ পৰা তেওঁ আঁকনিৰ প্ৰতি গভীৰ আগ্ৰহ দেখুৱাই আহিছে। স্কুলত থাকোঁতেই তেওঁ অজস্ৰ মনোমোহা ছবি আঁকি শিক্ষক-শিক্ষিকাৰ প্ৰশংসা লাভ কৰিছে। প্ৰিতুস্মিতা কৌশিকৰ পিতৃ ধীৰাজ দেৱ শৰ্মাৰ ২০১৮ চনত হোৱা অকাল মৃত্যুৰ পাছতেই বহু কষ্টেৰে মাতৃ মিঠু চক্ৰৱৰ্তীয়ে দুজন পুত্ৰ মৃদুপৱন কৌশিক আৰু ভৃগু ৰাজ কৌশিক লগতে দুজনী কন্যা সন্তানৰ সৈতে জীৱন সংগ্ৰাম কৰি আহিছে । প্ৰিতুস্মিতা কৌশিকৰ মাতৃৰ মতে তাই পেঞ্চিল ধৰা শিকাৰ সময়ৰ পৰাই কেতিয়াবা চোতালত, কেতিয়াবা বহীত, কেতিয়াবা ঘৰৰ পকী বেৰত অবিৰত ছবি আঁকিয়েই আছিল । বৰ্তমান প্ৰিতুস্মিতা কৌশিক উচ্চতৰ মাধ্যমিক পাছ কৰি শিক্ষা ক্ষেত্ৰত ব্যস্ত যদিও তাইৰ সপোন — এজনী খ্যাতনামা শিল্পী হোৱা আৰু নিজৰ গাঁওখনৰ মুখ উজ্জ্বল কৰা। তাইৰ ছবিত গভীৰ চিন্তাধাৰা প্ৰকাশ পায়। যেন এক অলৌকিক সৃষ্টি । তাই ছবি অংকনৰ উপৰিও চিলাই, কাপোৰত বিভিন্ন ডিজাইন কৰি পৰিচিতি লাভ কৰিছে। তাইৰ প্ৰতিভা সঁচাকৈয়ে নতুন প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা স্বৰূপ।

# কুমচাই গাওঁ পঞ্চায়ত এলেকাত বিধায়কৰ সমষ্টি উন্নয়ন পুঁজিৰ আঁচনি ৰূপায়ণত অনীয়ম

**অসম বাৰ্তা, জাগুন, ১৮ জুলাই ঃ** ৮৩ নং মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ বিধায়ক এলেকা উন্নয়ন পুঁজিৰ আঁচনি ৰূপায়নত অনিয়ম সংঘটিত হোৱাৰ এক তথ্য পোহৰলৈ আহিছে। সমষ্টিটোৰ কুমচাই গাওঁ পঞ্চায়তৰ অন্তৰ্গত ১নং টকলং গাঁৱত মহিলা সমিতিৰ এটা সামূহিক গৃহ নিৰ্মাণৰ ক্ষেত্ৰত ঠিকাদাৰ ৰূপী এজন বি, জে,পি, পালিনেতাই এই অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজ তথা মহিলা সমিতিৰ নেতৃত্বই। জানিব পৰা অনুসৰি ২০১৯/২০ বৰ্ষত বিধায়ক ভাস্কৰ শৰ্মাই ১ নং টকলং পাৰিজাত মহিলা সমিতিৰ সামূহিক গৃহ নিৰ্মাণৰ বাবে আবণ্টন দিছিল প্ৰায় ৫.৫ লাখ টকা। প্ৰচলিত নিয়ম অনুসৰি উক্ত আবন্টিত পুঁজিৰে কাম আৰম্ভ কৰাৰ পূৰ্বে খণ্ড উন্নয়ন বিষয়া কাৰ্য্যালয়ৰ দ্বাৰা প্ৰাককলন সাজু কৰি স্থানীয় ৰাইজৰ মাজত এখন নিৰ্মাণ কমিটি গঠন কৰি কমিটীৰ সভাপতি নাইবা সম্পাদকৰ সৈতে খণ্ড উন্নয়ন বিষয়াৰ যৌথ বেংক একাউণ্টৰ দ্বাৰা পুঁজি ব্যৱহাৰ কৰা হয়। কিন্তু দুৰ্ভাগ্যজনক কথাটো হৈছে স্থানীয় কোনো লোকক দায়িত্ব অৰ্পন নকৰি জাগুনৰ দেৱেন্দ্ৰ উপাধ্যায় নামৰ এজন বি, জে,পি, পালিনেতাই এই সামূহিক গৃহ নিৰ্মাণৰ দায়িত্ব লাভ কৰিবলৈ সক্ষম হয় ।প্ৰথম পৰ্যায়ত গৃহ নিৰ্মাণৰ কাম ঠিকে ঠাকে চলি আছিল যদিও সন্দেহ জনক ভাৱে হঠাৎ নিৰ্মান কাৰ্য্য বন্ধ হৈ পৰিল। বৰ্তমানলৈ এই গৃহ নিৰ্মাণ সম্পূৰ্ণ নোহোৱাৰ বাবে গৃহটো ৰাইজে ব্যৱহাৰ কৰিব নোৱাৰাত গৃহটো লাহে লাহে জৰাজীৰ্ণ অৱস্থালৈ গতি কৰা দেখা গৈছে। এই বিষয়ে ৰাইজে জানিবলৈ দেৱেন্দ্ৰ উপাধ্যায়ক ফোন কৰিলে তেখেতে ফোন কলৰ কোনো ধৰণৰ সঁহাৰি নজনায় বুলিও গুৰুতৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজে সংবাদ মাধ্যমৰ যোগেদি বিধায়ক ভাস্কৰ শৰ্মা আৰু মাৰ্ঘেৰিটা সম জিলা আয়ুক্তক উক্ত সামূহিক গৃহ নিৰ্মাণ কি কাৰণত সম্পূৰ্ণ হৈ নুঠিল সেই সন্দৰ্ভত এক তদন্ত কৰি গৃহটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি তোলাৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।এই ক্ষেত্ৰত বিধায়ক ভাস্কৰ শৰ্মা আৰু সম জিলা আয়ুক্তই কি পদক্ষেপ গ্ৰহণ কৰে সেয়াহে লক্ষণীয় বিষয় হিচাপে পৰিগণিত হব।



# মামুন ভূঞা চেতীয়া লখিমপুৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী

**অসম বাৰ্তা, লীলাবাৰী, ১৮ জুলাইঃ** ৭৬ নং লখিমপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়ত সমূহৰ সভাপতি নিৰ্বাচনৰ সমান্তৰালকৈ আঞ্চলিক পঞ্চায়তৰ সভাপতি নিৰ্বাচন প্ৰক্ৰিয়া আজি সুকলমে অনুষ্ঠিত হৈ যায়। চাৰি গাঁও পঞ্চায়ত- লখিমপুৰ, চাবতি, উজ্জ্বলপুৰ আৰু কয়লামাৰীৰে গঠিত লখিমপুৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাপে উজ্জ্বলপুৰ গাঁও পঞ্চায়তৰ পৰা বিপুল ভোটৰ ব্যৱধানত জয়ী হোৱা মামুন ভূঞা চেতীয়া আগন্তুক ৫টা বছৰৰ বাবে নিৰ্বাচিত হৈছে। সমাজসেৱাৰ মনোভাৱ, সদিচ্ছা, দূৰদৰ্শীভাৱে উন্নতি, ঐক্যৰে সমৃদ্ধিশালী লখিমপুৰ গঢ়াৰ পৰিকল্পনা কৰিছে নৱনিৰ্বাচিত আঞ্চলিক পৰিষদৰ সভাপতি গৰাকীয়ে। উল্লেখ্য যে, চাবতি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য (কাউন্সিলাৰ) মিলন্ত বৰুৱা লখিমপুৰ আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হয়।

# কাব্যম যোগাসন কেন্দ্ৰৰ কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ১৮ জুলাইঃ** শিৱসাগৰ জিলাৰ চাৰিঙৰ কাব্যম যোগাসন কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত হয় তিনি দিনীয়া যোগাসন কৰ্মশালা । আনহাতে এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে আন্তঃৰাষ্ট্ৰীয় সোনৰ পদক প্ৰাপক , তথা যোগ গুৰু আৰু যোগ বিচাৰক অসীম বৰুৱা আৰু যোগ প্ৰশিক্ষক তথা বিচাৰক দীপক গগৈয়ে । অৰ্ধ শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত ছাত্ৰ ছাত্ৰী সকলৰ শাৰীৰিক মানসিক আৰু বৌদ্ধিক বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয় । তিনিও দিনৰ অনুষ্ঠানত উপস্থিত থাকে শিক্ষক, কবি সাহিত্যিক শ্ৰীমন্ত দত্ত, জ্যেষ্ঠ সাংবাদিক ক্ৰমে ৰাজীৱ দত্ত, জিৰাউদ্দিন আহমেদ,ইমৰান ৰহমান আৰু অনুৰাগ শইকীয়া। সমান্তৰাল ভাবে উপস্থিত থাকে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ বিষয়ববীয়া বিমল ফুকন।

# দিখৌমুখ মহাবিদ্যালয়ৰ সন্তোষজনক ফলাফল

**অসম বাৰ্তা, জাঁজী, ১৮ জুলাই ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা চাৰিবছৰীয়া স্নাতক পৰীক্ষা-২০২৫ বৰ্ষৰ কলা শাখাৰ সদ্যঘোষিত ২য় আৰু ৪ৰ্থ ষাণ্মাসিকৰ ফলাফলত দিখৌমুখ মহাবিদ্যালয়ৰ সন্তোষ জনক ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে । ফলাফল অনুসৰি ২য় যাণ্মাসিকৰ মুঠ অৱতীৰ্ণ ১১২ জন ছাত্ৰ ছাত্ৰীৰ ভিতৰত মুঠ উত্তীৰ্ণ হয় ৯৮ জন । উত্তীৰ্ণৰ হাৰ ৮৭.৫০ শতাংশ । আনহাতে ৪ৰ্থ যাণ্মাসিকৰ মুঠ অৱতীৰ্ণ হয় ৭৯ জন আৰু উত্তীৰ্ণ ৭৩ জন। উত্তীৰ্ণৰ হাৰ ৯২.৪১ শতাংশ। ছাত্ৰ ছাত্ৰীৰ এনে ফলাফল মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সংশ্লিষ্ট সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন